

কবি আৰু কবিতাৰ
অনন্ত যাত্ৰা

# সহস্ৰ কবিৰ
# সহস্ৰ কবিতা

## দ্বিতীয় খণ্ড

প্ৰস্তুতি
সংস্কাৰধ্বনি ফাউণ্ডেচন
গুৱাহাটী, অসম

জোনবাইলৈ যোৱা প্ৰথম কবিতা অসমীয়া হওঁক

# সহস্ৰ কবিৰ সহস্ৰ কবিতা

প্ৰস্তুতি

সংস্কাৰধ্বনি ফাউণ্ডেচন

**সংস্কাৰধ্বনি ফাউণ্ডেচন**
ৰূপালীম পথ, সাউকুছি, গুৱাহাটী-৪০
ফোন ঃ ৯৯৫৭৮-৮৪৪০০, ৯৬৭৮০-৭০৭৭৬
**Regn No.** RS/KAM(M)/263/U/152 OF 2019-2020
**Website :** www.sanskardhwani.org, **E-mail**-sanskardhwani@gmail.com

**Sahasra kobir Sahasra kobita**

– a collection of Assamese poems by Sanskardhwani Foundation.
Guwahati, Assam
Regn No. RS/KAM(M)/263/U/152 OF 2019-2020
Website : www.sanskardhwani.org, E-mail-sanskardhwani@gmail.com

©

**প্ৰথম প্ৰকাশ ঃ জানুৱাৰী, ২০২২**

**প্ৰচ্ছদ ঃ** সংস্কাৰধ্বনি ফাউণ্ডেচন

**ই-মুদ্ৰক ঃ** সংস্কাৰধ্বনি ফাউণ্ডেচন

জোনবাইলৈ যোৱা প্ৰথম কবিতা অসমীয়া হওঁক

# সহস্ৰ কবিৰ সহস্ৰ কবিতা

**পৰিকল্পনা আৰু পৰিচালনা**
হিতেশ গোস্বামী

**পৰিচালনা সহযোগী**
গুনীন ফুকন

**বিপণন**
স্পন্দন বৰঠাকুৰ

**পৃষ্ঠপোষক**
চুমি শৰ্মা গোস্বামী

সংস্কাৰধ্বনি ফাউণ্ডেচন
এটি পঞ্জীয়নভুক্ত বেচৰকাৰী সামাজিক অনুষ্ঠান
**E-mail**-sanskardhwani@gmail.com
**Website :** www.sanskardhwani.org

**সম্পাদনা সমিতি**

## মুখ্য সম্পাদক
হিতেশ গোস্বামী

## কাৰ্যবাহী সম্পাদক
উৎপল গোস্বামী
ড° ভাৰ্গৱজ্যোতি চহৰীয়া

## সন্মানীয় সম্পাদক মণ্ডলী
জোন বৰা
এছ আহমেদ
ৰঞ্জনা পাঠক
চবিন চন্দ্ৰ নাথ
ব্ৰজেন কাকতি
পবিত্ৰ কুমাৰ দাস
ঊষামনি শইকীয়া
মৌচুমী ৰাজখোৱা
অলকা মহন্ত বৰুৱা
আৰিফা হুছেইন বৰা

**অলংকৰণ**
বিকাশজ্যোতি বৰুৱা

## সহস্ৰ কবিৰ সহস্ৰ কবিতা গ্ৰন্থখনৰ সম্পাদনা সমিতিলৈ আমন্ত্ৰিত

### সন্মানীয় সহঃ সম্পাদক মণ্ডলী

দৈব্যা নাথ
হিৰণ্য লয়
পৰিহাৰ শৰ্মা
ৰাহিদা খানম
জুৰিমনি মুদৈ
কমলাক্ষী বৰা
ৰূপা বৰা দাস
ৰিপুঞ্জয় বৰুৱা
মনোৰঞ্জন বৰা
উত্তম কুমাৰ দত্ত
গৌতম মালাকাৰ
পুলেনৰাজ ডেকা
কাজললতা মেধি
অশ্বিনী তালুকদাৰ
পল্লৱী গগৈ (ইণি)
মানসী বৰুৱা দেৱী
ডালিমী কুলাধিপতি
কিশোৰকুমাৰ কলিতা
বৰ্ণালী ডেকা বৰঠাকুৰ
প্ৰতিভা ভাগৱতী শৰ্মা

### সন্মানীয় সমন্বয়ক মণ্ডলী

অঞ্জু দেৱী
মিণ্টু দাস
প্ৰণব দাস
লিলি বৈশ্য
দিপলু শৰ্মা
মৰমী মুদৈ
শিখা চৌধুৰী
সুজাতা মেধি
বশিষ্ঠ কলিতা
উপেন ডেকা
দীপা শইকীয়া
হিৰণ্য মজুমদাৰ
জাহাঙ্গীৰ আলম
ৰিংকু দেৱী বৰ্মন
চোনিয়া মুক্তিয়াৰ
মামনি পাটোৱাৰী
হৰমোহন কলিতা
পংখীকাজল কায়স্থ
পলৰিকা চৌধুৰী মহন্ত
সংগীতা শইকীয়া পাঠক

**অলংকৰণ**
**সহযোগী সম্পাদক**
অঞ্জন ডেকা
চিণ্টুমনি শইকীয়া

# সূচীপত্ৰ

**এটা ৰাতিৰ বাবে ভালপাওঁ**
**আহানা** / প্ৰাঞ্জল পি হাজৰিকা ১৫
**অপেক্ষাৰ কঙ্কাল**/ প্ৰণবেন্দ্ৰ শৰ্মা ১৬
**আইৰ সোণাৰুফুলীয়া**
**হাঁহিটি** / জুৰি দেৱী ১৭
**ধ্যান শক্তি** / প্ৰণৱ স্নিগ্ধ জোনাক ১৮
**মই কঠিন শিল** / অলি বৰুৱা ১৯
**ৰূপান্তৰৰ নাৰী** / হিৰণ্ময়ী কাকতি ২০
**মই মীৰা হ'ব খোজো তোমাৰ প্ৰেমত** / শ্যামলীমা খাউণ্ড শৰ্মা ২১
**ফাগুনৰ নিনাদ** / মীনাক্ষী চৌধুৰী ২২
**হৃদয়খনে নিৰলে উচুপে** / ৰুমী ভূঞা ২৩
**কবিতাৰে** / ড° পৰিতোষ চক্ৰৱৰ্তী ২৪
**স্মৃতিৰ জলঙাৰে** / মনোৰমা দাস ২৬
**অৰণ্য** / আৰাধনা বৰুৱা ২৭
**সৃষ্টিৰে কি লিখিম** / উদয়ানন্দ দাস ২৮
**অনুস্মৃতি** / ডাঃ আনোৱাৰ হাছান ২৯
**গৰখীয়া মই** / দ্বিজেন হালৈ ৩০
**ত্যাগ** / গীতাঞ্জলি নাথ ৩১
**অৱশেষ** / মুন শৰ্মা ৩২
**প্ৰতিশ্ৰুতি** / কণিকা কলিতা ৩৩
**পদপথৰ সপোনবোৰ** / স্পন্দন পলাশ ৩৪
**মানৱ ধৰ্ম** / ছেলিমা খাতুন ৩৬
**দুখীয়াৰ হৃদয় পৰ্যন্ত**
**বন্ধকত থাকে** / ইন্দ্ৰ বাহাদুৰ ছেত্ৰী ৩৭
**ৰুদ্ধ নহয় মোৰ যাত্ৰা পথ** / আবু জাফৰ ৩৮
**সময়** / ভগৱান কলিতা ৩৯
**ভালে আছোঁ কুশলে আছোঁ** / ময়দান আলী আহমেদ ৪০
**অনন্যা** / দিপ্তী মনি গোস্বামী ৪১
**পালিতা আই** / বৰ্ণালী ডেকা ৪২
**চকুলো** / সুভাৰাণী কলিতা ৪৩
**মানৱ জনমৰ গৌৰৱ** / কৃষ্ণ কান্ত দাস ৪৪
**বেশ্যা** / আমিনুৰ ৰহমান ৪৫
**সূৰ্যোদয়** / জুৰি ৰাজখোৱা গগৈ ৪৭
**মাজুলীত আত্মাৰ বিননি** / সুজাতা মেধি ৪৮
**সময়ে গঢ়া চক্ৰবেহু** / হিমাদ্ৰী দাস ৪৯
**গতি** / ববী দত্ত ৫০
**মৎস্যকন্যাৰ**
**সাধু** / ছৈয়দা আঞ্জুম আৰা হুছেইন ৫১
**সেউজ বাকৰি** / দীপশিখা বৰা শইকীয়া ৫২
**আমি কবি নহওঁ** / হৰমোহন কলিতা ৫৩
**হাবিয়াস** / ৰঞ্জিতা দাস ৫৪
**উত্তৰহীন চিঠিখন** / গুণধৰ নাথ ৫৫
**ভালপাওঁ** / ডাঃ চন্দনা মেধি দাস ৫৬
**গামোচা** / সংগীতা শইকীয়া পাঠক ৫৮
**এটি নিশা এজনী বেশ্যাৰ স'তে...** / গৌতম মালাকাৰ ৫৯
**শব্দৰ আপোন ঘৰ** / ড° খনিন্দ্ৰ কুমাৰ বৰ্মন ৬০
**জুই** / মণিকা গগৈ শইকীয়া ৬১
**অভিমানৰ জোলোঙাখন** / সংগীতা মাইনা ডেকা ৬২
**আকাশখন দূৰলৈ আঁতৰি গ'ল** / হৰেকৃষ্ণ ভূঞা ৬৩
**সোৱণশিৰিৰ বুকুৰেদি চম্পাৱতীলৈ** / ৰীতামণি ডেকা ভৰালী ৬৪
**তৃষ্ণা** / যোগেশ বিকাশ গগৈ ৬৫
**অস্পৃষ্ট** /ডাঃ ৰিদিপ বড়া ৬৬
**ফটা ঢোলৰ মাত** / ড° ৰঞ্জিত দত্ত ৬৭
**সেই গুপুত গল্প** / ভূমিকা দাস ৬৮
**'মা' এগৰাকী নাৰী** / অমৰজ্যোতি ঘোষ ৭০

**ডাকোৱাল কলং** / শুক্লেশ্বৰ নাথ ৭১
**বিলম্ব কৰিলা প্ৰেয়সী** / ছাহজাহান আলী আহমেদ ৭২
**বেমাৰ** /ৰুণ্মী শইকীয়া ৭৩
**ভাল খবৰচোন একোৱেই নাই**/ গীতা শৰ্মা ৭৪
**মায়াজাল** / বন্দনা তালুকদাৰ ৭৫
**বিশ্বাস** / দেৱীনা পামেগাম পেগু ৭৬
**পিতাইৰ ঘামত**
**সাৰুৱা হৈছিল পথাৰ**/ মানস দত্ত ৭৭
**সুখৰ সংজ্ঞা** / মণিৰূপা মিশ্ৰ ৭৮
**নাৰী** / ডাঃ মৃন্ময় কুমাৰ নাথ ৭৯
**তোমাৰ আৰু মোৰ মাজত** / কেশৰ চাউ ৮২
**মা**/ মৌচুমী দেৱী ৮৩
**ৰঘূমলা** / প্ৰাগজ্যোতিষ শইকীয়া ৮৫
**নিৰুদ্দেশ** / জুনু বুঢ়াগোহাঞিং নাথ ৮৬
**দোলক**/ স্বপ্নালী কলিতা ৮৭
**এজন তাৰকা** /জংকি শৰ্মা ৮৮
**পেণ্ডুলাম জীৱন** / অঞ্জনা গগৈ ৮৯
**পোহৰৰ ওঁঠত ছাঁৰ ওঁঠ** / মামনি ডেকা ৯০
**আৱাহনী** / দীপা শইকীয়া ৯১
**কিমান দূৰত এতিয়া মোৰ গাঁওখন** / প্ৰণৱ খাৰজাৰা ৯২
**পানী হালধীয়া ৰ'দ** /ৰঞ্জন কুমাৰ বৰুৱা ৯৪
**অনৰ্থকত লিখা** / দিগন্ত নিবিড় ৯৫
**ঝাৰুৱালীৰ বাবে বৈ থাকে চহৰ** /
সুশান্ত বৰা ৯৬
**উফৰি পৰা !** / ফাৰহান জাৱেদ ৯৭
**অবনৰী** / দেৱৰাজ মিলি ৯৮
**মৃত্যু** / অলকা মহন্ত বৰুৱা ৯৯
**ভুতৰ কথাৰে** / প্ৰাঞ্জল হাজৰিকা ১০০
**আকৌ উভতি যাম**
**তোমাৰ চহৰলৈ** /মনিন্দ্ৰ কাকতি ১০১
**আমি কিমান সভ্য** / মিনা দেৱী ১০২
**ভোকটো বাঢ়ি আহিছে**
**পুনৰ** / বিশাল অনুৰাগ ১০৩
**মৰুভূমি** / প্ৰভাত দাস ১০৫
**অবুজন মন** /সুমিত্ৰা দাস ১০৬
**জীৱনৰ সৰাপাত**/ জেউতি দাস ১০৭
**কলম... তুমি সঞ্জীৱনী**/ কুইন বৰা ১০৮
**আকৰ্ষণ কাব্যৰ**
**শ্ৰেষ্ঠ সম্পদ** /মামণি ডেকা ১০৯
**জীৱন** / পৰীস্মিতা গগৈ দত্ত ১১০
**ইষ্টাৰ্চ্চন** / জিনা বৰুৱা বৰা ১১১
**বেইমান হৃদয়** / মুন ৰাজবংশী ১১২
**মানৱতাৰ কাঠগড়াত মানৱ**/ আবু জাফৰ ১১৩
**জীৱনৰ সুবাস**/জুৰিমণি ১১৪
**অনুৰাগ ...** / অন্জন ডেকা ১১৬
**কবিতা** / ধ্ৰুৱজ্যোতি দুৱৰা ১১৭
**অনুভৱৰ তুলিকাৰে**
**বোলাওঁ**/ কৈলাশ শৰ্মা ১১৮
**জীৱনৰ বাটত পট**
**আঁকি** / উৎপল গোস্বামী ১১৯
**গণতন্ত্ৰ** / হিতেশ গোস্বামী ১২০
**চে' তুমিও জানা, আজিও**
**সাৰে আছে** /
পাৰ্শ্ব নাৰায়ণ গোস্বামী ১২১
**কোন তেওঁ** / নূৰ মহম্মদ ১২২
**সময়ৰ বালিত**
**খোজ থৈ** / গৌতমানন্দ গোস্বামী ১২৩
**আত্মকথা** / ড° ভাৰ্গৱজ্যোতি চহৰীয়া ১২৪

# সম্পাদকীয় কলম

## জোনবাইলৈ যোৰা প্ৰথম কবিতা অসমীয়া হওঁক

অসমীয়া কাব্য-সাহিত্য অসমীয়া জাতিৰ এক ঐতিহাসিক কাব্যিক দস্তাবেজ। জাতিটোৰ চিন্তা-চেতনা প্ৰকাশৰ অন্যতম "মৰ্য্যদাপূৰ্ণ মাধ্যম"। ইয়াৰ পৰিসৰ, প্ৰসাৰ আৰু গতানুগতিক জীৱনত থকা অপৰিসীম প্ৰাসঙ্গিকতাৰে অসমীয়া সাহিত্য সাগৰসদৃশ গভীৰ, বিশাল আৰু বিস্তৃত।

ভক্তি দৰ্শন, আধ্যাত্মিকতাবাদ, প্ৰকৃতি, সৌন্দৰ্য্য, প্ৰেম-ভালপোৱা, বিৰহ-বিচ্ছেদ, সংস্কাৰ-সংস্কৃতি, দৰ্শন-পৰম্পৰা, ইতিহাস বিৱৰণ, লোককৃষ্টি, শিক্ষা, সমাজনীতি, ৰাজনীতি, জ্ঞান-বিজ্ঞান, দৈনন্দিন বিষয় ইত্যাদিৰ সমাহাৰেৰে অসমীয়া কবিতা এক স্বয়ং সম্পূৰ্ণ "কাব্যিক দৰ্শন"।

হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত', মাধৱ কন্দলীৰ 'সপ্তকাণ্ড ৰামায়ণ', মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ "কীৰ্তন ঘোষা", শ্ৰীশ্ৰীমাধৱদেৱৰ "নামঘোষা" গোপাল মিশ্ৰৰ "ঘোষাৰত্ন' কবিৰত্ন ভট্টদেৱৰ হৃৎ-মন্দিৰ স্পন্দিত কৰা সৃষ্টিৰাজি', পৰৱৰ্ত্তী সময়ৰ হেম বৰুৱা, হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, ৰঘুনাথ চৌধুৰী, জ্যোতিপ্ৰসাদ আগৰৱালা, নৱকান্ত বৰুৱা, ভূপেন হাজৰিকা আদিৰ হৃদয় প্ৰসূত কবিতাৰাজিয়ে অসমীয়া কাব্য সাহিত্য তথা অসমভূমিক বিশ্ববন্দিত কৰি ৰাখিছে। মহাপুৰুষ জনাৰ "কৰতল কমল, কমল দল নয়ন" নিঃসন্দেহ বিশ্বৰ একক আৰু অনন্য সৃষ্টি।

কবিতাই ভাষা, ব্যাকৰণ আৰু শব্দৰ শুদ্ধতা আনে, মৌনতাৰে চন্দৰ নিজৰা বোৱাই জাতিৰ চিন্তা-চেতনাক প্ৰসাৰিত কৰি সৃষ্টিৰ অমৃত সন্ধান কৰাত সহায় কৰে।

অপৰিসীম বিষয়ৰ উপাদান আৰু বহুবোৰ শ্ৰেষ্ঠতম্ কাব্যৰত্নৰ সৃষ্টিৰে অসমীয়া জাতিৰ চিন্তা-চেতনাক বিশ্ববাসীৰ সন্মুখত প্ৰতিফলিত কৰিব পৰাকৈ অসমীয়া কাব্য-সাহিত্যৰ ভঁৰাল বিশ্বমানৰ কবি আৰু কবিতাৰে ভৰপূৰ আৰু চহকী।

এই কাব্যগ্ৰন্থখনৰ জৰিয়তে এহেজাৰজন অসমীয়া কবিৰ এটিকৈ শ্ৰেষ্ঠ কবিতা উত্তৰ পুৰুষৰ বাবে একত্ৰ সংৰক্ষণ কৰাৰ প্ৰয়াসৰ দিঠক ৰূপ হৈছে "সহস্ৰ কবিৰ সহস্ৰ কবিতা"?

*সহস্ৰ কবিৰ সহস্ৰ কবিতা, কবি আৰু কবিতাৰ এক অনন্ত যাত্ৰা.. ।*

সংস্কাৰধ্বনি ফাউণ্ডেচনৰ এই অভিনৱ যাত্ৰাৰ সকলো সহযোগী আৰু শুভাকাংক্ষীৰ ওচৰত আমি কালান্তৰলৈ কৃতজ্ঞ হৈ থাকিম।

*শ্ৰদ্ধা আৰু ভক্তিৰে*

**হিতেশ গোস্বামী**

**মুখ্য সম্পাদক**

# কৃতজ্ঞতা

সংস্কাৰধ্বনি ফাউণ্ডেচনৰ সহস্ৰ কবিৰ সহস্ৰ কবিতা শীৰ্ষক কাব্যগ্ৰন্থখনৰ সম্পাদনাৰ স'তে জড়িত কাৰ্যবাহী সম্পাদক, সম্পাদক, সহঃসম্পাদক, সমন্বয়ক, বিশেষভাবে আমন্ত্ৰিত বিশেষজ্ঞসকল, কবিতা প্ৰেৰণ কৰা সন্মানীয় কবি সকল, সংস্কাৰধ্বনিৰ উপদেষ্টা পৰিষদ, জটিল সময়ত পৰামৰ্শৰে ধন্য কৰা শুভাকাংক্ষী ব্যক্তিসকল, আৰ্থিক পৃষ্ঠপোষকতাৰে আমাক দৃঢ় কৰা ব্যক্তিসকল, সন্মানীয় স্বেচ্ছাসেৱক (Volunteers) সকল, যুৱ প্ৰতিনিধি (Youth Ambassador) সকল, শুভেচ্ছামূলক প্ৰতিনিধি (Goodwill Representative) সকল, আহ্বায়ক আৰু সমন্বয়কসকল, জিলা প্ৰতিনিধিসকল, যোগাযোগ মাধ্যমৰ আহ্বায়ক (Media Coordinator) সকল, অন্যান্য সম্পৰ্কিত, ব্যক্তি, অনুষ্ঠান আৰু প্ৰতিষ্ঠা (Associates) সমূহ, উপ-সভাপতি প্ৰমুখ্যে সাধাৰণ পৰিষদৰ সদস্যবৃন্দ, বেটুপাত শিল্পী শ্ৰীমান সত্যজিৎ নাথ, বিভিন্ন সময়ত সহযোগিতা আগবঢ়োৱা শ্ৰীমান কমল মজুমদাৰ, বিতুল গগৈ, গুণগুণ, কুকি, ৰাজীব বৰ্মন, ডিটিপি সম্পূৰ্ণ কৰা শ্ৰীদ্বীপেন কলিতা আৰু সাংবাদিক বন্ধুসকললৈ আমি সংস্কাৰধ্বনি ফাউণ্ডেচনৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

আপোনালোকৰ সহযোগিতাৰ বাবে 'সহস্ৰ কবিৰ সহস্ৰ কবিতা' পাঠক সমাজৰ হাতত শ্ৰদ্ধাৰে সমৰ্পণ কৰিবলৈ সক্ষম হৈছোঁ।

আপোনালোকলৈ অযুত ধন্যবাদ জ্ঞাপন কৰিলোঁ।

**শ্ৰদ্ধাৰে...**
**সভাপতি আৰু সম্পাদক**
**সংস্কাৰধ্বনি ফাউণ্ডেচন**

# উৎসৰ্গা



*‘সহস্ৰ কবিৰ সহস্ৰ কবিতা’ৰ এই খণ্ডটি*
*প্ৰয়াত ক্ষীতিশ চন্দ্ৰ শৰ্মা, (বিশিষ্ট ব্যৱসায়ী,*
*বেবেজীয়া, নগাঁও)ৰ সোঁৱৰণত*
*সংস্কাৰধ্বনি ফাউণ্ডেচনৰ*
*উপ-সভাপতি শ্ৰীযুতা চুমি শৰ্মা গোস্বামীৰ*
*আৰ্থিক পৃষ্ঠপোষকতাত উৎসৰ্গা কৰা হ’ল।*

**সংস্কাৰধ্বনি ফাউণ্ডেচন**

# পাতনি



## সংস্কাৰধ্বনি ফাউণ্ডেচনৰ অভিনৱ প্ৰয়াস 'সহস্ৰ কবিৰ সহস্ৰ কবিতা'

সংস্কাৰধ্বনি ফাউণ্ডেচনৰ এই প্ৰয়াসৰ জৰিয়তে অকল অসমতে নহয়, সমগ্ৰ বিশ্বৰ চুকে-কোণে থকা অসমীয়া কবিসকলৰ একোটাকৈ কবিতা প্ৰকাশৰ চেষ্টা কৰিছে।

বিশ্বৰ সাহিত্য জগতৰ আদি পাঠেই হৈছে 'কবিতা'। ভাৰতীয় সাহিত্যৰ ঋকবেদখনক বিশ্বৰ প্ৰথম গ্ৰন্থ বুলি কোৱা হয়। ঋকবেদ ছন্দবদ্ধ কবিতাৰ মাধ্যমত পূৰ্বৰ ঋকবেদৰ ব্যাখ্যা আৰু বিশ্লেষণৰ আজিও অন্ত পৰা নাই। ঋকবেদত যদিও বিভিন্ন দেৱ-দেৱী আৰোপ কৰি বিভিন্ন জীৱ আৰু জড় তাৰোপৰি দৃশ্য আৰু অদৃশ্য শক্তিক গভীৰ প্ৰজ্ঞাৰ মাজেৰে উপলব্ধি কৰাৰ চেষ্টা কৰা হৈছে; অনেক পণ্ডিতে সেই ঋকবেদখনতে বিজ্ঞানৰ অনেক স্পৰ্শকাতৰ আৰু উচ্চ পৰ্যায়ৰ তত্ব বিচাৰি পাইছে। আমাৰ অসমৰে এগৰাকী বিদগ্ধ পণ্ডিত অথচ পেচাগতভাৱে অবিভাজ্য অসমৰ মুখ্য অভিযন্তা আছিল;— সেইজন ৰাজমোহন নাথে ঋকবেদখন বৈজ্ঞানিক তত্বৰ ভাণ্ডাৰ হিচাপে ইংৰাজীলৈ অনুবাদ কৰিছিল। সেই অভিযন্তা পণ্ডিতগৰাকীয়ে এতিয়াৰে পৰা প্ৰায় পাঁচ হাজাৰ বছৰ আগতে সৃষ্টি কৰা কাব্য সাহিত্য ঋকবেদত বৈজ্ঞানিক সুত্ৰৰ ভাণ্ডাৰ বিচাৰি পাইছিল। মূলতঃ প্ৰাচীন কালত গণিত, বিজ্ঞান, ফলিতজ্যোতিষ ইত্যাদিও কবিতাৰ মাধ্যমত লিখি সঞ্চিত কৰি যোৱা আছিল।

যৰ্জুবেদ, সামবেদ, অৰ্থৱবেদ, পুৰাণ বা ইতিহাস সমূহ, মহাকাব্য ৰামায়ণ, মহাভাৰত, পশ্চিমীয়া সাহিত্যৰ ইলিয়াত, ওদিচি ইত্যাদি সকলোবোৰ বিভিন্ন ছন্দ, লয় আৰু মাত্ৰাৰ সমন্বয়ত মানৱ সমাজৰ চিন্তা-চৰ্চাবোৰ সংৰক্ষণ কৰি ৰখাৰ চেষ্টা কৰিছিল।

অসমীয়া ভাষাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ অংকীয়া নাটসমূহত গদ্যৰ প্ৰভাৱ পৰিলেও সুত্ৰধাৰ আৰু অনেক চৰিত্ৰৰ সংলাপত কবিতাই ঠাই পাইছিল। অসমত আনকি ১৯ শতিকাৰ আদি ভাগতো পদ্য বুৰঞ্জী ৰচনা কৰা হৈছিল। মহাগুৰু শ্ৰীশ্ৰীদামোদৰ দেৱৰ পৰামৰ্শ মতে ভট্টদেৱে কথাগীতা আৰু কথা-ভাগৱত ৰচনা কৰিছিল। ভাৰতীয় আঞ্চলিক ভাষাবোৰৰ ভিতৰত অসমীয়াতেই পোনতে গদ্য সাহিত্য ৰচনা হৈছিল অৰ্থাৎ যোল্ল শতিকালৈকে সমগ্ৰ ভাৰতভূমিত সংস্কৃততে নহয় আঞ্চলিক ভাষাৰ সাহিত্যসমূহ কবিতাত ৰচিত হৈছিল।

কবিতাৰ বিষয়বস্তু যুগে যুগে সলনি হৈ আহিছে। মানুহৰ ব্যক্তিগত আৰু সামাজিক দৃষ্টিভংগীৰো সলনি ঘটিছে। ১৭ শতিকাৰে পৰা ভাৰতবৰ্ষত পশ্চিমীয়া তথা ইউৰোপীয় সাহিত্যৰ প্ৰভাৱ পৰিবলৈ আৰম্ভ কৰে। সেয়ে ইউৰোপীয় ভাষা-সাহিত্য আৰু সংস্কাৰ বুটলি লওঁতে অসমীয়া সমাজ ঐতিহাসিকভাৱেই পিছপৰি আছিল।

১৯ শতিকাৰ শেষৰ দুটা দশকৰে পৰা অসমীয়া সাহিত্যত ইউৰোপীয় তথা বিশেষকৈ ইংৰাজী সাহিত্যত প্ৰভাৱ পৰে। কলিকতালৈ পঢ়িব যোৱা অসমীয়া ডেকা-ল'ৰাসকলে ভাষা-সাহিত্যৰ উন্নতি সাধন কৰিবলৈ ধাৰাবাহিকভাৱে চেষ্টা চলায়।

উল্লেখনীয় যে ১৮৪৫ চনতেই অসমলৈ ধৰ্মপ্ৰচাৰ কৰিবলৈ অহা খ্ৰীষ্টায়ান মিছনেৰীসকলে অৰুনোদয় নামাকৰণেৰে এখন আলোচনী অসমীয়া ভাষাত প্ৰকাশ কৰে। সেই সময়ৰ শিৱসাগৰত কথিত ভাষাটোকেই অসমীয়া লিখিত ভাষা হিচাপে অৰুনোদয়ত গ্ৰহণ কৰিছিল। প্ৰভূ যীশুৰ গুণ-গান গাই তেওঁলোকে সেই আলোচনীখনত কবিতা প্ৰকাশ কৰিছিল। যি কি নহওঁক কলিকতালৈ পঢ়িব যোৱা অসমীয়া যুৱকৰ স্বাভিমানৰ ফলশ্ৰুতিত অসমীয়া ভাষা সাহিত্যই নতুন প্ৰাণ পালে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ নিজৰ কবিতা সম্পৰ্কেই কৈছিল যে;— কবিতা হৈছেনে নাই তেওঁ নাজানে।' নহ'লেও আপত্তি নাই। অসমীয়া ভাষাত কবিতা, গল্প সাহিত্য ইত্যাদি লাগে। সেইবাবে তেওঁ লিখি গৈছে। ঠিক তেনেকৈয়ে তেওঁ অসমৰ বাহিৰত থাকিও অসমীয়া ভাষা সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াই গৈছে। বিশেষকৈ বেজবৰুৱা দেৱৰ হাস্যৰস সম্বলিত লেখাসমূহ আজিও অসমীয়া সাহিত্যৰ ভড়ালত অনন্য বুলিয়েই স্বীকৃত হৈ আছে।

সেই সময়ত পদ্মনাথ গোহাঞি বৰুৱা, চন্দ্ৰপ্ৰসাদ আগৰৱালা, আনন্দৰাম ঢেকিয়াল ফুকন, কালিৰাম মেধি, হৰিনাৰায়ণ দত্তবৰুৱা, অতুল চন্দ্ৰ হাজৰিকা, যতীন্দ্ৰ নাথ দুৱৰা ইত্যাদি ব্যক্তিয়ে অসমীয়া সাহিত্য জগতত এটা নৱজাগৰণৰ সৃষ্টি কৰিব পাৰিছিল।

আধুনিক যুগত কবি হিচাপে পদ্মশ্ৰী নলিনীবালা দেৱী, ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰনাথ দুৱৰা, অম্বিকাগিৰি ৰায়চৌধুৰী, কমলাকান্ত ভট্টাচাৰ্য, জ্যোতিপ্ৰসাদ আগৰৱালা, নীলমণি ফুকন, গণেশ গগৈ ইত্যাদিয়ে অসমীয়া সাহিত্যৰ কবিতাৰ ভড়াল চহকী কৰিছে।

দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' অসমীয়া কবিতা সাহিত্যত এটা বিশেষ স্থান অধিকাৰ কৰি আছে। আজিও সেই পুথিখনৰ আদৰ কমি যোৱা নাই। সাংসদ-সাহিত্যিক হেম বৰুৱাই অসমীয়া কবিতা জগতত এটা নতুন ধাৰাৰ সৃষ্টি কৰা বুলি কোৱা হয়। তেওঁৰ কবিতাত যদিও সমাজবাদী আদৰ্শৰ ইংগিত পোৱা যায় ভাষা, শব্দ, চয়ন, বিষয়বস্তু মুক্ত চন্দৰ মাজতে আৱেগ ভৰা লয় ইত্যাদিয়ে তেওঁৰ সৃষ্টিক নতুনত্ব দিছে। হেম বৰুৱাৰ 'মমতাৰ চিঠি' যদিও পশ্চিমীয়া সাহিত্যৰ আৰ্হিত লেখা হৈছে;— তেওঁৰ ভাষা বাক্যাংশবোৰৰ লালিত্য আৰু বিষয়বস্তুৰ বৰ্ণনাই অনন্য ৰূপ পাইছে। হেম বৰুৱাৰ 'মমতাৰ চিঠি' অসমীয়া কবিতা সাহিত্যৰ ভড়ালত নিশ্চয় চিৰযুগমীয়া হৈ ৰ'ব।

মই কামনা কৰোঁ আজিৰ এই বিশ্বায়তনিক নতুন যুগৰ নৱপ্ৰজন্মই সহস্ৰ কবিৰ সহস্ৰ কবিতাৰ জৰিয়তে অসমীয়া ভাষা সাহিত্যক বিশ্বৰ দৰবাৰলৈ আগুৱাই লৈ যাওঁক।

❖ ***জয়তু ভাষা জননী*** ❖

**ড° নগেন্দ্ৰ নাথ শৰ্মা**

**মুখ্য উপদেষ্টা, সংস্কাৰধ্বনি ফাউণ্ডেচন**

**প্ৰথম ভাগ**

**সম্পাদনা**

আৰিফা হুছেইন বৰা



# এটা ৰাতিৰ বাবে ভালপাওঁ আহানা

**প্ৰাঞ্জল পি হাজৰিকা**
গাজিয়াবাদ

এটা ৰাতিৰ বাবে ভাল পাওঁ আহানা!
কথাবোৰ তেনেই সহজ হৈ পৰিছে
আমিও কথাবোৰৰ দৰে সহজ হৈ পৰোঁ আহা
কিমাননো আৰু উজাগৰী ৰাতি কটাম
কিমাননো লিখিম নীলা খামৰ চিঠি
(Just waste of Time)
এটা ৰাতিৰ বাবে মোৰ হৈ যোৱা
ৰঙীন কৰি পেলাম তোমাক।

প্ৰেমৰ কবিতা লিখা বহুত হ'ল তোমাৰ বাবে
শব্দৰ বৰষুণত ক'তবাৰ তিতিলোঁ
অনুভৱৰ স্পৰ্শৰে কিমানবাৰ লাভ কৰিলো
দৈহিক পূৰ্ণতা; কিমানবাৰ শান্ত কৰিছো
কামনাৰ পোকবোৰক!
আজিৰ নিশা নষ্ট হৈ পৰিম কামনাৰ পোকবোৰ
বুকুত সাৱটি তোমাৰ স'তে।

কিয় ভয় কৰিছা নেকি?
ভয় কৰিছা নেকি মই বিভৎস হৈ যাম বুলি?
এবাৰ উপভোগ কৰি চাওঁ আহা
নষ্ট ৰাতিৰ উত্তাল নৃত্যবোৰ!
এজাক কামনাৰ বৰষুণত তিতিম
তুমি, মই আৰু আমাৰ ভালপোৱাবোৰ।

বৰষুণজাক তীব্ৰৰ পৰা তীব্ৰতৰ হ'ব
বৰষুণজাকে তিয়াই পেলাব তোমাক
তোমাৰ শৰীৰৰ উঠা-নমাবোৰৰ আবেদনত
মোৰ বুকুতো জ্বলাম এজাক কামনাৰ অগ্নি
মিলনৰ নানা ভঙ্গীমাৰে নুমোৱাম জুইকুৰা।

জুইকুৰা নুমালেই দুয়ো সাগৰৰ দৰে হৈ
পৰিম
এখন ব্যতিক্ৰমী ছবি আঁকিম তুমি আৰু মই
এটা নষ্ট ৰাতিৰ আৰু ভালপোৱাবোৰৰ!
পূৱে ফেঁহুজালি দিয়াৰ আগজাননী আহিলেই
দুয়ো ঘৰা ঘৰি হ'ম নষ্ট ৰাতিৰ হুমুনিয়াহবোৰ
লৈ।

এবাৰ নিজকে সুধিম,
ভালপোৱাবোৰ এতিয়াও জীৱিত নে?

# অপেক্ষাৰ কঙ্কাল

**প্ৰণবেন্দ্ৰ শৰ্মা**
চান হ'জে, কালিফোৰ্ণিয়া

আশাৰ চাবিকাঠীৰে খুলিব বিচাৰি,
হৰণলুকী শান্তিৰ নীড়ৰ দুৱাৰ, দেখিছো
হতাশাৰ বৈতৰণীত সাঁতোৰে অপেক্ষাৰ কঙ্কাল;

হেজাৰ বছৰৰ বটবৃক্ষ তৃষ্ণাতুৰ এটুপি পানীৰ,
ঢালি বিদেশী বিলাসী সঞ্জীৱনী সুধা গুৰিত বৃক্ষৰ,
অলীক কল্পনা কিয় গগনচুম্বী হৰিতৰ ছত্ৰছায়াৰ ?
আসন্ন মৃত্যুভয়ত সহায়ৰ আহ্বান ধৰ্ষিতা মাতৃৰ,
অবুজ শব্দ মাথো ক্লীৱ সন্তানৰ কৰ্ণকুহৰত,
স্বঞ্জইচ্ছাৰে বঞ্চিত সিহঁত মাতৃ বক্ষৰ অমৃতধাৰাৰ;

ইতিহাসৰ মৰহা পাতত বৈধতাৰ নিৰন্তৰ অন্বেষণ,
মীৰজাফৰ,বদনৰ কলুষিত হাড়ৰ দেখো পয়োভৰ,
ধৰ্মৰ বাণীৰে কৰি স্নান সকলো ধোৱা তুলসী পাত;
নিৰাপত্তাৰ দোহাই দি স্বাধীনতাৰ কৰি বিনিময়,
স্বাধীনতা বিলোপৰ দেখি উপক্ৰম কৰো হায় হায়,
দোষ কাৰ, ছলাহী কথাৰে যেতিয়া হয় ৰাজ্য জয়;

নিজ বাহুবলত হেৰুৱাই বিশ্বাস, অপাৰগ তুলিবলৈ হেংদান হাতত,
অক্ষমতাৰ অশ্ৰুজল লুকুৱাই শৌৰ্য্য বীৰ্য্যৰ বৃথা শ্লোগানত,
ৰাজহাড় ভাঙি যোৱা মৃত সমদলৰ, অপেক্ষা চিৰন্তন কোনো বীৰ লাচিতৰ;
ধিক এই জীৱন।

# আইৰ সোণাৰুফুলীয়া হাঁহিটি

**জুৰি দেৱী**
গুৱাহাটী

মোৰ আইৰ সোণাৰুফুলীয়া ,
হাঁহিটি আজি হেৰাল !
আইৰ চোতালত এতিয়া,
পূৰ্ণিমাৰ জোনটিয়ে নিবিলায় জোনাক;
অমাবস্যাৰ ঘন ঘোৰ তমসাই মাথোঁ,
বিষাদ ঢালে আইৰ হিয়াত।

বহুদিন হ'ল আইৰ দুচকুত টোপনি দেখা নাই
দুগালেৰে মাথোঁ বৈ থকা দেখো,
গঙ্গা, যমুনাৰ দুধাৰি অশ্ৰুধাৰা।

অবাধ্য হ'ল আজি আইৰ সন্তান,
নিজৰ মঙহৰ মাজতেই;
এতিয়া নিতে খোৱা-কামোৰা।

শিক্ষা দিছিল আয়ে-
আলফুলে বুকুৰ মাজত লৈ মানুহ হ'বলৈ,
কিন্তু সিহঁত অমানুহ হ'ল;
পাহৰিলে আয়ে দিয়া নীতিশিক্ষা।

ফটা বাঁহ জোৰা নালাগে বুলি কৈ
বহুতেই আইক এতিয়া তিৰ্যক কৰে,
সেই দুখত আইৰ বুকুখন ফাটি যাব খোজে।

কোনোৱে কয় আইৰ সোণাৰুফুলীয়া হাঁহিটি হেনো,
চিলনীজনীয়ে থপিয়াই নি;
বৰগছজোপাত খুঁটি খুঁটি খায় !
সেয়ে আইৰ বুকুখন এতিয়া,
বৰকৈ বিষায়- !

# ধ্যান শক্তি

**প্ৰণৱ স্নিগ্ধ জোনাক**
গুৱাহাটী

কেতিয়াবা যদি
চাৰিওফালে এন্ধাৰে
আৱৰি ধৰে দুখ নকৰিবা
বৰঞ্চ মনৰ জগতত ভুমুকি মাৰিবা
মনৰ জগতত
নিজৰ বিচৰণ ৰাখিলে
পোহৰ বিচাৰি উলিয়াই লব পাৰি
মাথোঁ মনটো উজ্জ্বল লাগে
সকলোৰে এন্ধাৰ গছকিয়ে পোহৰৰ পৃথিৱীলৈ অহা
মন মগজুৰ
বন্ধুত্ব একপ্ৰকাৰ শক্তি
যি সম্পূৰ্ণ জীৱন সলনি কৰিব পাৰে
নিজক নিয়ন্ত্ৰণ
কৰিব পৰা যায় যদিহে
নিজৰ ভিতৰত নিজকেই পঢ়িব পাৰে ।

# মই কঠিন শিল

**অলি বৰুৱা**
আজাৰা

মই কঠিন শিল
আবেগে সহজে গলাব নোৱাৰে
মোক কেতিয়াও--
বিশ্বাস আৰু সাহস মোৰ অস্ত্ৰ।

প্ৰয়োজন হলে আকাশখন
মেঘাচ্ছন্ন কৰি তুলিব পাৰো মই ....

ধূলিত মিহলি হোৱা দুৰ্বল আত্মাবোৰক ,
মই সদায়ে পুতৌ কৰো।

মই জানো, আজিকালি
সুখবোৰেই নিৰাপত্তাহীন
তেন্তে কিয় ...
কিয় আমি সুখৰ পিছত দৌৰিছো।

আন্তৰিকতাহীন সম্পৰ্কবোৰক লৈ
কিমান খেলিবা !
মৰুৰ প্ৰখৰ ৰ'দ খাই
কিমান দিন জীয়াই থাকিবা।

যিয়ে তোমাক নুবুজে
তাক লৈ চিন্তিত হ'বলৈ বাদ দিয়া।
আকালক প্ৰশ্ৰয় দি নিজক
ধ্বংস নকৰো কোনোদিনেই।

মোৰ নিৰ্বোধ নিয়ত দুখ চৌদিশে আৱৰা ...
তথাপি হাৰ নেমানো মই।

আক্ৰোশত হিয়া জ্বলে,
তপত অশ্ৰুৰ স্পৰ্শত হৃদয় ভাঙে।

মই মোক নিজকে প্ৰস্তুত কৰিছো।
হাজাৰ ধুমুহাত কঁপিলেও পঁজাটি ভাঙিবলৈ
নিদিও।

মই খোজ দিও আগলৈ,
দুৰ্যোগৰ বুকু গছকি অব্যাহত ৰাখো মোৰ
খোজবোৰ।

মৰমবোৰ বিহ হ'বলৈ ধৰিলেই বুজিবা,
তুমি বিপৰ্যয়ত খোজ দিছা।

নদীৰ সুঁতি সলালেই বুজিবা
গাওঁ আৰু চহৰ ধ্বংসৰ গৰাহত--

দুখবোৰক প্ৰশ্ৰয় নিদিও
কিয়নো মই জানো,
বাট খেপিয়াই ফুৰা দুখবোৰৰ সিপাৰেই আছে ...
এটি ৰৌদ্ৰোজ্জ্বল পুৱা ...।।

# ৰূপান্তৰৰ নাৰী

**হিৰণ্ময়ী কাকতি**
গুৱাহাটী-২১

মাটি সাৰটি শুই পৰিব খোজে
সেউজীয়াপ্ৰেমী মানুহজনী।
সকলোৰে অলক্ষিতে জন্ম দিয়ে
আন এজনী মানুহ...
তাইৰ পৰিপূৰক সাজি।
শিকায় তাইক--
নহ'বি তই মোৰ দৰে,
নেমেলিবি তৰালৈ হাত,
নুখুলিবি তোৰ হাতৰ মুঠি,
নেচাবি সেউজীয়াৰ জাক!

নতুন মানুহজনী খিলখিলাই উঠে-
নহয়তো তাই কেতিয়াও তাইৰ দৰে!
মেঘ বৰণ চুলিৰে তাই
বতাহ বান্ধি ৰাখিব জানে!
দুচকুৰ জুইৰে তাই সেউজীয়া পুৰিব পাৰে!
তৰালৈ হাত মেলিব কিয়নো লাগিছে ?
জাক জাক নিয়ন লাইটৰ অহংকাৰত
তাই দেখোন আকাশখনকে
নিষ্প্ৰভ কৰিব জানে!
তাইতো উশাহবিহীন হৈও জীৱন্ত হৈ থাকে!

মাটি সাৰটি শুই পৰিব খোজা
মানুহজনী আশ্বস্ত হয়।
সেউজীয়া উশাহৰ ভৰত
জীৱ নোৱাৰা হোৱা মানুহজনী..
শুই পৰে লাহেকৈ..
ৰ'দ বৰষুণ বুকুতে সামৰি।
এচপৰা মাটি সাৰটি।।

বেলিটোতকৈ বেছি
নিয়ন লাইটক আদৰ কৰা মানুহজনী
দিনে দিনে উজলি উঠে।
চকুৰ পচাৰতে তাই
পৃথিৱীখনক পোহৰাই তোলে ।
মাটি সাৰটি শুই পৰা মানুহজনীৰ
শেঁতা চকু দুটি ..
কঁপি কঁপি কাঠ হৈ শুই পৰা
মানুহজনীৰ শুকান ওঁঠ দুটি..
মানুহবোৰে চিৰদিনলৈ পাহৰে।

এইবাৰ আশ্বস্ত হয়..
ৰূপান্তৰৰ পদ সামৰি
উশাহবিহীন হৈও জীৱন্ত হৈ ৰোৱা
নতুন মানুহজনী !

# মই মীৰা হ'ব খোজো তোমাৰ প্ৰেমত

**শ্যামলীমা খাউণ্ড শৰ্মা**
মৰাণহাট, বিষ্ণুপুৰ, চৰাইদেউ

মই মীৰা হ'ব খোজো তোমাৰ প্ৰেমত।
হৃদয় মন্দিৰত তোমাৰ মূৰ্তি থৈ
কৰিব খোজো তোমাৰ পূজা।

নাই শুনা মোহনৰ বাঁহীৰ সুৰ,
নাই বহা কদমৰ তলত,
নাই নচা ৰাস মোহনৰ লগত।

নাই কোনো সাক্ষাৎ ,
নে আছে কোনো পৰিচয়।
তথাপি লিখা আছে মীৰাৰ
হৃদয়ত অকল শ্যামৰ নাম।

ৰাজপটেশ্বৰী হৈও কলংকিনীৰ নাম...
তথাপি সন্তুষ্টি লৈ তোমাৰ নাম।

তুমি ক'ত আছা শ্যাম
তোমাক বিচাৰি
অনাই-বনাই ফুৰিছো মই।
তথাপি নহও হতাশ।

নাই তোমাৰ নামৰ লগত মোৰ নাম
তথাপি তোমাৰ নামতেই আছে মোৰ প্ৰাণ।
মই মীৰা হ'ব খোজো তোমাৰ প্ৰেমত।

# ফাগুনৰ নিনাদ

মীনাক্ষী চৌধুৰী

অৰণ্য, আকাশ, বতাহত
ফাগুন-ফাগুন নিনাদ।
সৰাপাতে বসন্তক ৰিঙিয়ায়...
উতনুৱা পচোৱা, ৰিঙা -ৰিঙা মন।
গোপনে ধূলিয়ৰি বাটৰ আঁৰে-আঁৰে
বসন্তৰ আগমন।

প্ৰত্যাশাৰ সীমনাত বহি
পল অনুপল লেখি-লেখি
সেয়ে, চাই আছো আকাশলৈ...
মেঘে-মেঘে কেনেকৈ যে খেলি থাকে ইমান
খেলা!
কেনেকৈ আঁকে আকাশৰ বুকুত ইমান
আল্পনা!!
নীলাবোৰ যে ইমান আলসুৱা!
ডাৱৰবোৰ শুভ্ৰ কমোৱা তুলা।
উৰি থাকে জানা...
তোমাৰ পৰা মোলৈ, মোৰ পৰা
তোমালৈ।
আকাশে যে আমাক বুকুত সামৰি লৈ
অপলক দৃষ্টিৰে চাই থাকে আমালৈয়ে।

মেঘে ও যে কেনেকৈ
বাৰিষা বুৰাই, খৰালি শুকুৱাই ৰাখে
হৃদয়ৰ মাজুলী,
কলিজাৰ ডিঙৰা।
উটি যায় শুকুলা পালতৰা।
মনত পৰিলে তোমালৈ
সেয়ে আকাশক সোধো তোমাৰ ঠিকনা।

# হৃদয়খনে নিৰলে উচুপে

**ৰুমী ভূএগ**
হাতীগড় চাৰিআলি, গুৱাহাটী

হৃদয়খন এটুকুৰা শিল হ'ল।
চকু মুখ বান্ধি নিৰলে উচুপোঁ
কিমান বছৰ ধৰি কাটি থলে মোক ...
এডোখৰ জীয়া শিলত,
অন্তৰত কিমান যে যন্ত্ৰণা
দেহাতীত বিষাদ!
ঘৰখনৰ ময়েই মৰনোন্মুখ গোলাম।
পৰিয়ালটিৰ বিদ্ৰোহী গোলাম জনীও ময়েই,
দুখৰ সুখৰ বোজা লৈ লৈ
টাকুৰি ঘূৰাদি ঘূৰিছো সদায়।
দুখীয়া হৈয়ো প্ৰাণঢালি বিলাইছোঁ মৰম
ক'তো দয়া নায়!
হাড় কঁপোৱা জোনাকত উচুপি কান্দোঁ
মই যেতিয়া মই হৈ নাথাকোঁ,
হিমবোৰ যেতিয়া হিম হৈ নাথাকে,
তেতিয়া মই ফাঁচি বজাৰৰ গলিত
দুফালে ভিৰাই নিয়া
সুতা-মাঁকোৰ টোপোলা লৈ,
পৰিয়ালৰ চিন্তাত
বজাৰে বজাৰে
সঙ্গ-নিঃসঙ্গ শান্ত ব্যাকুল
অনাহাৰত মৰে মোৰ সন্তান,
এন্ধাৰ আৰু হাৰ কঁপোৱা জোনাক
উচুপি উঠো তোমালোকৰ কথা ভাবো।
জীৱন মৰণৰ সিপাৰতো
শুকান এটুকুৰা শিল!
অ'টৰিক্সা বিছাৰি ঠেৰেঙা লগা
কুমলীয়া দুখন হাত,
হাত দুখন এতিয়া শিল হ'ল।
ময়েই সেই বিদ্ৰোহী
পৰিয়ালৰ গোলামীজনী।
নিতৌ বুকুত কটা যায় ক্ৰুছ চিহ্ন।
আছো ৰৈ আন্ধাৰতো...
পোহৰ বিলাবলৈ।।

# কবিতাৰে

**ড° পৰিতোষ চক্ৰৱৰ্তী**
মিৰ্জা

ভাৰতীয় মহাকাব্য ৰামায়ণ জনপ্ৰিয়
যুগে যুগে ...
ৰামায়ণৰ বহুত চৰিত্ৰ
আলোচনাৰ বিষয় হৈ আছে।

বিভীষণ লঙ্কাধিপতি ৰাৱণভাতৃ
বিশ্বাসঘাটক।

দেশৰ বাবে বিশ্বাসঘাটক
দেশৰ জনগণৰ বাবে বিশ্বাসঘাটক
আনকি সহোদৰ ভাতৃক বিশ্বাসঘাটকতাৰে
মৃত্যুদণ্ড,
সৰু কথা নহয়।

বিশ্বাসঘাটকতা কৰাৰ মূল্য
তেওঁ ভৰিব লাগিব
নিশ্চয়।

সেয়ে লঙ্কাধিপতি ৰাৱণৰ চিতাজুইক উদ্দেশ্যি
ৰামচন্দ্ৰই কৈছিল-

এই জুই কেতিয়াও নুনুমায়,
কোনো কাৰণতেই নুনুমায়
চিৰদিন-চিৰকাল জ্বলি থাকিব
এই জুই।

সেয়ে আমিও কওঁ,
ৰাৱণৰ চিতাৰ জুই নুনুমায়।

বিভীষণৰ বিশ্বাসঘাটকতাৰ
মূল কাৰণ
ভাইবোৱাৰী মন্দোদৰী।

মন্দোদৰীক পত্নী ৰূপে লৈ
লগে লগে লঙ্কাধিপতি হোৱাৰ
যি প্ৰৱল বাসনা-

লঙ্কাৰ সিংহাসন
লঙ্কাৰ সিংহাসন
মোক লাগে
উন্মাদৰ দৰে
চিৎকাৰ-আস্ফালন...

জনাজনে এইবোৰ ভালদৰে জানে।

নাৰীপ্ৰীতি-সিংহাসন প্ৰীতি
সেয়ে, শেষ নোহোৱা ৰক্তপাত।

মন্দোদৰীয়ে জানো
বিভীষণক ভাল পায়!
যুগে যুগে প্ৰশ্ন ....
হেজাৰ-লক্ষ্যাধিক জনৰ।

আমাৰ প্ৰশ্ন,
এনেবোৰ ইচ্ছা মানুহৰ মনত নজন্মাহেঁতেন।

# দ্বিতীয় ভাগ

**সম্পাদনা**

ৰঞ্জনা পাঠক



# স্মৃতিৰ জলঙাৰে

**মনোৰমা দাস**
ছাউথ কেৰোলিনা, আমেৰিকা

স্মৃতি অবিহনে জী থকা অবাস্তৱ
স্মৃতিবিহীন সুখ দুখৰ ব্যাখ্যাও অসম্ভৱ
ই এক যাদু ,
ই নাথাকিলে ভালপোৱা বেয়াপোৱা সকলো অৰ্থহীন
সপোনৰ বাখ্যাও অপ্ৰয়োজন
স্মৃতিৰ বুকুতে সোমাই থাকে
অকলশৰীয়া হৃদয়ৰ দস্তাবেজ
সময়ে সময়ে জগাই তোলে
কিন্‌কিনীয়া কান্দোনৰ বৰষুণ
ই তেজৰ ভিতৰতে মিলি যায়
তেজৰ বোঁৱতী নৈ হৈ
স্মৃতি থাকিলেই আত্মীয়তা বাঢ়ে
ইয়ে বাহিৰ কৰে জীৱনৰ বেদনা
সুখ দুখৰ টোপোলা
স্মৃতিয়ে সলনি কৰে অহা যোৱাৰ বাট
জনমৰ পৰা মৃত্যুলৈ অকলশৰে
এইদৰে স্মৃতি সময়ৰ ভাঁজত বাগৰে
সলনি হয় মানুহৰ জীৱনৰ দিনলিপি।

# অৰণ্য

**আৰাধনা বৰুৱা**
যোৰহাট

অৰণ্য...
অসীম আকাশৰ নীলিমাত
সেউজীয়াৰ উৎসৱ
আলি কেঁকুৰিৰ দোমোজাতো
প্ৰত্যয়দীপ্ত সেউজৰ ধল!

অৰণ্য...
সেউজীয়াৰ ভিন্নৰূপী সংপৃক্ততাৰ
গৌৰৱেৰে ঐশ্বৰ্য্যশালী
আদিমতাৰ দৰে নিভাঁজ সুন্দৰ!

অৰণ্য...
পুৱাৰ প্ৰাৰ্থনাৰ দৰে পৱিত্ৰ
প্ৰিয় কবিতাৰ পংক্তিৰ দৰে
পখীৰ কাকলিৰে মুখৰিত!

অৰণ্য...
ৰৌদ্ৰোজ্জ্বল পুৱাৰ দৰেই প্ৰেমময়ী
সৰিয়হ ফুলৰ হালধীয়াৰ দৰে নিষ্কলুষ
অমল প্ৰেমৰ উৎস!

অৰণ্য...
শঙ্খধ্বনিৰ দৰে মঙ্গলময়
সহস্ৰ জীৱৰ বিচৰণৰ আশ্ৰয়স্থল!

প্ৰত্যেকৰে হৃদয়জুৰি
ব্যাপ্ত হওক অৰণ্যৰ বিশালতা!
সেউজীয়া প্ৰতিশ্ৰুতি!!

# সৃষ্টিৰে কি লিখিম

**উদয়ানন্দ দাস**
সৰভোগ

সৃষ্টিৰে কি লিখিম
যেন অৰাজকতা
শাসন আজি চৈৰাচাৰী
কেৱল প্ৰলোভনৰ ৰাজনীতি

সমাজতন্ত্ৰ দেখোন পৰিণত ৰাজতন্ত্ৰ
মাত্ৰ একছত্ৰী সম্ৰাট হোৱাৰ
কি যে চক্ৰান্ত
মাথোঁ আভুৱা ভৰিছে
সাধাৰণ জনতাক কৰিছে বোবা
মাতিলেই লাগিব জগৰ

গাম কিহৰ জয়গান আজি
ভাৰত মাতাৰ নে
সেই লোক সকলৰ
প্ৰশ্নবোৰৰ যেন বিচাৰি
নাই পোৱাও উত্তৰ
মই যে ভাল পাও স্বতন্ত্ৰতা।

# অনুস্মৃতি

**ডাঃ আনোয়াৰ হাছান**
মানকাচাৰ

অগণিত মানুহ !
অগণন ৰুচিৰ সমাহাৰ
ভিন্নতা বিৰাজমান প্ৰকৃতি ভেদে
আশা-আকাংক্ষাত
পচন্দ-অপচন্দত
ইচ্ছা-অনিচ্ছাত
নীতি-দৰ্শনত
দৃষ্টিভংগীত
আদৰ্শত

জধামূৰ্খৰ কথাই বেলেগ
তাতে শিক্ষিত জ্ঞানী
আৰু শিক্ষিত মূৰ্খ
দুয়োৰে মাজত
আছে এক বিশেষ তফাত

জ্ঞানীজনা হয় ধীৰ, গুণবান
মৰমীয়াল, শ্ৰদ্ধাশীল
বিশ্বাসভাজন
অকপট।
অন্বেষণ কৰে জ্ঞানৰ
অনুসৰণ কৰে জ্ঞানীৰ
অনুকৰণ কৰে আৰ্হি পুৰুষৰ

শিক্ষিত মূৰ্খজনা হয় চঞ্চল, কপট
হিংসাপৰায়ণ, অতিলোভী
বদমেজাজি, ৰাগী
মিছলীয়া
আৰু যে–
অন্বেষণ কৰে ধন সম্পত্তিৰ
অনুসৰণ কৰে ক্ষমতাধৰৰ,
অনুকৰণ কৰে আৰ্হি কাপুৰুষৰ

পৰিয়াল, সমাজ, দেশ, জগত স্বৰ্গ
শান্তি অনুভৱ কৰে তেতিয়াই
যেতিয়া মুৰব্বী হিচাপে
জ্ঞানীজনাকে পায়
পৰিয়াল, সমাজ, দেশ, জগত নৰক
যন্ত্ৰণা অনুভৱ কৰে তেতিয়াই
যেতিয়া মুৰব্বী হিচাপে
মূৰ্খজনাকে পায়।

# গৰখীয়া মই

**দ্বিজেন হালৈ**
নলবাৰী

ন-কৈ জগা দামুৰি পোৱালিৰ
দৌৰ চাই ভালপাওঁ মই
আৰু ভালপাওঁ কুঁহিপাত
নৱানিত শহাপহুৰ গাত
বয়সৰ বসন্ত দৌৰ
সেউজৰ প্ৰতি মোৰ আজন্ম একাত্ম হাবিয়াস
হালধীয়াহে তোমাৰ প্ৰিয়...
গৰখীয়া মই
গৰুধূলিত মোৰ জীৱন
নৈপৰীয়া শোভাই সাৰটি ৰাখে অহৰহ
বৰশী খেলত মোৰ সুখ
সমনীয়াৰে পুখুৰীত চিলনী সাঁতোৰ...
এদিন সপোনত শ্যেলী আহিছিল হীৰুদা'ৰ লগত
কি যে উজ্জ্বল দুখন মুখচ্ছবি
যেন মৰিয়মৰ হাঁহি
বহুদিন মই শুব পৰা নাছিলো
নৈপাৰৰ নাৱৰীয়া এজনক সপোনটোৰ কথা
ক'লো
তেওঁ হাঁহি ক'লে
সপোন দেখিবলৈও হেনো বুকুত সপোন লাগে
শব্দৰ বিষয়ে মোৰ বিষদ জ্ঞান নাই
তথাপিও আজি মোক শব্দই নিচুকায়
দুখৰ দিনত কবিতাই হুহুৱায়, কবিতাই নচুৱায়
বাৰিষা চুমাৰ প্ৰয়োজন নাই
বৰষাই কলিজা তিয়াই
খৰালিত যাচিবা মৰম
উদং পথাৰ
গৰুজাকৰ মাজত মই গৰখীয়া আৰু মোৰ
গৰখীয়া বাঁহী
তুমি ফাগুন হ'বা নীলাঞ্জনা
নদীৰ পাৰত সোণাৰু আঁচল পাৰি বহিবা
আৰু বতাহত মেলি দিবা চুলি
সেই আজলী গাইজনীৰ চকুদুটাৰ দৰে তোমাৰ
চকু
শহাপহুৰ নাকটোৰ দৰেই তোমাৰ নাক
আৰু আমাৰ গাঁৱৰ গধূলিটোৰ দৰে তোমাৰ
যৌৱন
ইমান আকুল
অমৃতময় মাদকতা
টিপচাকিৰ পোহৰত উজলি উঠে আমাৰ
চুবুৰীতো
ব'লা উভতি যাওঁ -তাই কয়
আজি কিন্তু কবিতাৰ সপোন নেদেখিবা -তাই
মোৰ চকুত চাই ৰয়
আমি ঘৰলৈ বুলি আগবাঢ়ো
ৰাস্তাৰ দুকাষে জিলিৰ তন্ময়তা ভঙাৰ চিঞৰ
তাই মোৰ হাতত ধৰি গুণগুণাই
"গৰখীয়া মই পথাৰৰ মাজতে গৰু চৰাওঁ
নৈপৰীয়া শ্যামলিমা নৱানিৰ মাজতে বিচাৰি
পাওঁ।"

# ত্যাগ

**গীতাঞ্জলি নাথ**
চাংসাৰী, কামৰূপ (গ্ৰাম্য)

জন্মৰেপৰা আইৰ কপালত
দেখা দগমগীয়া ৰঙা বেলিৰ
পোহৰত আমি জী উঠিছিলোঁ
সেই বেলিৰ পোহৰে পোহৰাইছিল
পুৱাৰপৰা ৰাতি এপৰলৈকে

পিতাইৰপৰা আইতালৈ
খুৰাৰপৰা পেহীলৈ
ক্ৰমে পোহৰ বিলাই বিলাই দহিব ধৰা
আইৰ নিস্তেজ দুচকুত
ভুমুকিয়াইছিল ভোটাতৰা
হয়তো পিতাই দেখিও
চাব বিচৰা নাছিল
এখন মৰিব ধৰা নদী
বেলিৰ তাপত শুকাব ধৰা
এখন জীয়া নদী

সত্য , হয়তো এয়াই সত্য
কপালত দগমগীয়া ৰঙা
নদী বোৱাই আয়ে যেতিয়া
হোমৰ গুৰিত বহিছিল
হয়তো তেতিয়াই জুইত
জাহ দিছিল
সমস্ত সত্বা
নিজস্বতা
পীড়িয়ে পীড়িয়ে হেজাৰজনী
আয়ে নিজক ত্যাগ দিয়ে !!!

# অৱশেষ

**মুন শৰ্মা**
বৰপেটা

ভাঙি গ'ল ৰুদ্ধ দুৱাৰ
ৰৈ গ'ল চিহ্ন
থাকি গ'ল কিছু অৱশেষ।

দূৰৈৰ পৰা শুনো
কান্দোনৰ প্ৰতিধ্বনি
কেতিয়াবা নিজকে
ধিক্কাৰ দিও
আৰু কেতিয়াবা
ঈশ্বৰক বুজিব খোজোঁ

মাটিয়ে কথা ক'ব খোজে
বতাহেও বহুত বুজে
কিন্তু সিহঁত নিৰুপায়
মই সেই কথা জানো
কিন্তু অপেক্ষাত আছো সকলো
আহিব জানো সেই দিনবোৰ ঘূৰাই

ৰৈ যোৱা অৱশেষ খিনিক
বুকুত বান্ধি লৈ
নিয়মিত পূজা কৰো
সেয়াই মোৰ অস্তিত্ব।

# প্ৰতিশ্ৰুতি

**কণিকা কলিতা**
বেলতলা ,গুৱাহাটী

শীতল শীতল নিয়ৰসনা ৰাতি
মোৰ মন-তনু ৰোমাঞ্চিত হৈ
তোমাৰ ভাবনাত হওঁ বিভোৰ

অতীত বোৰ ৰোমন্থন কৰোঁ
যেন এধাৰি বকুল ফুল হৈ
আবৰি ধৰে উন্মনা মন মোৰ

বৰযুণ জাকৰ সোণোৱালী পৰত
যৌৱনৰ নিদ্ৰাবিহীন ৰাতি
বুকুৰ মাজত ৰাখিছো ধৰি স্মৃতিবোৰ

মায়াসনা ৰাতি চকুত ভাহে
তুমি দিয়া মধুৰ মধুৰ প্ৰতিশ্ৰুতি
আজিও আছে হৃদয়ত

যেন এই ৰাতি
নাযায় নুপুৰাই ঝিৰ ঝিৰ কৈ সৰে
সপোন
যেন দুখবোৰ বাৰিষাৰ প্লাৱন
দুই ওঁঠত ওলমি থকা
মিঠা মিঠা সুৰবোৰ বাজি উঠে
ৰাইজাই ৰাইজাই কৰে মন মোৰ
নীৰৱে নীৰৱে পৰি ৰয় দুখত
একাকাৰ হৈ

# পদপথৰ সপোনবোৰ

**স্পন্দন পলাশ**
জাজৰি, নগাঁও

ঘূৰ্মূটিয়াই থকা গৃহহীন ৰাতিটো
নীলা সপোন একোটা হৈ
তিতি থাকে পদপথত

বিলাসী জোনাকীবোৰ আহে যায়
নক্ষত্ৰখচিত সাধু একোটা
জীৱন হৈ দপদপায়

ভোকাতুৰ ৰাতিটো সাৰে থাকে
সপোন এটাৰ শোকত

কিলবিলাই কিলবিলাই ফটা ওঁঠত
বাহৰ পাতে ভোকে
কবিৰ কবিতাতো ভোক থাকে
জোনাকী পৰুৱাৰো ভোক থাকে

গৃহহীন সপোনৰ উত্তাপ কবিয়ে
কেতিয়া জোখে
জোন যেতিয়া সাৰে নাথাকে

তেনেকৈ পুৱা সপোনটো সাৰ পায়

ঘূৰ্মূটিয়াই থকা ৰাতিটোৰে
এৰি দিয়া পথত পুনৰ
সূৰ্যমূখী ফুলে

সপোনটো সপোন হৈয়ে থাকে

**তৃতীয় ভাগ**

**সম্পাদনা**

এছ আহমেদ



## মানৱ ধৰ্ম

**ছেলিমা খাতুন**
হাউলী, বৰপেটা

সৰু বুলি কাকো তুমি
অৱহেলা নকৰিবা
বেয়া বুলি কাকো তুমি
ঘিণ নকৰিবা

ঈশ্বৰে দিয়া হৃদয় তুমি
চাফা ৰাখিবা
ধনী দুখীয়া সকলো মানুহক
আপোন ভাৱিবা

মনোবল যদি থাকে তোমাৰ
সফলতা পাবা
সফল হ'ব খোজা যদি
পিছুৱাই নাযাবা

আনক যদি সহায় কৰা
নিজেও সহায় পাবা
মানৱ ধৰ্ম বৰ ধৰ্ম
এয়া জানি থবা

হিন্দু মুছলিম সৰু ডাঙৰ
ভেদাভেদ নাই
মানৱ ধৰ্মৰ ওপৰত
কোনো ধৰ্ম নাই।

# দুখীয়াৰ হৃদয় পৰ্যন্ত বন্ধকত থাকে

**ইন্দ্ৰ বাহাদুৰ ছেত্ৰী**
বিহপুৰীয়া, লখিমপুৰ

অমূল্য সুখনিদ্ৰাক বলি দিয়াৰ প্ৰতিশ্ৰুতিৰে
সলাই আনো আমি কঠোৰ পৰিশ্ৰম আৰু
অজস্ৰ উজাগৰী ৰাতি সাউদৰ হাতত বিক্ৰী কৰি
পোৱা সম্বলেৰে চলাওঁ
জীৱন ৰূপী টুলুঙা ডিঙা
দুখীয়াৰ বাবে এইয়াইতো স্বৰ্গ
আৰু লাগে নো কি?

দুখীয়াৰ বোলে ভোটাধিকাৰৰ বাদে আৰু একো
অধিকাৰ নাথাকে
সেয়েহে কোনোবা ৰঙীন ৰঙৰ মাতাল গাড়ীয়ে
পাইকাৰী হাৰত আমাৰ বুকু পিষ্ট কৰি যাব পাৰে
নিৰ্বিকাৰে
নিৰ্বিঘ্নে
নীৰৱ উচুপনিৰ বাদে দুখীয়াৰতো কৰিবলৈ একো
নাথাকে
আচলতে দুখীয়া হ'লে দুখ কৰিবও নোৱাৰি
সমজুৱাকৈ
বোলে দুখীয়াৰ দুখ কৰাৰ অধিকাৰো নাথাকে

আচল কথাটো হ'ল
দুখীয়াৰ হৃদয় পৰ্যন্ত বন্ধকত থাকে।।

# ৰুদ্ধ নহয় মোৰ যাত্ৰা পথ

**আবু জাফৰ**
বৰঝাৰ, দৰং

শূণ্য নহয় মই এই ধৰিত্ৰীত
হেঁপাহ থাকিলেই বিজয়ী হয়

নিঃশেষ নহয় মোৰ যাত্ৰাৰ পথ
সঙ্গ যদি এৰা মাজবাটত

উহ্য মনৰ কথা ঢুকি নোপোৱা
ছদ্ম ৰূপত কিয় কাষলে আহা

আঁতৰ হৈ যদি যাব বিচৰা
নেওচ্ নহয়, নীৰৱে যোৱা

কঠিন শৈল হয় যদি এই পথ
ভাগৰি নপৰোঁ শৈলৰ কাষৰত

জীৱনৰ পথ যদি হয় অসহ্যকৰ
কাবৌ নকৰোঁ তোমাৰ সঙ্গ পাবৰ

স্থিৰে থাকিম, বিচলিত নহ'ম
তোমাৰ বাবেও অপেক্ষা নকৰিম

তোমাৰ অভাৱে নকৰে ক্ষয়
ইয়াতেই হ'ব মোৰেই জয়।

# সময়

**ভগৱান কলিতা**
নলবাৰী

মই সময়
দ্ৰুত বিলম্বিত মোৰ
অপ্ৰতিৰোধ্য গতি
সৃষ্টি আৰু বিনাশ ফলশ্ৰুতি,
সৃষ্টি স্থিতি প্ৰলয়ৰ
আছে যত বিভীষিকা
পেলাই যৱনিকা এয়া যে
জীৱন নাটৰ প্ৰহেলিকা।
আবৰ্ত্তন বিবৰ্ত্তন
অৱধাৰিত সংবৰ্ত্তনৰ
কৰি যাওঁ সূচনা,
ৰূপান্তৰিত অতীত
বৰ্ত্তমান ভৱিষ্যত
মোৰেই পৰিবৰ্ত্তনৰ ঠিকনা ।

চিৰ শ্বাশ্বত মই মৃত্যুঞ্জয়ী সত্তা
সঞ্জীৱনী মন্ত্ৰ শিৰোধাৰ্য
প্ৰজ্বলিত সাধনাৰ বহ্নিত
মই উদ্দীপ্ত সূৰ্য্য ,
অতীত বৰ্ত্তমান ভৱিষ্যতৰ
ময়েই সৰ্ব্বসত্তা
যুগ যুগান্তৰৰ
ময়েই অভিনৱ স্ৰষ্টা ।
মোৰ বুকুতে আছে লুকাই
স-সাগৰা পৃথিৱীৰ
যত ইতিহাস,
সকলো হৈ যায় লীন
মোৰ লেলিহান জিভাত
ইযে মোৰ সৃষ্টিৰ পৰিহাস।

মোৰেই ভাৱনাত
মোৰেই ধাৰণাত
নিতৌ গঢ়ে ভৱিষ্যত,
কত আশাৰ ভিন্ন ৰং সপোনৰ
সানি লৈ জীৱনত
নিঃশেষ হয় মোৰ বুকুত।
কত কামনা কত বাসনা
বিলীন হয়
মোৰ বিশালতাত,
মোকেই সাৰটি
মোৰেই পিছত দৌৰে
বিচাৰি অপ্ৰত্যাশিত ভৱিষ্যত।
স্বপ্ন-বিভোৰ জীৱনৰ
বাসনাৰ এনাজৰীত
সজাই আশাৰ মালাধাৰী
ৰৈ থাকে আপোন পাহৰি ,
কেতিয়া আহিব সুখৰ সময়
কেতিয়া উৰিব শান্তিৰ কপৌ চৰাই?

ভালপায় মোক মূৰ্খ মানৱে
দ্বিধাহীন নিৰুদ্বেগ চিত্তে
প্ৰত্যাশিত বাসনাত,
নহওঁ মই সংবেদনশীল
কাৰো প্ৰতি অৱধাৰিত গতিত
অহেতুক ভাৱনাত।
হায় মানৱ,—
পল অনুপলকৈ
ক্ষণ গণি গণি
পাহৰি সময় বৰ্ত্তমানৰ
প্ৰতীক্ষা মাথো ভৱিষ্যতৰ ।
সপোন বাহুল্য-বিভ্ৰান্তিত
প্ৰাপ্তিৰ ঠিকনা বিচাৰি
পিন্ধি লৈ শিকলি বাসনাৰ
হেৰুৱালি সময় জীৱনৰ।

# ভালে আছোঁ কুশলে আছোঁ

**ময়দান আলী আহমেদ**
বঙাইগাঁও

বন্ধু তুমি কেনে আছা?
আঁচ নলগা
সহজ-সৰল উত্তৰ
ভালে আছোঁ কুশলে আছোঁ।
মানসিক অসুস্থতা গাঁঠি-গাঁঠি বিষ
বহিলে উঠিব নোৱাৰে
অথচ সুধিলে কয়
ভালে আছোঁ কুশলে আছোঁ।
ভয়ে-ভয়ে বন্ধুৰ সতে
সময় কটায়
পকেটত ফুটাকৰি নাই
কৰ'ণা আক্ৰান্তহে
কোৱাৰেন্টাইনত দিন কটায়
অথচ সুধিলে কয়
ভালে আছোঁ কুশলে আছোঁ।
প্ৰেম বিৰহত বিহ্বল হৈ
হাতীৰ দৰে শৰীৰ
ক্ষীণকায় ৰূপ লয়
ৰুদ্ধপ্ৰায় শ্বাস-প্ৰশ্বাস দেখিও
মুক্ত অক্সিজেন পোৱাৰ আশাত
দিন-ৰাতি দুৱাৰ-খিড়িকী খুলি থয়
অথচ সুধিলে কয়
ভালে আছোঁ কুশলে আছোঁ ।
দূৰদৃষ্টি কমি গৈছে
কমা নাই ব্যতি-ব্যস্ততা
দাঁত ভঙা এলজেব্ৰিক
অঙ্কৰ হিচাপ
সংসাৰত মিলাব পৰা নাই
অথচ সুধিলে কয়
ভালে আছোঁ কুশলে আছোঁ ।
ৰাজনীতিৰ মেৰপাকত পৰি
আঙ্গিক বিচ্ছনা
খণ্ড-বিখণ্ড হয়
নিতাল-নিস্তব্ধতাতো
ৰাতিৰ এন্ধাৰত
তোৱালী লেতেৰা হৈছে বুলি
চকুপানীৰে তিয়াই পেলায়
অথচ সুধিলে কয়
ভালে আছোঁ কুশলে আছোঁ ।
পৃথিৱী এখন নাট্যমঞ্চ
আমি নাটৰ ভাৱৰীয়া
ঝৰ-ঝৰ বৃষ্টিৰ কোবতো
এগাল হাঁহিমুখে কয়
ভালে আছোঁ কুশলে আছোঁ।

# অনন্যা

**দিপ্তী মনি গোস্বামী**
লালুক, লখিমপুৰ

নাৰী তুমি অনুপমা,
নদী তুমি মনোৰমা;
তোমাৰ গুণৰ নাই তুলনা ।
তুমি, অনন্যা
মানৱ জাতিৰ হৃদয়ৰ তুমিয়েই গুৰি ধৰোতা
চঞ্চলা প্ৰবাহিনীৰ তুমিয়েই সুৰ সাজোতা;
তোমাৰ কোলাতেই অংকুৰিত ভৱিষ্যতৰ বীজ,
সৃষ্টিৰ পথাৰ শুৱনি কৰিবলৈ সীৰলুত খোজ।
তুমি তুলনা বিহীন সন্ধিক্ষণ,
নদী আৰু নাৰীৰ সম্যক বিশ্লেষণ।
লেখ বিহীন ভ্ৰূক্ষেপেৰে নিৰলে,
অলসভাৱে বৈ যোৱা গভীৰৰ পৰা গভীৰলৈ ।
তুমিয়েই উজাগৰী নিশাৰ প্ৰাণোচঞ্চল কবিতা,
পক্ষীৰ কাকলিৰ সুন্দৰ মালিতা।।
যোগসূত্ৰ জন্মৰ পৰা জন্মান্তৰলৈ,
আদৰৰ জীৰ পৰা আৰ্দশ বোৱাৰীলৈ;
জান জুৰিৰ পৰা গভীৰ সাগৰলৈ।
দ্বিতীয় ঘৰৰ দুৱাৰত সগৌৰৱে ধ্বজা উৰাই
আৰ্দশ পত্নীৰ পৰা আৰ্দশ মাতৃলৈ
নদী মাতৃ এই ধৰাত যুগান্তৰলৈ।
মমতাৰ চাদৰেৰে সমস্ত ব্যাপী,
তুমি নিভাঁজতম এটি কৰুণ সুৰীয়া মিঠা কবিতা।।

# পালিতা আই

**বৰ্ণালী ডেকা**
ৰঙিয়া, কামৰূপ (গ্ৰাম্য)

পোহৰৰ ৰশ্মিৰে অংকিত
তৃপ্তিমান মুখনি
কলমৰ ভাষাৰে লিখিত
অ' মোৰ জননী

অবিঘ্ন কোলাত মূৰ থৈ
নিতৌ লওঁ মৰমৰ হাত বুলনি
কৰ্কশ শব্দতো আছে
দায়িত্ব গধুৰ মৰম বিননি

কোনো দিনাই যে আঁতৰ কৰা নাই
মাতৃৰ বুকুৰ উমৰ পৰা

জন্ম দিয়া মাতৃৰ দৰে পালন কৰিছে
মোৰ দায়িত্ব
কিদৰে আপোনাক বেয়া পাম
ওঁঠৰ হাঁহিৰ পোহৰেৰে আপুনি

নৈ যদি হয় আপুনি
মোক নদীৰ পাৰ কৰিয়েই ৰাখিছে
বোকা লাগিব বুলি
কোলাতে ডাঙৰ কৰিছে

বিশালতাৰে ভৰা নদীসম
বুকুৰ দুৱাৰ সিমানেই বহল
সূৰুযৰ কিৰণত পাহি মেলা
মোৰ আই জননী
উজ্জ্বল ৰত্নৰে গঢ়া আপুনি

কিমান বহল হ'লে
পবিত্ৰ হয় মন
শিকিছোঁ আপোনাৰ সংস্কাৰত

# চকুলো

**সুভাৰাণী কলিতা**
লাচিত নগৰ, পাঠশালা

বুকুত বেদনাৰ তাণ্ডৱৰ কোলাহল
সঘনে বাজে কিহৰ সুৰ
ই বাৰিষাৰ বলীয়া বান
নে বহাগৰ বৰদৈচিলা
উটুৱাই লৈ যোৱা
সকলো দাৰুণ যন্ত্ৰণা।

শত জনতাৰ ৰঙীন আশা
নিষ্পেষিতক স্বাৰ্থতাই চলাথ কৰে
মনৰ জেপত ভৰাই ৰখা
আশা সুধীয়া হাঁহি
অস্তাচলত মাৰ গ'লে
দুখৰ চকুলো চোন উপচি পৰে।

তই কেতিয়াবা বৰ লাজুকীয়াও
গোপন কক্ষৰ পৰাই
নিৰবে নিৰবধি বোৱা
বসন্ত পিয়াসী বতৰাতো
ইমান চঞ্চল হোৱা
বুকুত ৰঙীনতাৰ ভাৰ বান্ধি
আৱেগেৰে দুগালেদি বোৱা।

তইতো বৰ মৰমীয়ালো
জনমানসত নিস্বাৰ্থৰ
বাঁহী বাজি উঠিলে
শাওনৰ মেটমৰা আকাশৰ
উন্মাদ সম্ভাৱনা লৈ
দুচকুৰে বৈ আহ অমৃত ধাৰা হৈ
সেয়ে তই কেতিয়াবা বৰ মৰমীয়াল।

আৰু বুকুত একুৰা আঘাতৰ
লেলিহান শিখাই অন্তৰাত্মাক
দাওঁদাওঁকৈ জ্বলাই তুলিলে
কেঁচা কলিজাৰ বেদনা বোৰ
কেনেকৈ নো হুৰা-হুৰে বোৱাই আন
তলকিবই নোৱাৰি।

তই হেঁপাহ নে মান-অভিমান
নে তই জীৱন-যৌৱনৰ ৰঙ
তই বলিয়া নে চঞ্চল,আকাশ নে সাগৰ
নে তই আশা-আকাংক্ষাৰ
বাস্তবায়িত ৰূপৰ প্ৰকাশ
তই সুখৰ বাঁহী নে স্মৃতিৰ ডাৱৰ?

# মানৱ জনমৰ গৌৰৱ

**কৃষ্ণ কান্ত দাস**
হাউলী, বৰপেটা

জনম লভিলোঁ মানৱৰূপে
এই ধৰণীত
কৰিছোঁ অৰ্জন মানৱ হোৱাৰ গৌৰৱ
এই জগতৰ।
যদি হোৱা প্ৰকৃত মানৱ সাধিবা কল্যাণ
মানৱ জাতিৰ হকে
দয়া মৰম প্ৰেম ভালপোৱা
বিলাই যোৱা আপোন মনে।
হিয়া উজাৰি জগোৱা একতাৰ ভাৱ
সমগ্ৰ মানৱৰ হৃদয়ত
আদৰ্শৰে কৰি দেখুৱা
দেহে কেহে
সাজু হবলৈ মনে প্ৰাণে।
নিস্বাৰ্থ ভাৱেৰে
কৰি যোৱা কৰ্তব্য
গঢ়ি দেখুওৱা অহিংস নীতি
ধনী দুখীয়া উচ্চ নীচ
ভেদাভেদ পৰিহাৰ কৰি
গঢ়ি লোৱা আদৰ্শ সমাজ।
অন্ধ বিশ্বাস কু-সংস্কাৰ
হিংসা স্বাৰ্থপৰ
বিদায় জনোৱা নবীন সমাজত
জাতি বৰ্ণ ধৰ্ম
নকৰি ভিনপৰ
সকলো যে একে সন্তান
আল্লাহ ঈশ্বৰৰ।
একতাৰ ডোলেৰে
বান্ধি লোৱা মানৱক
মজবুত কৰা এনাজৰীৰ
বান্ধোন।
স-সন্মানেৰে সন্মানিত কৰা
নিজ কলা-সংস্কৃতিক
শংকৰ মাধৱ আজান ফকিৰৰ
শান্তি বাণী বিলাই
আঁকোৱালি লোৱা সমগ্ৰ বিশ্বক।
উন্নতিৰ শিখৰলৈ নিয়া আগুৱাই নৱ প্ৰজন্মক
কৰিবা অৰ্জন মানৱ
জন্মৰ গৌৰৱ।

# বেশ্যা

**আমিনুৰ ৰহমান**
আগমনী, ধুবুৰী

সদায় ঘৃণা কৰি থকা বেশ্যা জনীক
ৰাতিৰ আন্ধাৰত এদিন
যেতিয়া দেখিব পাৰিলোঁ
হৃদয়ৰ দুৱাৰ খুলি
তেতিয়া
নিজকে যেন খুউব অপৰাধী অনুভৱ হ'ল
বেশ্যাৰো আছে বুলি এখন হৃদয়
বেশ্যাৰ ঘৰৰ পদূলিতো
ফুলি উঠে  নানা ৰঙৰ সুগন্ধি ফুল
আন্ধাৰৰ মাজত
যি ফুল বোৰ
ফুলিবলৈ নাপায় ৰূপ সৌন্দর্য থাকিও
সুন্দৰ বাগিচাত
সেই বনৰীয়া ফুলবোৰৰ সুগন্ধিত
আমোলমোলাই উঠিছে তাইৰ পদূলিমুখ
ফুলবোৰক লৈয়ে তাইৰ জীৱন
তাইৰ সপোন
নাথাকে নাই তাইৰ নিজৰ বুলিবলৈ এখন সুন্দৰ বাগিচা
তথাপিও ফুলাই তুলিছে
বনৰীয়া ফুলেৰে তাইৰ পদূলি মুখ
যাৰ সুগন্ধিত আমোলমোলাই থাকে
তাইৰ নষ্ট জীৱন
বনৰীয়া ফুল ৰূপী
পৃথিৱীৰ নিৰন্ন শিশুৰ দুওঁঠত
হাঁহি বিলোৱাই যেন তাইৰ ব্ৰত।।

**চতুৰ্থ ভাগ**

**সম্পাদনা**
জোন বৰা



# সূৰ্যোদয়

**জুৰি ৰাজখোৱা গগৈ**
মৰাণহাট উষাপুৰ, চৰাইদেউ

শিলবোৰ যেতিয়া শুই থাকে
নদীৰ বুকুত
অথবা
পাহাৰৰ গাত আউজি
চাই থাকে আকাশলৈ,
চৰাইবোৰ যেতিয়া শীতত ঠৰঙা লাগি
সোমাই থাকে বাহ অথবা খোৰোঙত,
নিয়ৰবোৰে যেতিয়া সামৰিবৰ হয়
মুকুতাৰ অভিনয়,
তেওঁ তেতিয়া হিৰণ্ময় সাজ পিন্ধি
সাজু হয় উদয়াস্তৰ দিশে।

শিলবোৰৰ বাবে তেওঁ উশাহ
চৰাইবোৰৰ বাবে ডেউকা
আৰু নিয়ৰৰ বাবে তেওঁ
একাঁজলি ৰ'দ।

আমাৰ বাবে তেওঁ জীৱন
আৰু তেওঁ আমাৰ জীৱন হোৱাৰ বাবেই
মন আৰু মগজুৰ তেওঁ এগৰাকী
আমন্ত্ৰিত অনুপ্ৰৱেশকাৰী।

মাথোঁ শিল, নিয়ৰ অথবা চৰাইবোৰৰ বাবেই নহয়
তেওঁ সকলোৰে বাবে বিশেষ,
তেওঁ পূব আকাশৰ
হাইতালৰঙী সূৰুয।

# মাজুলীত আত্মাৰ বিননি

**সুজাতা মেধি**
গুৱাহাটী

মাজুলী
আই তুমি পৃথিৱীৰ শ্ৰেষ্ঠ
অসমৰ মাটিত ব্ৰহ্মপুত্ৰৰ
বুকুত সত্ৰীয়া সংস্কৃতিৰ
ৰূপে গুণে ভৰা।
লুইতৰ দুই পাৰে সাৰটি
অংকীয়া ভাওনাৰ সংস্কৃতিৰ
সুগন্ধি।
নিস্তব্ধ হ'ল মাজুলী
বহুতো মানুহৰ বুকুৰ পৰা
কাঢ়ি লৈ গ'ল সপোনৰ ঘৰ
সত্ৰীয়া কৃষ্টিৰে জিলিকি
উঠা মাজুলীত সকলোৰে
নিগৰিছে চকুৰপানী।
হাহাকাৰ কৰিছে হৃদয়
সকলোৰে মাজত
এটাই প্ৰশ্ন?
কিয় দিলা প্ৰভু
মাজুলীক বিষাদ ভৰা
যন্ত্ৰণা।

# সময়ে গঢ়া চক্ৰবেহু

**হিমাদ্ৰী দাস**
**সোণাপুৰ**

সময়ে গঢ়া চক্ৰবেহুত ৰুদ্ধ
আবেগিক উশাহৰ নৈ।

অতিপাত কৃত্ৰিম উৎপত্তিৰ
গেছাগাৰত লেউসেউ পৃথিৱীৰ শৰীৰ,
কেমিকেল মিহলি বিষাক্ত নিশ্বাসৰ ভৰত
বতাহজাকো নিৰ্মল হৈ নাথাকিল ...( !)

উৰ্বৰ উপত্যকাৰ
গৰ্ভিণী আশাত শিলাময় প্ৰলেপ।

বঁকিয়াৰ নিৰবিচ্ছিন্ন ব্যস্ততাত
স্বস্তিৰ বিৰতি,
নিৰ্জীৱ সাপ এডালৰ দৰেই
শান্তিৰ দীঘলীয়া ঘুমতি।।

স্বপ্নভ্ৰষ্ট কলিজাত
এতিয়া সহজলভ্য অদৃশ্য বজ্ৰাঘাত ....।
কংক্ৰীট ময় উদ্ভাৱনৰ জালত আবদ্ধ
শ্ৰেষ্ঠত্বৰ অহংকাৰী কলঙ্ক ...

দিগন্তকো প্ৰয়োজন,
একাকীত্বত পুৰণি সাজযোৰ সলাই
নতুনকৈ এসাজ পিন্ধিবলৈ
কিছু নিবিড় মুহূৰ্তৰ!

গতিৰ সোঁতত গতিবোৰ পুৰঠ হ'বলৈও
যিদৰে লাগে কিছু সময় ...

# গতি

**ৰবী দত্ত**
টীয়ক

যেনেতেনে লালুকীৰ দহি কটা নেজ ছিগিবলৈহে পালে
লক্ষ্যহীন দৌৰত সিহঁত ভেকুলী হ'ল

অপৈণত দুভৰিৰ জাপত
স্থানৰ মান নিৰূপণ কৰিবলৈ অক্ষম
সময়ৰ থেকেচনিত হেৰুৱাই পেলোৱা হৈছে দেওচনীয়া
জীৱনৰ বৈশিষ্ট্য।

সকলোৱে কি বিচাৰিছে
আৰু গঢ়ে-পিটে পাইছে কি ?
শক্তিৱন্ত সূৰ্যৰ ৰৌদ্ৰোজ্জ্বল পুৱালৈ বাট চাই আছে
গোটাসজীয়া মন
আন্ধাৰৰ তিতা চোলাটো শুকাবলৈও নিকিনা সময়ৰ
প্ৰয়োজন!

ঘাম আৰু তেজে বুটা বচা ছালত
ইটোৰ পাছত সিটো প্ৰশ্নৰ জয়াল গতি
মধ্যমাত উপাসিত উত্তৰৰ দুৰ্গতি।

নিজৰ প্ৰতিটোপাল তেজ আৰু জাস্তি ঘামৰ মূল্য উশাহে
দিয়ে
জামুকী বোলোৱা দাঁতবোৰ পৰিষ্কাৰ কৰিবলৈ আমি
আঙুলীবোৰ কঠোৰ কৰি ৰাখো।
বিনিময়হীনতাত চেলামি বিনিময় দ কৈয়ে ভোগে
অৰ্ধ শতিকা জোৰা লক্ষহীন দৌৰে
গতিক দীঘল ছাঁ দিয়ে
আমি ছাঁৰ বুকুত আঁকি যাওঁ জ্যামিতিৰ বক্ৰৰেখা

দহ বুলিলে দহ পঁচি বুলিলে পঁচি হ

আমি উমেদাৰ
মাথোঁ পলম হোৱা সন্ধিয়া!

# মৎস্যকন্যাৰ সাধু

**ছৈয়দা আঞ্জুম আৰা হুছেইন**
গুৱাহাটী

মেটেকনি ডৰাই গিলি থয় অমৰাৱতীৰ ৰাজপ্ৰসাদ
তাৰেই বাসিন্দা মই বহু কাল ধৰি

বন্ধ পানীৰ ৰাজসিংহাসন মেটেকা ফুলত বহি
ৰ'দ পুৱাওঁ ,পি থওঁ বেঙুনীয়া সোমৰস;
সাপৰ শিপাই মেৰিয়াই থয় মোৰ পদুমকোমল দুভৰি

শেলাই ধৰা বেৰত স্বৰ্ণৰ বন্ধ দুৱাৰ
মৎস্যকন্যাৰ দুচকুত বগাই মেৰবিলৰ সাধুকথা ,
সোণৰ নাৱত পাতাল কোঁৱৰ, হাতত মিনাকৰা যাদুৰ কাঠি, যি
কাঠিৰ স্পৰ্শত জপাই থলোঁ বেলি অহা বাটৰ স্বৰ্নাভ পথ

আচলতে মেটেকনিবোৰ সাগৰ তলিৰ অষ্টপদ
মোৰ দুচকু আৰু ওঁঠত শতিকাৰ আঠডাল শিকলি
এটুপি পানীৰ সন্ধানত মই কমলা কুঁৱৰী,
সাধুকথাত ৰাজকোৰঁৰে সাপহৈ গিলি থয়
এজনী ভেলেঙী হৰিণী।

# সেউজ বাকৰি

**দীপশিখা বৰা শইকীয়া**
মাজগাওঁ, তেজপুৰ

য'ত হেঁপাহে পোখা মেলে,
প্ৰকৃতিৰ বুকুত আলফুলীয়া
আশাৰ সপোন ৰচে ,
আৰু...
অঙ্কুৰিত কৰে সপোনৰ বীজ
সেয়াই চাগে সেউজ
সেউজীয়া সপোন সেউজ বাকৰিৰ।

এই সেউজীয়াই বিলাই দি যায়
আশাৰ ৰেঙণি
সোণসেৰীয়া মিঠা অনুভৱৰ কৰণি।

সেউজীয়াৰ মাজতো লুকাই থাকে
বিষাদৰ বেদনা,
যি পুৰণিৰ বুকুত নতুনত্ব বীজ সিঁচি
নিজৰ সমস্ত সেউজ সজীৱতা
আনক দিয়ে বিলাই।

প্ৰকৃতিৰ বুকুত সপোনৰ
ৰং বিলাবলৈও
যে সেউজীয়া হৈ পৰে
সঞ্জীৱনী সুধা,
দি যায় আৱেগিক অনুভৱ
য'ত
প্ৰকৃতিৰ সেউজীয়াবোৰৰ মাজত
নীল আকাশৰ তলত বহি
মুক্তমনে সপোন ৰচিবলৈ
প্ৰেৰণা দি যায়।

# আমি কবি নহওঁ

**হৰমোহন কলিতা**

আমি কবি নহওঁ
কবি হ'বও নিবিচাৰো
মাথো গুজৰি গুমৰি থকা
শব্দবোৰ সজাই দিওঁ
নিয়াৰিকৈ ।

মনৰ মাজৰ ভালপোৱা
ক্ষোভ, দুখ, বেদনাৰ
সমষ্টিক একত্ৰিত কৰি
কলমৰ আগত
গুজি দিওঁ ।

এয়া কাৰোবাৰ বাবে কবিতা
কাৰোবাৰ বাবে জাৰৰ
আৰু আমাৰ বাবে ই প্ৰাণ ।

কাৰণ শব্দৰ আছে
ভাৱ প্ৰকাশ কৰাৰ
ক্ষমতা
আছে সমাজ পৰিবৰ্তনৰ
শক্তি ।

তাৰ গতি ৰুদ্ধ কৰাৰ
প্ৰয়াস হয় বৃথা
লাগিলে সি মহা
শক্তিধৰ নহওঁক কিয় !

ৰঙা মদাৰৰ ফুল
জংঘলৰ দেশৰ লোক
বুলি প্ৰাণৰ ভূপেন দাক
ইতিকিং কৰাবোৰে
আজি পুজা কৰে তেওঁক ।

সেয়েহে হে কবি--
তুমি নৰ'বা থমকি
তোমাৰ কলমৰ
গতি স্তব্ধ নকৰিবা
হয়তো তাতেই এদিন
ৰূপিত হ'ব কবিতাৰ
বটবৃক্ষ ।।

# হাবিয়াস

**ৰঞ্জিতা দাস**
ভট্টদেৱ নগৰ, পাঠশালা

প্ৰভাতী সূৰুযৰ সোণোৱালী ৰশ্মি
আঁজলি ভৰাই আনি
স্বৰ্ণাভ বৰ্ণালীৰে হিয়াখন সজাই
মায়াময় পৃথিৱীৰ মায়াজালত বন্দী হ'লো !

হৃদয়ত উন্মেষিত আশাবোৰেৰে
অহৰ্নিশে বৰ্ণাঢ্য মালা গাঁথি
হিয়াৰ সুসজ্জিত কোঠাত আৰি
নিত্য নতুন সৌন্দৰ্য্যত আত্মহাৰা হ'লো !

ওপৰলৈ উধাব খোজা সপোনবোৰক
সোপানে সোপানে তুলি
সুখবোৰক আঁচল পাতি ধৰিলো।

ভাৱনাবোৰক বুকুত বান্ধি
ঢাপে ঢাপে বালিৰ কাৰেংঘৰ সাজি
মোৰ গৰ্ভস্থ ভৱিষ্যতক
জীৱনৰ হাবিয়াস পূৰণৰ প্ৰতিক্ষণ
প্ৰশিক্ষণ দিয়াত ব্যস্ত হ'লো !

সৌন্দৰ্য্যমণ্ডিত সূৰ্য্য চন্দ্ৰৰ
অকপট মৰমক নেওচি
পৃথিৱীৰ উদাৰ বহল বক্ষৰ পৰা
কিদৰেনো যাওঁ আতৰি ? ?
কাতৰ কাকুতিৰে আত্মাৰ অধিপতিক কৰিছো স্তুতি
আকৌ এইখন ধৰাতেই প্ৰত্যাৱৰ্তন কৰি
সত্য সুন্দৰৰ সন্ধানেৰে
জীৱনক কৰিব পাৰো যেন সুৰভিত !

# উত্তৰহীন চিঠিখন

**গুণধৰ নাথ**
খুটিকটীয়া, সেউজনগৰ

মনত পৰে চিঠিৰ শব্দবোৰ
যিবোৰ লিখা হৈছিল
তোমাৰ হৃদয়ৰ উকা কাগজত,
এৰা, হৃদয়খন তেতিয়া
সচাঁকৈয়ে উকা আছিল !

অভিমানে শব্দবোৰ
কেতিয়াবা ঢাকি ধৰে,
সেয়ে হতাশ হৈ পৰে
বাট বিচাৰি উত্তৰবোৰে;
তেতিয়াই আহিনৰ পদূলিত
নিয়ঁৰসিক্ত শেৱালী সৰাই
পুনৰ বাটচায় শব্দবোৰে ।

এতিয়া তোমাৰ হেঁপাহত নেদেখো
আলসুৱা সেই বুকুখন
য'ত ফুলিব ধৰা গোলাপবোৰ
কলি হৈয়ে থাকিল ,
এতিয়া হেঁপাহ বোৰ সাৰে থাকে
সাৰে থাকে সপোন উজাগৰি নিশাৰ ;
উত্তৰহীন আমনিবোৰ বৰ যন্ত্ৰনাময়
মৌনতাৰ বেদনাই আৱৰি ধৰে
এজাক বিষাদৰ বৰষুণ হৈ,
প্ৰতিটো নিশা
নীৰৱতাক সাৱটি বাট চাওঁ
তোমাৰ হৃদয়ৰ উকা কাগজত লিখা
শব্দবোৰৰ উত্তৰ !!!

# ভালপাওঁ

ডাঃ চন্দনা মেধি দাস

এটা শব্দৰ পিছে পিছে ঘূৰি ফুৰে তাই
যি শব্দই পৱিত্ৰতাৰে আলিংগন কৰে
তাইৰ মন,আত্মা,সত্তা আৰু হৃদয় সমগ্ৰ
আপোনপাহৰা তাই প্ৰতি পল অনুপল
যি শব্দৰ মায়াত বন্দী চিৰন্তন চৰাচৰ।

বিচাৰিলেই জানো পোৱা যায় ?
নিবিচাৰিলেও অজানিতে ফুলি উঠে
উন্মিলীত শতদল মন কৰি উচাতন
নিঃশব্দে, অজানিতে, অতি সংগোপনে
মন পৰিধি গৰকি নিষিদ্ধ এক অনুৰাগে

এতিয়া শুনো বুলিও শুনিব পোৱা নাই
বগাও বুলিও বগাব পৰা নাই
শুনিবলৈ উদ্বাউল শব্দটিৰ সুউচ্চ চূড়া,
কেতিয়াবা ভাব হয় সন্তৰ্পণে, মনে মনে
শিৰাই উপশিৰাই বগুৱা বাইছে হবপায়
গুপুতে কাণতে কৈছে -ভালপাওঁ
ভালপাওঁ ও তোক জীৱন জুৰাই।

পূৰ্ণ জীৱনৰ ৰূপকাঠি যতনাইছো
খুউব সযতনে নিৰলা পজাতে আজি
প্ৰাৰ্থনাৰ চাকিৰে হিয়াতে উজলি
সুখে দুখে মনচাতকে হাঁহিব,নাচিব
ভালপাওঁ, ভালপাওঁ ও মই তোক
এই শব্দৰ মায়াময়তাত তয়োযে বন্দী
ইহকাল, পৰকাল, অনাদি-অনন্ত কাল।

**পঞ্চম ভাগ**

**সম্পাদনা**

ব্ৰজেন কাকতি



# গামোচা

**সংগীতা শইকীয়া পাঠক**
গুৱাহাটী

গামোচা---
তুমি অসমী আইৰ সত্ত্বাৰ প্ৰতীক
যুগ যুগ ধৰি...
তুমি নিৰন্তৰ ভাৱে কঢ়িয়াই আহিছা--
অসমী আইৰ অপৰাজেয় ইতিহাস
গামোচা--
তোমাৰ সুবাসে প্ৰতিজন অসমীয়াৰ হৃদয়- মন পুলকিত কৰে
তোমাৰ অঙ্গে অঙ্গে অসমীয়া  শিপিনীয়ে বৈ যায় অসমৰ
অকথিত সাধুসমূহ
গামোচা--
তোমাৰ কোমল পৰশত...
প্ৰাণ পাই উঠে--
অসমীয়াৰ জাতীয়  চেতনা
তোমাৰ ৰন্ধ্ৰে ৰন্ধ্ৰে বৈ থাকে...
অসমীয়াৰ অফুৰন্ত  শকতি
কি হিন্দু কি মুছলমান কি খ্ৰীষ্টান ??
তুমি জাতি-ধৰ্ম নিৰ্বিশেষে সকলো অসমীয়াৰ প্ৰাণ
আকাশে বতাহে--
তুমি অহৰহ ভাৱে ছটিয়াই যোৱা...
সুখ আৰু শান্তিৰ বীজ
গামোচা --
তোমাৰ সুৰুজমুখী চানেকীৰে যুগে যুগে....
ন শকতিৰে উজ্জীৱিত কৰি যাবা...
অসমীয়াৰ মৰমৰ সত্ত্বাটিক।।

# এটি নিশা এজনী বেশ্যাৰ স'তে...

**গৌতম মালাকাৰ**
গুৱাহাটী

সমস্ত চহৰত বিয়পি পৰিছে
এটি তীব্ৰ দুৰ্গন্ধ,
নষ্ট সুন্দৰীৰ
চঞ্চল হাঁহিৰ
ৰোচক দুষ্ট গল্প !

সেইখন চহৰলৈ
তাইৰ কোনো ভ্ৰূক্ষেপ নাই...

হেঙুলী সোণ সৰা আবেলি
বৃদ্ধ শয্যাশায়ী পিতৃক
শুশ্ৰূষাহীন
নিঃসংগ সজাত বন্দী কৰি
তাই ৰাজপথলৈ যায়...
উগ্ৰ আতৰ সনা
শৰীৰী বিপনীৰ সৌন্দৰ্যৰে
আন্ধাৰ গলিত
মোহক পোহৰ বিলায় !

এটি নিশা উজাগৰে
এজনী বেশ্যাৰ স'তে...

নিশাৰ কৰচ পিন্ধি
নামী-দামী কবিয়ে
তাইৰ চকু, চুলি, ওঁঠৰ...

শব্দ টুকি টুকি
সৃষ্টিৰ ৰসত মত্ত হয়
আৰু দেহৰ এঁকাবেঁকা ভাজে ভাজে
প্ৰেয়সীক বিচাৰি উদ্বাউল হয়
শত প্ৰতাৰিত বিদীৰ্ণ হৃদয় !

চিৰ-নতুন মাতালবোৰ
সিক্ত উৰুসন্ধিৰ মোহত
সংযমহীন হ'লে
নকল মৰমেৰে উঠলি উঠে
আঁচল খহি পৰা তাইৰ ধৈয়াল বুকু !

বিষাদ শিল্পৰ বোজা কঢ়িয়াই
বোৱাৰী পুৱা
ক্লান্ত দেহাৰে তাই ঘৰমুখী হয়...
বহু বছৰ পাৰ হৈ গ'ল
তাই সূৰ্যোদয় দেখা নায়।।

# শব্দৰ আপোন ঘৰ

**ড° খনিন্দ্ৰ কুমাৰ বৰ্মন**

মোৰ বুকুত এখন শব্দৰ ঘৰ
সজাই পৰাই গীত এটি লিখোঁ বুলি লওঁতেই দুটিমান শব্দই
ঠেহ পাতি বহে,
লৰচৰেই নকৰে...
গীত এটি লিখিলেই দুটিমান শব্দই
আজিকালি বৰকৈ আমনি কৰে
তাৰে এটা শব্দই খং কৰি কৈয়ে দিলে-
মোৰ গীতত তেওঁ হেনো সুৰৰ লহৰ নেদেখে

সেয়ে শব্দ নকৰাকৈয়ে মই নিতাল মাৰি বৈ আছোঁ..
শব্দৰ ভোকাতুৰ মই,
বৈ থাকিম...
আকাশৰ পৰা শব্দ ল'ম
মেঘে আনি দিব এনে শব্দ
য'ত গাজনি নাই অথচ বৰষুণ হ'ব..
আশাৰ বৰষুণ..

# জুই

**মণিকা গগৈ শইকীয়া**
চাবুৱা

দপ দপকৈ জ্বলি উঠিল
একুৰা জুই
চাৰিওফালে...
আহক  বা নাহক শীত
পকা  আঙঠাত
দেহাবোৰ  সেকিবলে।
বজাৰত জুই, পথাৰত  জুই
নষ্ট প্ৰেমিকৰ হৃদয়ত জুই!
জুহালতো জ্বলে জুই
দুৰ্ভীক্ষই  থাকে পদপথত
তৰা গণি গণি শুই ।
ৰাজ আলিত টায়াৰ জ্বলাই
কোনে কৰে প্ৰতিবাদ
ভোগৰ লালসাত
কোনো  কোনোৰে
হৈ পৰিছে উন্মাদ!
তোমালোকেই দেখোন উৰুৱাইছিলা
শান্তিৰ কপৌ জাক।
বানে  ধোৱা পথাৰত
কৃষকৰ সপোনে কান্দে,
ৰাতিৰ আন্ধাৰত আঁউসীৰ জোনে
কাক হাত বাউলী মাতে।
পূবৰ পৰা পশ্চিমলৈ
শিশুৰ পৰা বৃদ্ধলৈ
তেজৰ চেকুঁৰালগা কলিজাখনত
কেৱল জুইৰ উত্তাপ
নিপাত গ'ল নেকি
মহামিলনৰ উছাহ?
বেলিৰ মুখতো আছে জুই
মানৱতা আছে মৰিশালিত শুই।
শাওনৰ পথাৰত
কোনে জুৰে শীতৰ বিলাপ
আঘোণো থাকিব
ভিক্ষাৰীৰ কান্ধৰ জোলোঙাত।

# অভিমানৰ জোলোঙাখন

**সংগীতা মাইনা ডেকা**
ৰঙিয়া

তোমাৰ অভিমানবোৰ
এই শুকান বালিচৰত
সেউজীয়াত্বৰ ৰহণ সনা...

স্পন্দনৰ কোঁহে কোঁহে,
ৰাইজাই কৰে দেখোঁ...
বুকুত পল্লৱিত,
এজাক গোলাপৰ ধুমুহাই।

আহিবা নে তুমি... ?
মই নামাংকিত পৃথিৱীখনৰ,
শুষ্ক মৰুদ্যানলৈ...
যেতিয়া...
যেতিয়া সেই ব্যস্ত পৃথিৱীখন,
পূৰ্ণ ৰূপে শুই পৰিব...
তেতিয়া,
শব্দৰ সঙ্গই জানা আমাৰ,
কবিতাৰ বোল সানিব...

ধূসৰ, ধূসৰ স্মৃতিবোৰ সামৰি...

# আকাশখন দূৰলৈ আঁতৰি গ'ল

**হৰেকৃষ্ণ ভূঞা**
ৰূপনগৰ, গুৱাহাটী

আমি সৰু থাকোঁতে
ঘৰবোৰ বহুত ওখ আছিল।
দুৱাৰৰ ওপৰৰ খিলিবোৰ
দেউতাৰ সমান আছিল।
চোতালৰ ঠিক ওপৰতে আছিল
তৰাভৰা আকাশখন।
দ্বিতীয়াৰ জোনবাইটোৱে শিৰিষৰ ফেৰেঙনিতে
কুঁচিমুচি শুইছিল।

বিলৰ পাৰত এখন
হালধীয়া পথাৰ আছিল।
নাঙলৰ পিছে পিছে
বগলীবোৰ উৰি ফুৰিছিল।

আমি সৰু থাকোঁতে
মোমাইহঁতৰ ঘৰখন বহুত দূৰৈত আছিল।
বাছৰ খিৰিকীৰে চাই ৰৈছিলোঁ
পিছলৈ গৈ থকা দূৰণিৰ গাঁওবোৰ।

আমি সৰু থাকোঁতে
ৰঙচুৱা কেঁচা পথৰ ওপৰেদি
কাৰৈ মাছে বগুৱা বাইছিল ।
সৰু সৰু পুঠিমাছে সেন্দূৰৰ ফোঁট লৈছিল।

গাঁৱে গাঁৱে ক'বলৈ অলেখ কাহিনী আছিল।
একেটা কাহিনী বহুত দিনলৈ চলিছিল।

আমি সৰু থাকোঁতে
সোনকালে ডাঙৰ হ'বলৈ মন গৈছিল।
সপোনত একোজোপা তামোল গছৰ সমান
ওখ হৈ
তৰাবোৰ ছিঙি আনি
হাফ্‌পেন্টৰ জেপতে ভৰাই থৈছিলোঁ।

ওখ ওখ ঘৰবোৰ
চাপৰ হৈ গ'ল।
আকাশখন দূৰলৈ আঁতৰি গ'ল।
জোনবাইৰ শহাটোও হেৰাই থাকিল ।
অট্টালিকাৰ দিগন্তত তৰাবোৰো লুকাল।

# সোৰণশিৰিৰ বুকুৰেদি চম্পাৱতীলৈ

**ৰীতামণি ডেকা ভৰালী**
চেন্নাই

এতিয়া বিয়লি বেলা !
এক দীঘলীয়া পৰিক্ৰমাৰ অন্তত
খিৰিকীখন খুলি লৈছোঁ,
পৰ্দাখনো আঁতৰাই থৈছোঁ
আবেলিৰ বেলিটোৰে
সময়ৰ বুকুৰেদি সন্ধিয়া নিগৰাই
হেঙুলী ৰহন ছটিয়ায় ...

সাগৰখন নাতি দূৰৈত
অগনিত তপ্ত দুপৰীয়াটোতো
চকুত চমকনি,
এনে সময়ত
সন্ধিয়াৰ শীতল বতাহজাকৰ
সদা প্ৰয়োজন।

সাগৰখনেহে মনলৈ আনিলে
তাহানি সোৰণশিৰিত
সোণ বিচৰাৰ কথা
হাতেৰে লিৰিকি বিদাৰি
স্বপ্ন স্পৰ্শৰ কথা...

দুহাত প্ৰসাৰী সামৰিব খোজোঁতেই
নৈখনৰ বক্ষত সকলো গ'ল
সপোনবোৰ কাঁইটীয়া হৈ
চম্পাৱতীলৈ ঢপলিয়াই
তথাপিও হাঁহিৰেই চকুলো বোৱায় ...

ভাবিছা চাগে মই কেনে আছোঁ ...
কাঁইটৰ মাজতেই গোলাপৰ জীৱন সুৰভি
অক্ষুণ্ণ সৌৰভ সময়ৰ বোকোচাত
সময়বোৰ সৰি পৰে, গোলাপৰ পাপৰিৰ দৰে
আশাবোৰ জ্বলে, হিয়াখন মৰে

তথাপিও হাঁহে, জীৱনে যে টানে
প্ৰাপ্তি আৰু অপ্ৰাপ্তিৰ দোমোজাত
জীৱনৰ ফলিখন
সুখ-দুখৰ সাঁথৰত মহুৰা হৈ ঘূৰে।

অনুভৱে হাঁহে
হাঁহিবোৰৰ আঁৰত দুখবোৰে উচুপে,
নোৱাৰে সাগৰত বিলীন হ'বলৈ
সাগৰৰ শৰীৰ শীতলাবলৈ,
নোৱাৰে জোনাক হ'বলৈ
অপূৰ্ণ জোনক পূৰ্ণতা দিবলৈ,
নোৱাৰে জ্বলি জ্বলি নিঃশেষ হ'বলৈ
নোৱাৰে আৰু হাঁহিবোৰৰ আঁৰত
দুখবোৰ লুকুৱাই ৰাখিবলৈ,
আবেলিৰ বেলিটো হৈ ...।

# তৃষ্ণা

**যোগেশ বিকাশ গগৈ**
লক্ষীপথাৰ ডিগবৈ

তৃষ্ণা আছে
জোনবেলি তৰাৰ
আছে মোৰো..
সেই বাবেই বিচাৰোঁ
উমাল সানিধ্য
পাটকাইৰ ইপাৰে সিপাৰে,
গোলাঘাটৰ জি. এফ. ফুট পাথত,
পিপলতল দুলিয়াজানত,
যোৰহাটৰ বৰুৱা চাৰিআলিত
গুৱাহাটীৰ জালুকবাৰীত আৰু
কামাখ্যা মন্দিৰত...।

আকৌ দিল্লীৰ ইন্দিৰা গেটত
নহ'লে প্ৰেমৰ সমাধি তাজমহলত
নতুবা কলিকতাৰ সোণাকাচিত
তাতো বিচাৰোঁ কবিতা!

কাশ্মিৰৰ হিমচেঁচা গিৰিপথত
কেতিয়াবা থৰ মৰুভূমিত
তাতো আছে কবিতা,
কাশী মথুৰা বৃন্দাবনতো
বিচাৰোঁ কবিতা
তৃষ্ণাতুৰ কবি মই
সপোন আৰু দিঠকৰ...।

# অস্পৃষ্ট

ডাঃ ৰিদিপ বড়া
যোৰহাট

মোৰ বুকুৰ বাঁহীৰ সুৰে
তোকেই সামৰে
যিদৰে দিগন্তই সাৱটি লয় বেলিক...
নুচুৱাকৈ... ।
নিমগ্ন ৰাতিৰ গভীৰ আন্ধাৰবোৰহে
কেৱল সাক্ষী হৈ ৰয়
হেঁপাহ মন্থনৰ জমা খৰছৰ
কোনেও নজনাকৈ।
বকিয়া চিগা পথাৰতো
শইচ সিঁচা মানুহ মই,
অস্পষ্ট পৰশেৰেও জীপাল কৰিব পাৰো
তোৰ নীৰৱ সপোনৰ গান।
যাত্ৰা কঠিন
কিন্তু নামবিহীন...
হেঙুলীয়া হ'ব ধৰা কলিজাৰ শপত
মোৰ বুকুৰ বাঁহীৰ সুৰে
তোকেই সামৰে।

# ফটা ঢোলৰ মাত

**ড° ৰঞ্জিত দত্ত**
লিডু

আমি বজাইছোঁ
দিনৰ উজ্বল পোহৰত,
আমি বজাইছোঁ
নিশাৰ অন্ধকাৰতো,
সমালোচনাৰ অগনিৰে নিঃশেষ কৰি কাৰোবাক..
নিজেও গাইছোঁ মালিতা
অতি কৌশলেৰে।
বাদনৰ ছেওবোৰ একেই
কোববোৰ বেলেগ বেলেগ
গাইছোঁ অকলে
শতিকাৰ ডেওনা চেৰাই
জীৱনৰ নতুন মালিতা...।
সকলোৰেই প্ৰগতিৰ
যেন একো একোজন
অতিবিশিষ্ট নতুন ওজা ।
দিগন্তত হেৰাব খোজে
মঘাই ওজাৰ ঢোলৰ চাপৰ
আৰু মালিতাৰ মাদকতা,
শুকান ঘাঁহবোৰকে
নিৰন্তৰ পাগুলি
পাহৰি পেলাইছোঁ
সেউজীয়া উপত্যকাৰ
কুমলীয়া ঘাঁহবোৰ;
ফটা ঢোলৰ চাপৰত
নাচি নাচি শিং পাতি
সাজু আছোঁ যুঁজিবলৈ
নতুন ঘাঁহৰ সোৱাদে
নিপোটল কৰা
দমৰাটোৰ সতে।
এইয়াও এক সংঘাত
নতুন আৰু পুৰণিৰ
চিৰন্তন প্ৰতিঘাত
ছন্দহীন মালিতাই
কাণ ঘোলা কৰা
যেন ফটা ঢোলৰহে মাত।

# সেই গুপুত গল্প

**ভূমিকা দাস**
কাহিলীপাৰা, গুৱাহাটী

কিয় নহ'ল কোৱা
শৰতৰ কথা... ?
কি বৈ গ'ল নেজানিলা
তোমাৰ পদূলিৰ দুবৰি ডৰাত !
নিয়ৰে বছা দলিচাত বহি
এসন্ধ্যা পাতিম দিয়া সেই কথা...
যি কথা শুনি চেঁচা পৰা কায়াত
ওমলিব ৰ'দৰ ঢৌৱে...

আহিনৰ কুঁৱলী ফালি দিম
একাঁজলি শৰতৰ শুভ্ৰ শেৱালি
তোমাৰ ওপজাদিনত।

তুমি বাৰু উমান পোৱা নে নোপোৱা..

বুকুৰ উমেৰে গঁথা জকমকীয়া মালিতা
শৰতৰ আবেলিত লিখা তোমাৰ হিম হিয়া গলা কবিতা,
কঁহুৱাৰ শুভ্ৰ চাদৰৰ আঁৰত থকা
বিৰহ বেদনা...
সকলোৱে পাতিম শাৰদী সন্ধ্যা...
জোন তৰাই কাণে কাণে ক'ব
তোমাৰে মোৰে হিয়া দিয়া নিয়াৰ বিৰহ গাথা...

লিখোঁ-নিলিখোঁ কৈ লিখি পেলালোঁ
সাঁজৰ তৰাৰ কাহিনী
বুকুৰেদি বৈ যাব খোজে...

**ষষ্ঠ ভাগ**

**সম্পাদনা**

উষামণি শইকীয়া



# 'মা' এগৰাকী নাৰী

**অমৰজ্যোতি ঘোষ**
ঢকুৱাখনা, লখিমপুৰ।

তুমি প্ৰতীক
এগৰাকী নাৰীৰ...
তুমি তুলনাবিহীন
অসীম গুণৰ অধিকাৰী...
সাহস, ধৈৰ্য্য, মৰম-স্নেহ
তোমাৰ আভৰণ...
তুমি সুখ-দুখৰ সমভাগী...
দুখ-কষ্টৰ তুমি আজন্ম প্ৰেমিকা...
তোমাৰ বুকুতে জন্ম হয় প্ৰেমৰ...
তোমাৰ সহনশীলতাত
প্ৰাণ পাই উঠে
অনেক নিষ্ঠুৰ হৃদয়...
তোমাৰ কোমলতাত
ভৰি পৰে ধৰাত
প্ৰেম-ভালপোৱাৰ নদী...

# ডাকোৰাল কলং

**শুক্লেশ্বৰ নাথ**
ডিগবৈ

কাজলী মুখেৰে
আজলি ভৰাই আনিলি
প্ৰেমৰ এসোঁতা জীপাল বাণী
আজো ককাই কয়
ব্ৰহ্মপুত্ৰৰ হিয়াৰ খবৰ
কপিলীলৈ কঢ়িওৱা
তই হেনো পাহোৰাল বাহক
ডাকোৰাল প্ৰেমৰ।

কলং
তই আমাৰ আজন্ম চিনাকি সুঁতি
নগএঁা বুৰঞ্জীৰ
সাঁচি পাতৰ পুথি
আদিযামালেও কয়-
ব্ৰহ্মাৰ পুত্ৰই
কপিলীক বিয়া কৰিলেই
পৃথিৱী ধ্বংস হ'ব নিশ্চয়।

কলং
তোৰ স'তেই হিয়া দিয়া নিয়া
বাৰেউটি কাল আমাৰ
তই গাভৰুৰ লাজৰ ৰিহা -মেখেলা
তোৰ বুকুত কিমানৰ যে হা-হুমুনিয়াহ
কিমানখন হিয়াৰ মিলন ঘটালি তই
আৰু কিমানৰ কাঢ়িলি সপোন হৃদয়
ৰাখিছনে হিচাপ সিবোৰৰ
বাৰিষা তোৰ উত্তাল বুকুত
সহস্ৰ কৃষকৰ চকুলো সৰে
কান্ধৰ নাঙল-যুঁৱলি
বৰঘৰৰ মূধচত উঠে
ঘৰৰ ছালে পানী কাটে।

কলং
তোৰ স'তে
গিয়ান হ'বৰে পৰা
খেলো,
সুখ-দুখৰ কথা পাতো
তোৰ দুয়োপাৰৰ শত সহস্ৰ ইতিহাস
বুকুত গুজি
বৈ আছ বৈ থাক নিৰবধি।

কলং
বৈ থাক তোৰ নিজস্ব গতিৰে
নক'বি কাহানিও কপিলীক
বুঢ়া লুইতৰ কৰুণ প্ৰেম
হিয়া ভগা অতীত কাহিনী
আদিযামাল আৰু আজোককাৰ
কথাবোৰ সঁচা হ'লে
কাৰ স'তে হৃদয় বিনিময় কৰিবি
সুখ কিম্বা দুখৰ কথা পাতিবি ?

কলং
তই কলংক নল'বি
কলং হৈয়ে বৈ থাক
যুগ-যুগান্ত সামৰি ।

ব্ৰহ্মপুত্ৰ
কলং
কপিলী
ভাগে ভাগে বৈ থাক
উত্তাল নহ'বি কদাপি
তহঁত আমাৰ গৌৰৱ
সাঁচতীয়া বুৰঞ্জীৰ সাঁচিপাত একোটি।

# বিলম্ব কৰিলা প্ৰেয়সী

**ছাহজাহান আলী আহমেদ**
বৰপেটা

অমানিশাৰ তমসাবৃত ৰাত্ৰি
হৃদয়ৰ নিবিড় বাতায়ন খুলি
ৰূপক ছন্দ উপমাৰ বৰমাল্যৰ স'তে
অধীৰ উৎকণ্ঠাৰে ৰৈ আছিলোঁ
মৰম উপচাই তোমাক আদৰিব'লে।

নিৰিহ লিহিৰি সুগন্ধি গোলাপৰ পাপৰিত
তিৰবিৰণি তোলা নিয়ৰ কনাৰ দৰে,
তমসা গচকি গজগামিনী খোজেৰে,
ভাৱনাৰ একাঁজলি হেঙুল ৰেঙণি কঢ়িয়াই তুমি
আহিবা বুলি লোকচক্ষুৰ অন্যূন অগোচৰে।।

পিছে, বিলম্ব কৰিলা তুমি আজন্ম প্ৰেয়সী!
নিদ্ৰা কুঁৱৰীয়ে আঙুলিৰ বুলনিৰে তুলি ল'লে মোৰ
সমগ্ৰসত্বাক তাইৰ কোমল ঔৰসত,
আতোলতোলে,সংগোপনে ক্ৰমে-ক্ৰমে -
তোমাৰ আগমনৰ অনেক পূৰ্বতে।

মেজৰ ওপৰত সাক্ষী হৈ ৰৈ থাকিল
মাথোঁ মোৰ অলস বিতচকু যুৰি,
নিঠৰ কাপ, সুগন্ধি মহীভৰা মৈলাম আৰু...
আৰু আমাৰ ফুলশয্যাত পাৰিবলৈ অনা
এখিলা নিসংগ ফুলাম উকা কাগজ ।।

# বেমাৰ

**ৰুণ্মী শইকীয়া**
ঘিলামৰা, লখিমপুৰ

এটা বেমাৰ কঢ়িয়াই ফুৰিছোঁ
ভালে নথকাৰ বেমাৰ।

আকাশলৈ চাওঁ , হেঁপাহ পলুৱাই চাওঁ
অথচ বেমাৰটোৱে লগ নেৰে
নদীৰ পাৰত , গছৰ তলত বহোঁ
বেমাৰটোৱে লগ নেৰে।

বন্ধুৰ লগত কথা পাতো
বেমাৰটোৱে লগ নেৰে;
কান্দো, চিএঞৰি চিএঞৰি কান্দো
বেমাৰটোৱে লগ নেৰে।

আজি কিছুদিন ধৰি
ভালে থাকিব পৰা নাই
পৰা নাই
বেমাৰটোৱেও।

# ভাল খবৰচোন একোৰেই নাই

**গীতা শৰ্মা**
মুম্বাই, মহাৰাষ্ট্ৰ

আই, তই কৈছিলি
বেয়া খবৰবোৰ নপঢ়িবলৈ
মনবোৰ হেনো বেয়া হয়
এতিয়া কি কৰোঁ আই
ভাল খবৰচোন পঢ়িবলৈ নাই
ৰোগ, শোক, দৰিদ্ৰতা, লুণ্ঠন, ধৰ্ষণ
সেইবোৰেই দিনে ৰাতি মূৰত পাগুলিয়াই
আগে পিছে সোঁৱে বাওঁৱে
হাঁহে দাঁত নিকটাই
ভাল খবৰেই যে নাই ।

ময়ো ৰোগাগ্ৰস্ত মা
মোৰ ঘৰত এতিয়া নিৰ্জনতা
কাঁহ পৰি জিন যোৱা ,
সেই নিৰ্জনতাই মোৰ হাড় কঁপায়
মোৰ বিষণ্ণ পদূলিত এতিয়া চৰাই চিৰিকটি এটিও নাই,
গধূলি গোপাল জোপাও মৰহিল
মোৰ চোতালৰ বিষাদত পূৰ্ণিমাৰ জোনাকো ডুব যায়
মাথোঁ জ্বলে দীঘল শলিতাৰে সৈতে এগছি চাকি
তেওঁৰ বাবে
কিজানিবা আহিয়েই পায় ,

ময়োতো ৰুগীয়া, নিৰ্বাক ,অচল
মোৰ ঘৰ শূন্য, মন শূন্য,
শূন্য মোৰ শৰীৰ আৰু আত্মা ।

কাইলৈৰ কাকত
তইয়ো নপঢ়িবি আই
শোকে তোৰ বুকুত খুন্দিয়াব,
কি কৰোঁ
ভাল খবৰ যে একোৰেই নাই,

# মায়াজাল

**বন্দনা তালুকদাৰ**
গুৱাহাটী

দূৰৈৰ পৰা ভাঁহি আহিছিল
প্ৰাশ্চাত্য সংগীতৰ সুৰ... !

কয়লা আৰু খৰিৰ সংমিশ্ৰণৰ উত্তাপত
নামি অহা অন্ধকাৰেও উম লৈছিল... ।
অবুজ স্বৰ্ণমালাৰ মাজতে
ছন্দে ছন্দে লয়লাসী হৈ উঠিছিল
মোৰ সৃষ্টিশীল কমনীয়তা... ।

মাটিৰ গোন্ধতেই জীৱনৰ সোৱাদ... ।
দাঁতৰ ফাঁকেৰে বৈ যোৱা কুঁহিয়াৰৰ ৰসৰ
মিঠা সোৱাদ আৰু...
ল'ৰালিৰ এঠেঙীয়া জাপ... ।

নিৰ্ভেজাল দেশীয় সবলতা আৰু বৈ যোৱা ঘাম...
তাতেই প্ৰতিদিনে নতুন আশাই গঁজালি মেলে...

কিয় বাৰু আজি
সুদূৰৈৰ সেই সংগীততো মোৰ কামনাৰ জুই
জ্বলে...
প্ৰাচ্য প্ৰাশ্চাত্যৰ সুৰ একাকাৰ হৈ পৰে
চগা পোক হৈ মোৰ সত্বাই মাথোঁ সুৰৰ
মায়াজালত
নিজকে হেৰুৱাব বিচাৰে...
মনে কেৱল সৌৰশক্তিৰ বিশালতাৰ পৰিধি ভাঙি
একক সুৰ শক্তিত বিলীন হ'ব বিচাৰে।

# বিশ্বাস

**দেৰীনা পামেগাম পেগু**
ধেমাজি

হৃদয়ত এমুঠি সেউজীয়া সিঁচি
কিয় ড্ৰেগনৰ বিষ বিয়পালা,
সেউজী পাতৰ কাহিনী লিখাত
লাগে জানো হালধীয়াৰ আশ্ৰয় !!

বুকুত থিতাপি ল'বলৈ
মিথ্যাচাৰৰ আছেনে প্ৰয়োজন,
আবেগ আৰু বিবেকৰ খেলত
কিয় কৰা মুখাৰ সংযোজন !!

বন্ধুত্বই নিবিচাৰে হিমালয়ৰ
সম উচ্চমৰ্যাদা
নিচলাৰ বুকুতো ফুলি উঠে
সুগন্ধি খৰিকা-জাঁই,
লাগে মাথোঁ বিশ্বাস, সততা
আৰু হৃদয়ৰ আদ্ৰতা
য'ত পোখা মেলি উঠে এজোপা আস্থাৰ গছ!!

# পিতাইৰ ঘামত সাৰুৱা হৈছিল পথাৰ

**মানস দত্ত**
গড়পৰা কোঁৱৰ গাঁও, ডিব্ৰুগড়

পিতাই তোৰ হেৰাই যোৱা দিনবোৰ বিচাৰি পাইছিলোঁ
সিদিনা
বোৱাৰী পুৱাতে বলধ হালৰ পাছত তই আৰু
কান্ধত তোৰ নাঙল যুঁৰলি।

চহৰখন সাৰ পোৱা নাছিল তেতিয়া
সাৰ পোৱা নাছিলোঁ মই
সাৰ পোৱা নাছিল আন বহুতো।

আকৌ এবাৰ দেখা পালো
তোৰ হেৰাই যোৱা দিনবোৰ
পোহৰে পাখি মেলাৰ আগতেই
পৃথিৱীৰ বুকু ফালিছিলি নাঙলৰ সীৰলুত।

দেখা নাপাওঁ তেনেকৈ সতকাই এতিয়া
নদীৰ পানী আৰু বৰষুণতকৈ
তোৰ কপালৰ ঘামেহে সাৰুৱা কৰিছিল পথাৰ।

পথাৰখন গৰ্ভৱতী হৈছিল
সেউজীয়াৰ জন্ম হৈ
আশাবোৰ বতাহত উৰিছিল
সাহসেৰে মোনা ভৰিছিল।

পথাৰে আজিও বিচাৰে তোক
বিচাৰে তোৰ কপালৰ ঘাম
বিচাৰি আছে তোৰ হাতেৰে দিয়া নাঙলৰ মৰম।

মোক আঁজুৰিছিলি ক'তবাৰ পিতাই
পথাৰৰ বোকা গাত সানিবলৈ
মই যে দেও দিয়া বালি চৰাই
তোৰ ঘাম লগা কামিজৰ গোন্ধ ল'বলৈ
মই ব্যস্ত আৱতৰীয়া বতাহত।

তই উচুপি উঠিছিলি
পথাৰ বন্ধ্যা হৈছে
তোৰ কপালৰ ঘাম গাতে শুকাইছে
সেউজীয়াবোৰে অতীতলৈহে পাখি
মেলিছে।।

# সুখৰ সংজ্ঞা

**মণিৰূপা মিশ্ৰ**
জালুকবাৰী, গুৱাহাটী

মই দুখৰ নিহালিত
সুখৰ উত্তাপ বিচাৰি ফুৰোঁ,
সুখৰ বাবে দুখক ঠেলি
জীৱনক পৰিমাৰ্জন কৰোঁ।

দুখ মোৰ ছাঁয়া
সুখ মোৰ কায়া,
মোৰ বাবে দুখ
স্বচ্ছ আৰু সুন্দৰ,
মোৰ বাবে সুখ
অনাভিপ্ৰেত এজাক ধুমুহাই
তচ্ নচ্ কৰি থৈ যোৱা এজোপা বৃক্ষ
পুনৰ সেউজীয়া হোৱাৰ সংকল্প।

দুখ মোৰ চেতনাত,
সুখ মোৰ অনুভৱত।
আচলতে অন্তহীন সমস্যাক সামৰি লৈও
সুদূৰ পৰাহত সুখৰ বাট চমুৱাব পাৰি।
সেয়ে সূৰ্য কান্তৰ জ্যোতিৰে দীপ্তমান হ'বলৈ
দুখৰ নিহালিতে সুখৰ উত্তাপ বিচাৰি ল'ম
সুখৰ স্বচ্ছতাৰে দুখক আৱৰি ৰাখিম।

# নাৰী

ডাঃ মৃন্ময় কুমাৰ নাথ

মই নাৰী,
যুগে যুগে নিষ্পেষিতা,
শোষিতা,
নিৰ্যাতিতা।
স্বকীয় পৰিচয়েৰে
জিলিকিব খুজিলেও
নাই মোৰ নিজা চিনাকি ।
কাৰোবাৰ কন্যা
কাৰোবাৰ পত্নী
কাৰোবাৰ মাতৃ
অথবা কাৰোবাৰ বোৱাৰীয়েই
মোৰ শেষ ঠিকনা।
যুগে যুগে শোষণ, বঞ্চনা, নিৰ্যাতনৰ
সাক্ষী হৈ আছে পাৰ হৈ যোৱা সময়বোৰ।
ইতিহাসৰ পাতে পাতে লিখা আছে
দুখ ভৰা ত্যাগৰ
অলেখ কাহিনী।
আঁকা আছে প্ৰৱঞ্চনাৰ
অজস্ৰ কৰুণ ছবি।
অন্ধ স্বামীৰ সহধৰ্মিণী হৈ
ক'লা কাপোৰেৰে সুউজ্জ্বল
দুচকু ঢাকি ৰখা
ৰাজন ধৃতৰাষ্ট্ৰৰ পত্নী,
শত কৌৰৱৰ মাতৃ
গান্ধাৰী।
সেই চৰম ত্যাগী গান্ধাৰীৰ আছে
কোনেও উপলব্ধি নকৰা
সীমা হীন যন্ত্ৰনাৰ বিষাদ গাঁথা।
শত পুত্ৰক হেৰুওৱাৰ বেদনা
বুকুত বান্ধিও স্থিৰ হৈ থকা
গান্ধাৰী যে যুগে যুগে কাৰুণ্যৰ প্ৰতীক।
পিছে মাঁথো এজনী গান্ধাৰীয়েই জানো
দুখুনী নাৰীৰ
দুখ আৰু যাতনাৰ জীৱন্ত দলিল ?
বুৰঞ্জীত আজিও লিখা আছে সেই সত্য
যি সত্যই কৈ যায়
জনক নন্দিনী সীতা,
অহল্যা, যশোধৰা, উৰ্মিলা, ধাতৃ পান্না
অথবা জয়মতীৰ
শোক ভৰা কাহিনী।
আজিও আছে তেনে
বহু অলিখিত অকথিত
বেদনাৰ নিদাৰুণ গাঁথা।
দুখ কষ্ট ত্যাগ সহিবৰ বাবেই
হয়তো জন্ম নাৰীৰ।
সময় বালিত আছে
স্বাক্ষৰ তাৰ।
অস্তিত্ব স্বীকৃত হ'লেও
যাৰ দুখ, কষ্ট, ত্যাগৰ মূল্য
কাৰো বাবে নাই।
পুৰুষৰ দৃষ্টিত
অবলা, দূৰ্বলী, অজ্ঞানী
বুলিয়েই হয়তো নাৰী
বিবেচিত হৈছে
যুগ যুগান্তৰ।
কিন্তু সেই ভ্ৰান্ত ধাৰণাক মষিমূৰ কৰি
অনন্য ইতিহাস ৰচি

দেশে দেশে উজ্জ্বলি আছে নাৰীৰ অজেয় কাহিনী।
লক্ষ্মী বাই, মূলা গাভৰু, কনকলতা, জয়মতী, কল্পনা
চাওলা অথবা মালালা
আজি সাহসৰ এক
জীৱন্ত দস্তাবেজ।
তথাপি আজিও
শোষিতা, নিষ্পেষিতা, ধৰ্ষিতা হয় নাৰী
সভ্যতাৰ মুখা পিন্ধা
এচাম অমানুহৰ হাতত।
পাশৱিক অত্যাচাৰৰ বলি হয়
কাৰোবাৰ পুত্ৰ, কাৰোবাৰ স্বামী, অথবা কাৰোবাৰ
পিতৃৰ হাতত।
সেই কলংকিত কাহিনীও আছে
সভ্যতাৰ পাতে পাতে ।
কোনোবা দিনা ইতিহাস সলনি হ'ব নে
যিদিনা নাৰী হৈ ৰ'ব
সাহস প্ৰেৰণা কৰুণা কিম্বা
আদৰ্শৰ প্ৰতীক,
যিদিনা সেই নাৰীয়ে পাব যোগ্য সন্মান
যি নাৰীয়ে যুগে যুগে
যুগে যুগে সহি আছে অলেখ যাতনা
পাবনে এক স্বকীয় পৰিচয়!
যাৰ সত্বাত আছে
এখন দেশ, এটা জাতি
অথবা মানবীয় গুণৰ
এচাম সঁচা মানুহ জন্ম দিয়াৰ
এক দুৰ্জেয় প্ৰতিজ্ঞা?

**সপ্তম ভাগ**

**সম্পাদনা**

মৌচুমী ৰাজখোৱা



# তোমাৰ আৰু মোৰ মাজত

**কেশৰ চাউ**
দীৰ্ঘা লীলাবস্তি, লখিমপুৰ

মোৰ পৰা তোমালৈ গুচি যোৱা কথাবোৰ
আৰু তোমাৰ পৰা মোলৈ উভতি অহা কথাবোৰ
দুয়োৰে বাবে বৰ জটিল ব্যাধি!

কি আছে কথাবোৰত
পানীৰ দৰে পনীয়া,
নিমখৰ দৰে লুণীয়া
পাহাৰৰ দৰে ওখ
আকাশৰ দৰে আহল-বহল!

কি নাই কথাবোৰত
শইচৰ পিয়াহ
মাটিৰ মায়া
ৰ'দৰ তাপ
শীততকৈও শীতলতা!

অলপ ওলোটাকৈ বুজোঁ আহা
শেৱালি ফুলা ৰাতিত
এহাল পাহাৰী চৰায়ে গোপনে গোপনে
দুয়োৰে শুকান চকুত পৃথিৱীখন দেখে!
(আমি নেদেখিলোঁ যি)
গছ উভালি পৰা ঠাইত
পাতবোৰে ইজনে সিজনক সাৱটি ধৰে!

এইবোৰ কৈ কৈ শেষ নহ'ল যি
তোমাৰ আৰু মোৰ মাজত
বাকী থাকিলেইবা কি?

# মা

**মৌচুমী দেৱী**
মাজুলী

কাৰ্পুনপুলি ৰাতিৰ সুৰ এটি হৈ
দেউতাৰ বুকুত যি ৰৈ ৰৈ বাজিছিল ...
তেওঁ আছিল মা।

দেউতাই তেওঁৰ পদপথত পাৰি দিয়া
বিশ্বাসৰ বুলনি কাপোৰৰ ওপৰেৰে
ডেকাচাঙৰ পৰা বৰঘৰলৈকে যি কৰিছিল এক
আত্মত্যাগী লহঙা যাত্ৰা।
তেওঁ আছিল মা।

জন অৰণ্যয়েদি বিৰ দি
বৰ্ণভেদৰ প্ৰাচীৰ ভাঙি আহি থাকোঁতে
তাচ্ছিল্যৰ বতাহে জপটিয়াইছিল মচাং এগে
তথাপি থমকি ৰোৱা নাছিল মা
আপোন মানুহৰ মাজত তেওঁ হয়তো অনুভৱ
কৰিছিল আৰণ্যক নিৰ্জনতা
সেয়ে তেওঁৰ তেজত ফুলা ফুলপাহৰ নাম
ৰাখিছিল নৈমিসা

এক দুই তিনি চাৰি
যুটি দিলে গৰু গাড়ী
এনেকৈ গীত গায় যি আমাৰ শৈশৱ
নিচুকাইছিল
শিকাইছিল বাস্তৱৰ গাণিতিক ছলনা
তেওঁ আছিল মা

ভাতৰ কাঁহী সমুখত ৰাখি
নাখাও -নথও ঠেহ-পেচৰ মুখৰ সময়
নীৰৱ হৈছিল
যেতিয়া মায়ে আমাক কৈছিল ...
কাহিলীপুৱাতে মৰগীয়া হালবোৱা দেউতাই
চহাই-মৈয়াই ভাঙিছিল দলি
বোকা ফেনেকি ৰুইছিল উশাহৰ গজালি
পইঁতা ভাতেৰে ভোক মাৰি
লিখিছিল আমাৰ সুখৰ ভাগ্যলিপি ।

গুমৰাগ চঃমানৰ ৰাতিটোত হেঁপাহৰ টোকোৰা
পঁজাটি সাজিবলৈ,
যাৰ হাত খামুচি তেওঁ গুচি আহিছিল,
সেইখন হাত পুহৰ ঠেটুৰৈ জাৰৰ নিশা নিথৰ
হৈছিল ।

সেইখন জানো কেৱল হাত আছিল?
আছিল মিচিং মিপাকৰ সমন্বয়ৰ সাঁকো ।

তুলসীৰ তলত মানুহজন শুই আছিল
উদং হৈ আছিল খামিডাঠ বুকুখন
নাছিল তাত প্ৰেমৰ গুণ গুণ।

চাংঘৰৰ জখলাৰে নামি অহা ভৱিষ্যতমুখী
ভৰিদুখন
সমুখত শুই থকা জীৱনটোৰ কাষ চাপিব
নোৱাৰিলে।
ভৰিৰ নখেৰে পতাৰ তলৰ মাটি খামুচি
হাউলী নপৰাকৈ স্থবিৰ হৈছিল মা।

দেউতাৰ নিথৰ ভৰিৰ বুঢ়া আঙুলিৰে
পৰম্পৰাই মচি দিছিল
মাৰ কপালৰ ৰঙা বেলি।
শিৰৰ শুভ্ৰতাত ভালপোৱাৰ ৰঙা হৈ বহা
মানুহজন
বাৰীৰ হিজল জোপাৰ তলত ছাই হৈ পৰিছিল।

শেহ নিশাৰ বৰষুণে নুমুৱাইছিল চিতাগ্নি
অথচ মা আজিও সোঁৱৰণিৰ বৰষুণত জুৰুলি
জুপুৰি।

আমিবোৰ চৰাই আছিলো
আকাশ বিচাৰি উৰি আহিলো।

এসময়ৰ ৰ'দ ঘাই চোতালখনত
দেউতাৰ পৰা আমালৈ
তাঁত বাটি কৰি কৰি
আজিও ভাগৰি নপৰা মানুহজনী মা
স্মৃতিৰ দেওলগা ঘৰটোৰ তেওঁ ৰখীয়া
দুখৰ আন্ধাৰত থাকিও যি আমাৰ বাবে কৰে
প্ৰোজ্জ্বল প্ৰাৰ্থনা
তেওঁ মা ।

দেউতা আজি আমাৰ বাবে লুণীয়া কাবান।
মাৰ বাবে তেওঁ সপোনৰ কলতান।

# ৰঘূমলা

**প্ৰাগজ্যোতিষ শইকীয়া**
সাপটগ্ৰাম, ধুবুৰী

তোৰ টোপনি কাঢ়ি
মই টোপনি গ'লোঁ

ভোক কাঢ়ি
ভাত খালোঁ

তোৰ তেজ কাঢ়ি
মই নোদোকা হ'লোঁ

অসুখবোৰ তোক দিলোঁ
দুখৰ বিনিময়ত সুখ ললোঁ

তথাপি মমতাৰ আঁচলেৰে মেৰিয়াই
আজিও মমতাময়ী আই

অভিমান নাই, নাই আক্ষেপ
নাই দুখ, ভাগৰো নাই

চকুৰ পানীতো
চেনেহৰ অফুৰন্ত জোৱাৰ

এতিয়া
মই কাঁটা চামুচেৰে
মাংসৰ টুকুৰা মুখলৈ নিয়াৰ পৰত
তোৰ কঁপা কঁপা জঠৰ আঙুলিৰ ফাঁকেৰে
সৰি পৰে মুখলৈ নিয়া ভাত

দ্বিতীয় টুকুৰা মাংসও
তৃপ্তিৰে চোবাওঁ...

# নিৰুদ্দেশ

**জুনু বুঢ়াগোহাঞি নাথ**
সৰুমটৰীয়া, গুৱাহাটী

মন বেয়া লাগিলে মই
ভাললগা ঘৰ এটা বিচাৰি ফুৰোঁ
মানুহ নথকা নিৰ্জন ঘৰ পালে
দুৱাৰ খুলি সোমাই যাওঁ
কেইঘড়ীমানৰ কাৰণে নহয়
বালি ঘড়ী এটাই নচুৱাই
কেতিয়াবাই বহুদূৰ পোৱালেহি
এতিয়া মই বেলিয়ে পোহৰ সামৰি জপাই থোৱা ভাটিবেলাৰ ছাতি এটা।

এচাকি তেল পুৰি শেষ হোৱালৈ পুৰা
জুই ঘড়ী এটা হাতত পিন্ধি
গোটেই ৰাতিটো ঘৰটোত পাইচাৰী কৰি থাকোঁ
ভালপাই পেলাওঁ ঘৰৰ অদৃশ্য মানুহবোৰ
তেওঁলোকৰ কলিজাৰ স্পন্দন শুনো
কোঠাবোৰে হাঁহে, কান্দে
গালৈ সামৰি লওঁ সকলো ।

চকী, টেবুলবোৰে মনৰ গোপন কথা খুলি কয়
ক্ষয়িষ্ণু পৃথিৱীৰ পানীকথাবোৰ পাতি পাতি
উচুপনিৰ স'তে উজাই যাওঁ সিহঁতৰ বুকুলৈ
আৰু ভাগৰ লাগিলে মজিয়াতে শুই পৰোঁ
একেলগে ।

ঘৰৰ আচবাববোৰৰ উজ্জ্বল ৰং
সময়ে পতাত পিহে
অথচ সুখে-দুখে জী আছিল একেলগে
তালৈ এতিয়া উশাহ নাহে
অপৈণত ভ্ৰূণৰ দৰে ।

সিহঁতৰ দৰে ময়ো মোক
মোৰ মাজত বিচাৰি ফুৰিছোঁ অতদিন
মই নাই
কোনো বাটতে আকৌ মোক লগ নাপাওঁ
কোনোদিন !

গাত মেৰিয়াই লোৱা নিৰুদ্দেশৰ চাদৰখন
কোনেও নেদেখে।

# দোলক

**স্বপ্নালী কলিতা**
গোলাঘাট

দুলি আছে...
পকি সৰা বেলিৰ বিদায় সভাৰ
খৰিভাৰীজন,
বেহেলাৰ মজলিছৰ শেষ তালটো,
মৌচুমী টেঙাৰ শেষ ৰসকণ,
ডায়েৰীৰ ইলুটি-সিলুটি পাত
আৰু
একাপ ফিকা চাহ।

দুলিবৰ বাবে কোনো সাংগীতিক লয় অথবা
গৰখীয়া সুৰৰ প্ৰয়োজন নহয়।

নদীৰ খহনীয়া
পাৰৰ গছত পানী খেল
বৰশী ৰছীত জীৱন-খেল...

'আই বাই লোণে-মাছে ভাত খায়'

এমুঠি চাউল আৰু এচৰু পানী,
এটা ফেনোৱা সপোন আৰু লেজু হোৱা
কিছু আলাপ (বিলাপ)
এখন ফিচিকা এৰী কাপোৰ অথবা
আলিমূৰৰ দমকলৰ একলহ পানী।

দুলি থাকে
দুলি দুলি গা-মূৰি দিয়ে

সৰি থাকে গাঁঠিকথা
জ্বলি থাকে নৰা পেঁপাৰ বেথা
শুহি থাকে লাজ ভঙা নিশাৰ গাথা।

দুলিবৰ বাবে কোনো
দোলক নালাগে
নালাগে বিশেষ কিছু।

লাগে মাথো
আবতৰৰ কিছু সংযোগ
কিছু বিয়োগ।

# এজন তাৰকা

**জংকি শৰ্মা**
নলবাৰী

এজন তাৰকাক দহ মিনিট চাবলৈ ৰৈ থাকে
অগণন মানুহ
অথচ এজন তাৰকাই মন গ'লেই নিজক চাব পাৰে আইনাত

এজন তাৰকাক দহ মিনিট লগ পাবলৈ ৰৈ থাকে
অগণন মানুহ
অথচ এজন তাৰকাই নিজকে লগ পাব পাৰে প্ৰতি মুহূৰ্তত

এজন তাৰকাক দহ মিনিট ল'বলৈ ৰৈ থাকে বহুত মঞ্চ
অথচ এজন তাৰকাক তেওঁৰ বিচনাখনে কোলাত ল'ব পাৰে প্ৰতিদিনে

এজন তাৰকাৰ মাতটো দহ মিনিট শুনিবলৈ ৰৈ থাকে অগণন মানুহ
অথচ এজন তাৰকাই যেতিয়াই মন যায় নিজকে শুনাব পাৰে গান

এজন তাৰকাক দহ মিনিট ডুবাবলৈ ৰৈ থাকে দামী দামী লাইটিং চিষ্টেম
অথচ এজন তাৰকাৰ টোপনিক ওৰে ৰাতি
ডুবাই থ'ব পাৰে তেওঁৰ ডিমলাইটটোৱে

দহ মিনিটৰ বাবে এজন তাৰকাৰ মাতটোৰ এটা সংস্কৰণ
অনুবাদ কৰিবলৈ ৰৈ থাকে দৈত্যকায় চাউণ্ড চিষ্টেম
অথচ এজন তাৰকাৰ মাতটোৰ আটাইতকৈ ধুনীয়া সংস্কৰণটোৰ
কপিৰাইট থাকে তেওঁৰ বাথৰুমটোৰ

এজন তাৰকাৰ অন্তৰংগ হ'বলৈ ৰৈ থাকে অগণন মানুহ
এজন তাৰকা কিমান ভাগ্যৱান
যে তেওঁ নিজেই নিজৰ সকলোতকৈ অন্তৰংগ মানুহ।।

# পেণ্ডুলাম জীৱন

**অঞ্জনা গগৈ**
নাৰেঙ্গী, গুৱাহাটী-২৬

এটা গহীন ছায়া
বাট বুলে নিঠৰ নিশাৰ বুকু ফালি
অকলে অকলে...
অ'ৰ পৰা তলৈ, ত'ৰ পৰা তলৈ
বাটকুৰি বাই ফুৰে ।

পদপথেই ঘৰ ছায়াটোৰ
সুখ-দুখ মূল্যহীন
অথচ...
শিল যেন গধুৰ বেদনাই
হেঁচা মাৰি ধৰে বুকু
অজানিতে
মূক-বধিৰ নিমাতি নিশাত ।

দিন নেযায়
নুপুৱায় ৰাতি এইদৰেই
ছায়াৰ ভৱিষ্যত দিনলিপিৰ পাতত
খায় নে পিন্ধে নজনা জীৱনে
ওলমি ৰয় ঘড়ীৰ পেণ্ডুলামৰ দৰে
পল পল কৰি অগুৱাই
আগফালে থকা সময়ৰ টিকনি ।

কাতৰ দৃষ্টিত প্ৰশ্নবোধক
নুবুজা মায়াৰ সংসাৰ
নিশ্চয়তা একোৰেই নাই
কেতিয়া সৰে জীৱন
বলীয়াৰ।

# পোহৰৰ ওঁঠত ছাঁৰ ওঁঠ

**মামনি ডেকা**
নলবাৰী

ফুলপাহৰ আমোলমোল
সুগন্ধিত ৰাগী লগা নিশা

তাতে ছাঁ আৰু পোহৰৰ
ফেনেকা
ফেনেকি
পোহৰৰ ওঁঠত
ছাঁৰ ওঁঠ

জিভাৰ লেলাউটিৰ নিজৰা
দাঁতে দাঁতে সংগীত
পোহৰৰ বিজলুৱা বিন্ধাত
কঠিন মোটা দীঘল এন্ধাৰ
সুৰংগ খান্দি খান্দি
বিচাৰিছে প্ৰশান্তিৰ প্ৰান্তৰ।।

# আৱাহনী

**দীপা শইকীয়া**
গহপুৰ

আকাশৰ নীলাখিনি
বুকুত সামৰি লব পৰা হ'লে
অযুত হেঁপাহেৰে বুকুত উম দি
থ'লোহেঁতেন প্ৰতিশ্ৰুতিৰে...

নীলাবোৰ সচাঁকৈয়ে
মুক্ত বিহঙ্গ হৈ উৰি থাকে
সীমাহীন আবেগৰ ৰ'দৰ ছাঁয়াত...

তোমাৰ হাঁহি আৰু মৰমবোৰে
হৃদয়খনি জুমি চাই
বাৰে বাৰে ভুমুকিয়াই বক্ষৰ কোলাত
তুমি যে নৰনিতে ফুলা মোৰ হিয়াৰ
কুসুম পাহি...

হাঁহি ভৰা দুচকু আকৌ সজল কিয়
কল্পনাৰ আকাশ জিলমিল কৰি
ফুলি আৱাহনীতে আছা কলিজাতে...

এটি অচিনাকী বাঁহীৰ সুৰ বাজি উঠিব
গধুলিৰ মিঠা জোনাকত...

# কিমান দূৰত এতিয়া মোৰ গাঁওখন

**প্ৰণৱ খাৰজাৰা**
নলবাৰী

খিৰিকীয়েদি সোমাই
আহে নদী
বুকুত আকাশৰ জলছবি।

কত বছৰ হ'ল
মই গুচি অহা বাট!
আজি বৰকৈ মনত পৰিছে,
মনত পৰিছে আপোন গাঁও ।

জেঠ মাহৰ পিঠি পোৰা ৰ'দত
হালখন লৈ
নামিছিলোঁ পথাৰত
নামঘৰৰ সমুখৰ
আঁহতৰ তলত
খেতিৰ পৰা উভতি
য'ত জিৰাইছিল
ৰোৱনিবোৰ,
দুচকুৰে উৰি গৈছিল
এটা হালধীয়া চৰাই ।

পথাৰত ফুলা ফুলে
কিজানি আজিও হাঁহিছে
হাঁহি নাই মোৰহে ।

গাঁৱৰ কেঁচা আলিত
এৰি অহা দিনবোৰ
একাঠু পানীৰ পথাৰ
চেলেকনা মাছৰ চপচপনি
বৰশী বাই বাই
মাছ উঠাৰ কাহিনী ।

চোতাল-জোৰা মৰণা ঘূৰণি
মাৰ হাতত
তাঁতশালৰ খটখটনি
গৰু ওভতা আবেলি
শৈশৱ-কৈশোৰৰ সময়ত
যি বাটে বৈছিলোঁ
কোনোবা আহে নেকি
সেউজীয়া ৰূপহী-জোনালী ।

গাঁৱৰ দোকানৰ
কেৰাচিন তেল কিনি
পোহৰাই তোলা আমাৰ
হেপাঁহৰ ঘৰখনি,
ক'ত গ'ল আজি!

বছৰ বছৰ ধৰি
সহি থকা
কলংকবোৰ মচিবলৈ,
এৰি অহা গাঁৱৰ বাটে
উভতি গ'লেনো
মোক কেইজনে চিনিব!

কিমান দূৰত
এতিয়া মোৰ গাঁওখন!
সন্ধিয়াৰ বিচনাত
পৰি থাকে এজন
নগৰীয়া কবি ।

**অষ্টম ভাগ**

**সম্পাদনা**
অলকা মহন্ত বৰুৱা



# পানী হালধীয়া ৰ'দ

**ৰঞ্জন কুমাৰ বৰুৱা**
মৰঙি, গোলাঘাট

সামগ্ৰিক যন্ত্ৰণা এৰি
এসাগৰ আশ্ৰয়ৰ গভীৰ প্ৰত্যাশাত
তোমাৰ আঁচলত ধৰিছোঁ
যি বাটে নামি গৈছা তুমি
সেই বাটত পানী এঠাৱনিৰ পৰা এডিঙি গভীৰ
অথচ তোমাৰ আঁচল খামুচি এতিয়াও মোৰ
এমা-ডিমা আঙুলি
যেন কিছু বেলিৰ পিছত প্ৰস্ফুতিত হ'ব
এডৰা শইচ সুগন্ধি পথাৰ।

# অনৰ্থকত লিখা

**দিগন্ত নিবিড়**
পাঠশালা

১.
ধূলি হৈ মই
তোমাৰ নাকেৰে সোমাই গলোঁ

অৰণ্য আৰু নদী পাৰ হৈ
সুৰংগ এটাৰে গৈ

মই যি ঠাই পালোঁ
সেয়া
প্ৰেমৰ কাৰখানা !

২.
এদিন
তাত ধুমুহা
আবেগৰ বীৰ্যস্খলন

মই পুনৰ
এটা সুৰংগৰে ওলাই আহিলোঁ
স্বস্তি হৈ

আৰু এতিয়া যি ঠাইত আছোঁ
এয়াও বিশাল কাৰখানা

# ঝাৰুৱালীৰ বাবে ৰৈ থাকে চহৰ

**সুশান্ত বৰা**
যোৰহাট, টিয়ক

তেওঁ ধুনীয়া
সেয়ে চকুত নৈ
নৈবোৰ বিষ!

তেওঁ দুপৰীয়া এটাক সাৰি পুচি জাৰৰ কৰোঁতে মই বতাহ কামনা কৰিছিলোঁ
আৰু তেওঁৰ বিষ বিয়পা দুখন নৈ
হাতপাতি লোৱাৰ হেঁপাহ কৰিছিলোঁ,
ঠিক সেই একেটা কথাৰ বিপৰীতে তেওঁ মোৰ পৰা লুকুৱাই থ'লে ক্ৰমশ
বিস্তৃতি লাভৰ কথকতা ।

মোৰ পিঠি পুৰি ক'লা হৈ সৰিছিল ঘাম
ঘাম জীৱনৰ এটা অৰডিনেৰী ক'লাজ,
মই তেওঁৰ ঘাম-তিতা ওঁঠৰ তলত
ৰৈ আছিলোঁ ছাঁ বিচাৰি ...

মই যিমানেই তেওঁৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰিছিলোঁ তেওঁ সিমানেই
ডাষ্টবিন এটালৈ আগবাঢ়িছিল,
ডাষ্টবিনৰ হাত আৰু ভৰি নাথাকে যদিও দায়িত্বশীল।

তেওঁ মোৰ ধক্‌ধকীয়া পৰিচয়ৰ অভিজাত চোলাটো সাৰি পুচি চকচকীয়া
কৰোঁতে
মই কদৰ্য গলি এটাৰ মূৰত থিয় হৈ মুখস্থ কৰোঁ কিদৰে একেলগে ওলাই
আহে ভৱিষ্যতৰ এগৰাকী জননী আৰু
গৰ্ভপাত নোহোৱা হত্যাকাৰী কোষ
য'ত মৃত্যুৰ এলাহত দুলি থাকে সভ্যতা।

মই ৰৈ থাকোঁ ওন্দোলা শোকৰ সমুদ্ৰ-তীৰত
বধ্যভূমি বুলি চিনাক্ত কৰি নীলা-তিমিৰ সন্তানবোৰ য'ৰ পৰা উভতি নগ'ল,
আৰু নহঁহা হাঁহিৰ পাক লগা পাগত বুকু উবুৰিয়াই সৰা পাতে ক'লে
তোমালোক ঝাৰুৱালীৰ বাবে ৰৈ থকা চহৰৰ বাসিন্দা।

## উফৰি পৰে !

**ফাৰহান জাৱেদ**
বিহগুৰি, তেজপুৰ

পৰ দি বহি লোৱা আশংকাটো উজাই উজাই
মাত নোহোৱা আলৰ বৃদ্ধগৰাকীক
সুধিলে কি নুসুধিলে
উত্তৰহে নাপালে

ওৰেতো জীৱন ধুমুহা-গৰ্জনৰ মাত খহাই
টান বাট কাটি
তৰা-নৰা ছিঙি
বৈ দিলে ক'ৰবাত

কোনোবাই ক'লে— বুকুত তোৰ বেইমানীৰ দাগ
কোনোবাই ক'লে— গোলামী কৰিবলৈ সাজু থাক
কোনোবাই ক'লে— মাত-কথা শিকি আহ মূলসুঁতিত লীন যা !

ক্ষত-ছিন্ন অভিজ্ঞতাৰে সন্ত্ৰস্ত এটা মন
সন্দেহৰ চাৱনিৰে দগ্ধ এটা শৰীৰ

জননীৰ সেৱা কৰিবলৈ তয়ো এই ভূমিৰেই সন্তান

ভয় আৰু আতংকৰ নৰককুণ্ডলৈ ঠেলি দি
কোনে পায় কি !

# অবনৰী

দেৱৰাজ মিলি

(১)
শীতল বাবেই তোমাৰ নাম
কুঁহিপাত কুমলীয়া ধুনীয়া
অবনৰী
তোমাৰ মোহত বন্দী ৰাগি-ৰাগাম
পুৰাকথা হৈ এদিন আজোককা আহিছিল
কপাহৰ গুটি বনকুকুৰাৰ পোৱালি দুটি
আৰু এয়া ঘুণাসুঁতি
ইয়াতে চাপিছিল সোণোৱালী নাও
ৰূপোৱালী পালতৰা
নৈৰ শীতল বতাহ-ছাটি, নৈৰ মাছ-পুঠী, হৈ-গুদু খেলা
কাৰপুমপুলি ৰাতি
এই অতীত ঘাট
ডাৱৰ ধূসৰ বাট
জঙ্কি ক'ত পানেই ক'ত
চাপৰিয়ে চাপৰিয়ে অইনিঃতম হৈ
উপচি আছে মাথোঁ অমৰ প্ৰেমৰ দ্যুতি অবনৰী
(২)
আচিন অবনৰী
মিংমাং গাঁৱত মোৰ মৌঃনামৰ ঘৰ
এইবাৰ লৃগাঙত কথা দি থৈছোঁ
গাহৰি পোৱালিকেইটা নোদোকা হ'লেই পলুৱাই আনিম জখলা
বগাই
কাৰ্চিন্-কাৰ্তাঙক সাক্ষী কৰি কেঃদাং ফুলা ৰাতি
মনা-নমনা দূৰৈৰ পৰা দঃঞি-পঃলই পঠিয়াব ৰিঃবি-গাচৗং

আজোককাৰ পৰা মোলৈ
হিয়াই-সিৰাই বৈ থকা এসোঁতা তেজ
অবনৰী
(৩)
এই বাটেদিয়েই নিগৰি আহে
আদিম শীতলতা ৰ'দৰ গান আৰু
মাটিৰ প্ৰাৰ্থনা
অবনৰী
অবনৰী

# মৃত্যু

**অলকা মহন্ত বৰুৱা**
বামুনীমৈদাম ,গুৱাহাটী

বুকুৰ চৰাইটো ওচৰতেই আছিল প্ৰগলভ হৈ
কোনটো সুৰুঙাৰে জানো উৰি গ'ল

বৰফৰ পাহাৰ এখনে চেঁচা শুভ্ৰতা আঁকিলে
বহুত নোকোৱা কথাই পেটৰ কাব্য হ'ল
চকুলোৰ ঝৰ্ণাৰ দুয়োকাষে ফুলি ৰ'ল নিমাত ওঁঠ
আঙুলিবোৰ শিল হ'ল
মৰআউসীত পলকতে এটা শৰীৰ হৈ পৰিল কেৱল মৌন
দলিল

তাই ফাঁকি দিলে...গোকাট ফাঁকি

মহাকাশচাৰী হোৱাৰ কথা আছিল
তৰাৰ ৰঙটো গাত মেৰিয়াই নিজেই তৰা হৈ গুচি গ'ল

তেওঁলৈ থৈ গ'ল মাথো হাহাকাৰ
জীৱনৰ পৰা বিয়োগ হৈ গ'ল জীৱন
নিশ্বাসৰ পৰা বিছিন্ন হৈ গ'ল উশাহ

মৃত্যু ...

চকুৰ পচাৰতে বুকুৰ মঙহ এটুকুৰা নাই
সপোনৰ চিতা জ্বলায়।।

# ভূতৰ কথাৰে

**প্ৰাঞ্জল হাজৰিকা**
মৰিগাঁও, ফুলবাৰী

কাল্পনিক চৰিত্ৰটোৰ আৰম্ভণি সাধুকথাৰ পৰা
ভূতৰো নিজৰ বুলিবলৈ ঘৰ থাকে,ল'ৰা-ছোৱালী থাকে।
মাছমৰীয়াক সুধিলে কব ঘৰচীয়া ভূতৰ ল'ৰা-ছোৱালীৰ খবৰ।
অ' আঘোনী জেঠাই খৰি লুৰিবলৈ গৰু বাটটোহে বিচাৰি পাৱনে ?
তই নাজান' অমুকা ইয়াতে...
আঘোনী জেঠায়ে কান্দে
মতাটো মোৰ

মহাজনৰ পুতেক খেতৰে
দামুৰীজনী লুকুৱাই নোথোৱা হ'লে
ৰাইজে খেতৰক বিচাৰত দোষী নসজোৱা হলে
আৰু আঘোনী জেঠাইৰ মতাটোৱে বঙিয়াটোত...
(কাণত কাণ বাগৰি)
মানুহজনী দেখাত ধুনীয়া আছিল কিমান ৰাতি খেপ পিতি ৰৈ আছিল
মহাজন , ঠিক বঙিয়াটোতেই মহাজনক আঠুকঢ়াই ৰাইজ মাতিবলৈ
যাওঁতেই কথাটো ওলাল
আঘোনীৰ মতাটোক নিলে
সেই জেগাডোখৰেই বেয়া
দিনতেই কোনো নাযায়
তাই বেটিয়ে
তাৰপাছত
বু বু বা বা... !
সামাজিক
আঘোনী জেঠাই খৰি লুৰিবলৈ গৰু বাটটোলৈ আজিও যায়,বঙিয়াটোত
থৰ লাগি ৰয় গাইজনীয়ে আকৌ পোৱালী দিছে
নিজা বুলিবলৈ ভূতৰো এটা নাম আছে সমাজ আছে জাত-পাত আছে
মতা-মাইকী আছে
আৰু আছে ধৰ্ম ঠিক মানুহৰ দৰে
বদনাম এটাও আছে সাধাৰণতে এই পৰজীৱি বিধে সদায় এটা সুযোগৰ
সন্ধানত থাকে।

# আকৌ উভতি যাম তোমাৰ চহৰলৈ

**মনিন্দ্ৰ কাকতি**
বৰুৱাজানী, কামৰূপ(গ্ৰাম্য)

তোমাক বিচাৰি
আকৌ উভতি যাম তোমাৰ চহৰলৈ
য'ত তোমাক এৰি থৈ আহিছিলোঁ
তাৰপৰা পুনৰ আৰম্ভ কৰিম নতুন যাত্ৰা
সেয়াতো এতিয়া সম্ভৱ নহয়
যিদৰে সম্ভৱ নহয়
তোমাক আই বোলাজনে
মোক পিতাই বোলাতো
এদিন তোমাক নেদেখিলে
এনে লাগিছিল
যেন অশান্ত পৃথিৱীত মোৰ অযুত বছৰ
এদিন তোমাক নেদেখিলে
এনে লাগিছিল
যেন অপ্ৰেমৰ পৃথিৱী এখনত ডুবি আছো বহু কাল
তোমাৰ মাতযাৰ এবাৰ নুশুনিলে
এনে লাগিছিল
যেন নীৰৱ নিতাল এই শব্দময় পৃথিৱী
তুমি আঁতৰি থাকিলে
জ্বলাই দিবলৈ মন গৈছিল শান্তিৰ সকলো চুক্তিপত্ৰ
তুমি আঁতৰি থাকিলে
কান্ধত ওলোমাই ল'বলৈ মন গৈছিল নিষিদ্ধ ৰিভলভাৰ
যেন যোল্ল জাঁই গুলীৰে
ঝনঝন ঝনঝনাই জগাই তুলিম
শুই পৰা তোমাৰ প্ৰেমৰ চহৰ
এদিন তোমাক নেদেখিলে
কিমান যে অভিমান, কিমান যে খং
যেন এইমাত্ৰ ঘোষণা কৰি দিম তৃতীয় বিশ্বযুদ্ধ
এৰা !
এটা দিন তোমাক নেদেখিলে
পাগল হৈ আছিলোঁ
আৰু আজি তোমাৰ ঠিকনাই নাজানো ... !!

# আমি কিমান সভ্য

**মিনা দেৱী**
জালুকবাৰী, গুৱাহাটী

গগনচুম্বী অট্টালিকা সাগৰৰ তলৰ সুৰঙ্গ
আৰু অলেখ সৃষ্টিৰে আমি কিমান সভ্য
জোখ-মাপৰ তুলাচনীৰে চাওঁ
চন্দ্ৰযান মঙ্গলযান নতুবা গ্ৰহৰ পৰা গ্ৰহান্তৰলৈ
কৌতুহলী মানৱৰ সম্পৰীক্ষণ
তাৰেই হয় নেকি জোখ-মাপ
সভ্যতাৰ জীৱশ্ৰেষ্ঠৰ।
সভ্যতাৰ আদিম পুৰালৈ
মনে পাখি মেলি যায়
গছে গছে ঠেকা খাই
সৃষ্টি হয় অগ্নি শিখাৰ
মানৱৰ সাৰুৱা মগজুৰে
ঘৰ্ষণেই যে অগ্নিৰ উৎপত্তি
সেইয়া বুজাৰ আনন্দ উল্লাসে
মানুহক আগুৱাই এঢাপ এঢাপকৈ।
এতিয়া সভ্যতাৰ জখলাৰ চূড়ান্ত সীমাত মানৱ
তথাপিয়ো মনুষ্যত্বৰ অভাৱ
বিশ্বৰ প্ৰত্যেকখন দেশে
নিজক বচাবলৈকে হওক
নাইবা আনক আক্ৰমণ কৰিবলৈকে
ঘাটকৰূপী বিস্ফোৰক পদাৰ্থৰ
মজুতীকৰণ চলায়েই থাকে
চলি থাকে অস্ত্ৰ-শস্ত্ৰৰ ক্ৰয়-বিক্ৰয়
কিম্বা প্ৰস্তুতি কৰণ
উদ্দেশ্য একেই
মানুহে মানুহক হত্যা কৰাৰ
মানুহে মানুহক পদনত কৰাৰ।
আমি কিমান সভ্য
যিখন পৃথিবীত হিটলাৰে ইহুদী নিধন যজ্ঞ পাতে
কোনোৱে পাৰমাণৱিক বোমাৰে
হিৰোচিমা নাগাচাকিক ধ্বংসস্তূপ কৰে
জালিৱানা বাগৰ হত্যা কাণ্ডই
শোকৰ কাহিনী ৰচে।
মানুহৰ হিংস্ৰ লোলুপ দৃষ্টিৰ পৰা
ৰক্ষা নাপায় ফুল কুমলীয়া কুমাৰীয়ে
ধৰ্ষণ কৰি হত্যা কৰে।
কেৱল টকাৰ বাবেই
মাকৰ বুকুৰ পৰা কাঢ়ি নি
পাঁচমহীয়া দেৱশিশুক হত্যা কৰা হয়
সম্পত্তিৰ লালসাত ডাইনী সজাই
ঘৰে ঘৰোৱাহে হত্যা কৰা হয়।
কলৈ যায় মানুহৰ মানৱতা!
সকলোতে কেৱল মানুহৰ
বন্য জীৱনৰ আদিম প্ৰৱণতা
বাৰে বাৰে কাণত বৰ্ষণ হয়
‘জোৰ যাৰ মুলুক তাৰ’ ধ্বনি।

# ভোকটো বাঢ়ি আহিছে পুনৰ

**বিশাল অনুৰাগ**
ডিব্ৰুগড়,চাবুৱা

টিভিত কলিজা কুৰুকা যুৱকজন ৰাজপথত ছটফটাই থাকোতে
খাহীৰ টুকুৰা এটা দাঁতৰ গুৰিত লাগি ধৰিল

খাবলৈকে জীয়াই আছোঁ
থালখন আঁচোৰ খোৱা বুলি নোকোৱাহেঁতেন
মই ভাবিলোঁহেঁতেন সেয়া নতুন ফেশ্বন

নেলু কটা যুৱকজন ৰাজপথত ছটফটাই থাকোঁতে
ৰেইটাৰক নুসুধিলো মাংসখিনি কিমান পুৰণি
ধাবাৰ চৌকাত জ্বলি আছে টুকুৰা টুকুৰ বাঘজান
খৰিকাৰে বৈছে শিঙা মঙহৰ তেল আৰু তেজ
ভোকটো বাঢ়ি আহিছে পুনৰ

ইমান কোলাহল

গৰ্জনৰ লাইভ টেলিকাষ্ট
মাতবোৰ পোহনীয়া, চিনাকি
দীঘলীয়া সমদলটোৰ একাংশই মাস্ক পিন্ধিছিল
দুটামানে ধাবাৰ পৰা লৈ গ'ল পোৰা মঙহৰ খৰিকা এগাল
মেনেজাৰৰ হাতত ৰিচিপ্ট এখন গুঁজি ক'লে
প্ৰতিবাদী মানুহমখা ভোকত আছে

জহনী ভোকটোৰ বাবে ময়ো সমদলত যোগ দিলোঁ
গৰকি গ'লো গাঁৱৰ আলিবাট
কেতিয়াবা নগৰৰ অলি-গলি
ষ্টেচন, পদপথৰ কাৰখানা শোধানাগাৰ
ৰাজধানী, ফুলদানী...

ভোক পিছে নকমিল
নকমিব কাহানিও।

## নৱম ভাগ

**সম্পাদনা**

চবিন চন্দ্ৰ নাথ



# মৰুভূমি

**প্ৰভাত দাস**
মিৰ্জা

মই  পৰ্বত কন্দৰ লঙঘন কৰি মোৰ দৃষ্টি নিক্ষেপ কৰিলোঁ---
সুদুৰ দুৰলৈ।
মোৰ ধুঁৱলি কুৱঁলী হৈ পৰা
চকুৰ আগত
দিগন্ত চুমি বিস্তীৰ্ণ মৰুভূমি
এখন পৰিস্ফুট ৰূপত ধৰা দিলে।

ক'তনো শুকাই গ'ল হৃদয় হ্ৰদৰ পাৰ ভাঙি বৈ অহা প্ৰেমৰ
বোৱতী নদীৰ ধল!!
বিষন্নতাই বুকুখন হেঁচি ধৰিলে।
ক'ত হেৰাল অতীতৰ সেই উত্তৰণৰ সোণসেৰীয়া
উপলব্ধিৰে  মানুহৰ পৰা দেৱত্ত প্ৰাপ্তিৰ বাবে নিজকে
উদ্ভাসিত কৰাৰ বাসনা?

ক্ষমতাৰ খঁকৰ শুকান বালিময় অনুৰ্বৰ চিন্তা চেতনাৰে আভুৱা
ভৰা নাটকৰ ভাঁৰৰীয়া সাজি
আজি নিজেই ধন্য হৈছে ।

সমাজ জীৱন আজি
পঙ্কময় বাটৰ বাটৰুৱা,
মিছা আভিজাত্যৰ ভণ্ডামিৰে জনতাৰ নেতা
তেজপিয়াৰ দৰে ভয়ঙ্কৰ।

পাটবেঙৰ দৰে জপিয়াই
কোকলোঙাৰ দৰে ৰঙ সলাই সঘনে।
সিহঁতেই জীপাল ধৰিত্ৰীৰ
বুকুত কৰ্কশ মৰুভূমিৰ অনুৰ্ব্বৰতা সিচি দিয়ে দক্ষতাৰে।

আৰু আমিবোৰে বিচৰণ কৰোঁ মৰুভূমিৰ পিচত মৰুভূমি
গচকি জীৱন জীপাল কৰিবলৈ ---ৰৈছি বিচাৰি ।

# অবুজন মন

**সুমিত্ৰা দাস**
গহপুৰ

অবুজন মনে দেখোন আজি
ভাৱনাৰ সাগৰত
প্ৰেমৰ পালতৰা মেলিছে
সেই প্ৰেমৰ ৰাগীত
ডিঙা মেলি হৃদয়খনে
মৰমবোৰক দেখোন
আঁকোৱালি লৈছে।

কল্পনাতে কাৰেং সঁজা
সপোনতে উন্মনা হোৱা
অভিমানী মনে দেখোন আজি
জোনাকৰ বৰষুণত তিতিছে
সুখ দুখৰ সন্ধিক্ষণত
অপেক্ষাৰ সীমনাত বহি
আঁজলি মনে দেখোন আজি
আকৌ এবাৰ হেঁপাহত
আশাৰ মালাধাৰিহে গাঁঠিছে...।

বাস্তৱতাৰ পৃথিৱীখনৰ
নিষ্ঠুৰ সময়ৰ পৰিহাসকো
আওকাণ কৰি
আশাৰ এমুঠি সপোন ৰচি
অবুজন মনে দেখোন আজি
আকৌ এবাৰ প্ৰেমৰ বুকুত
নিজৰ ঠিকনা হেৰুৱাইছে।।

# জীৱনৰ সৰাপাত

**জেউতি দাস**
শুৱালকুছি

জীৱনৰ পাতে পাতে স্মৃতি লৈ
বেদনাৰ কুঁৱলী ফালি,
মৌন নিস্তব্ধতা ছন্দভাঙি
লক্ষ্যচ্যুত হয় শোণিত প্ৰৱাহ।
প্ৰেৰণা সঙ্কীৰ্ণ ভূমিত নীৰৱে মাথোঁ হৈ ৰয়
ধূসৰ কালসন্ধ্যা ক্ষমতা ৰংগমঞ্চত।
দুখৰ বোজা লৈ মোৰ অতীতৰ
স্মৃতিবোৰে জুমুৰি দিলে।
বিশ্বাসত নে অন্ধবিশ্বাসত
বুকুৰ ভিতৰত তাপ আৰু স্পন্দনেৰে
সুখে-দুখে মোৰ
জীৱনৰ বিবৰ্ণ সৰাপাত বুটলি যাওঁতে
বাটৰ দুকাষে স্ৰোতস্বিনী হৈ দেখিলোঁ
শোণিতৰ ৰঙা ৰঙেৰে সজ্জিত মৃতদেহ।
কুকুৰ শিয়ালে বখলা বখল কৰিছে
কাৰো যে নাই সময়
দুৰ্ভগীয়া অবলা নাৰী বিননি শুনিব।
চয়তানৰ চতুৰালি আৰু বজ্ৰকঠোৰ হাতৰ মুঠিত
তাইৰ লাস্যময়ী দেহাটো।
সৰিল নিশ্বাস, বুকু ফাটি যায় মোৰ
নিৰ্জনতাৰ মাজেৰে বহু সন্ধিয়া
অবলা নাৰী বিননি।
দিনৰ পোহৰত বগা পোছাক পিন্ধা ভদ্ৰজনহে
ৰাতি এন্ধাৰত এজন দানৱ হয়।
কোনেনো কৰিব বিচাৰ আজি
ৰক্ষকেই ভক্ষক।
বিষন্ন, চিন্তিত, বিহ্বল
জনগণৰ হৃদয়- মন।।

# কলম... তুমি সঞ্জীৱনী

**কুইন বৰা**
নগাওঁ

তোমাকে সাৰথি কৰি মই
অফুৰন্ত মনৰ আশাবোৰৰ
সঘনে শব্দৰ মালিতা সজাও
জানানে বাৰু তুমি ?
তুমি যেন মোৰ নিঠৰ হৈ পৰা
হাতৰ আঙুলিৰ বাখৰুৱা পথত অনিৰুদ্ধ গতি।
তোমাৰ পৰাই যেন জীৱনে খোপনি পুতি
নীৰৱতা ভাঙি মুকুতা মণি সৰায়।
আধালিখা পৃষ্ঠাবোৰ উলিয়াই
পুনৰ সহস্ৰজন অনুৰাগীৰ বাবে
মই তোমাকে খামুচি দোভাগ নিশাও
চিন্তাশীল ভাবনাবোৰ
মাথোঁ সিঁচি যাওঁ আন্ধাৰ আঁতৰাই।
সততে ওলমি ফুৰা জীৱনটো নমাই
মায়াসনা পৃথিৱীত দুখৰ ৰংবোৰ সযতনে গুচাই
ব্যাকুল কৰি তোলা অবুজ মনৰ শিহৰণ থমাই
তুমিয়েই সময়ত কোঁহে কোঁহে প্ৰেৰণা দি
সঞ্জীৱনী শক্তি হৈ হৃদয়ত যেন জ্বলোৱা এগছি বন্তি।

# আকৰ্ষণ
# কাব্যৰ শ্ৰেষ্ঠ সম্পদ

**মামণি ডেকা**
নলবাৰী

শ্ৰব্য আৰু দৃশ্য
আকৰ্ষণ মানুহৰ চিৰন্তন
সহজাত প্ৰবৃত্তি
চিত্তৰ জটিল তত্ত্ব

শ্যামলিমা নিশাৰ
অনবদ্য শিখা জলন্ত

ৰাজদৰবাৰত কোমলমতি ৰাজকুমাৰী
চিত্তত জটিল তত্ত্ব

আৰণ্যকৰ মসৃণ পথ
জীৱ সুৰক্ষা
মানুহৰ ত্ৰিবৰ্গৰ সুৰ
মঞ্জন

দেহনিষ্ঠ ভোগ বাসনাক লৈ
ৰক্ত মাংসৰ লোলুপতাৰ সীমাবাদ
অনাদি অনন্ত জীৱৰ
আন্তৰিকতাপূৰ্ণ আবেগ
অনুভূতি স্বতঃস্ফুৰ্ত প্ৰকাশৰ
স্বল্পতা
সূৰ্যত্বৰেই প্ৰভাস
কবিৰো কাব্যিক দ্যোতনা
আকৰ্ষণ কাব্যৰ শ্ৰেষ্ঠ সম্পদ

# জীৱন

**পৰীস্মিতা গগৈ দত্ত**
শিৱসাগৰ

জীৱনৰ অৰ্থ বিচাৰি হাঁহাকাৰ হয় কেতিয়াবা অবুজ মনটো
হেৰাই যায় দুওঁঠৰে ব্যাকৰণবোৰ।
তিনিটা আখৰৰ সমাহাৰে সজালে ৰামধেনুৰ বৰণে এটি সুন্দৰ
মনোৰম অৰ্থ জীৱন।
বোৱাব নিবিচাৰো বেদনাসিক্ত দুচকুত এচোতাল বাৰিষাৰ প্লাৱন অৰ্থ
বিচাৰি জীৱনৰ।
তথাপিও এজাক বৰযুণ হৈ বাৰেপতি নিৰাশ ক্ষোভৰ ভাৱনাই আগুৰি
ধৰে দেওলগা জীৱনৰ ৰংবোৰ বিচাৰি।
প্ৰতি খোজতে অনুতপ্ত হৈ উঠে হেৰাই যোৱা খৰাং জীৱনৰ ডুবিব
খোজা অচিন আশাবোৰ।
জীৱনত সুখী হ'বলৈকে কেতিয়াবা সম্পৰ্ক বোৰকেই সলাই
পেলোৱা হয় কিবা এটা বিচাৰি নোপোৱা বেদনাত।
তথাপিও জীৱন অসুখী হয় কাৰণ সম্পৰ্কবোৰ সলনি কৰিলেও
নিজক কেতিয়াও সলনি কৰিব নোৱাৰি।
জীৱন বাটত লগ পোৱা প্ৰত্যেক জনেই আত্মীয় নহয় আপোন হয়
মাথোঁ চকুৰ চিনাকিয়ে।
জীৱনত আপোন কৰি সাৱটি লোৱা সেই আপোনবোৰেই এদিন
চিতাৰ কাযত বৈ আনক সুধিব আৰু কিমান সময় লাগিব।।

# ইষ্টাৰ্চন

**জিনা বৰুৱা বৰা**
যোৰহাট, টীয়ক

বিপৰ্য্যস্ত পৃথিৱীত মই
বিভ্ৰান্ত শূন্যাচাৰী আৰোহী
অবিবেচক ভ্ৰান্তিয়ে বজাইছে মাথোঁ
দুৰ্গম অনিয়ন্ত্ৰিত যাত্ৰাৰ অভিমানী নিসংগতাৰ সুৰ।

হে আশ্চৰ্যময়! তোমাৰ বুকুৰ
মংগলময়ে ভৰা ৰূপোৱালী আকাশেৰে
নিঃশেষ কৰিব নোৱাৰানে সময়ৰ জীৱন বিপন্নতাবোৰ?

মায়াময় অৱকাশে ভৰা বসুন্ধৰাত
পদে পদে বিচাৰি হাবাথুৰি খাওঁ
আলোকেৰে ভৰা সুৱদী আকাশত
জোন, বেলি, তৰাৰ নিস্বাৰ্থ পোহৰ।

তুমি কেতিয়া আহিবা তোমাৰ অস্তিত্বৰ মাধুৰিমা বিলাই
শূন্যাচাৰীক কুসুমিত কৰি তোমাৰ কোমল বুকুত বজাবা
শ্যামলীয়া দৰদী বাঁহীৰ অবিনশ্বৰ ধ্বনিৰ সুৰ?

এই যন্ত্ৰনাৰ বিলাস ভূমিত অন্তৰ্মুখী সহিষ্ণুতাৰ অভিলাসে
নিতৌ ইষ্টাৰ্চন কৰোঁ তোমাৰ চৰণত,
নমোৱা সেউজ সমাৰোহৰ ধাৰা,
পুনৰ অনুপম সৃষ্টিৰে কৰা উদ্ধাৰ।

# বেইমান হৃদয়

**মুন ৰাজবংশী**
নলবাৰী হাঁহদলী

নাথাকিব তৰা
নাথাকিব জোন
এটা উলংগ ৰাতি,
শুই পৰা শূন্যতাৰ আকাশত
নিস্তব্ধতাৰ কিৰিলি।

ওৰে ৰাতি প্ৰহৰ লেখি লেখি
বৰ্ণময় শব্দৰ মালা গাঁঠি
সৰি পৰে দুচকুৰ নীৰ,
বেইমান হৃদয়ত বিয়পি পৰে
শব্দৰ গধুৰ ভাৰ এটি ।

মই নীলাৰঙী আকাশৰ
প্ৰেমত পৰিব পৰা নাছিলোঁ
নীলাত জিৰণি লয় মাথোঁ বিষাদে,
হিয়াৰ খালে-বামে
ডাৱৰত মুখ লুকুৱাই
কেকাই থাকে বেলিটোৱে।

পোনা মেলিলে বুকুত
নুবুজা সাঁথৰে
ৰিঙি মাৰি কৈছিল তই আহ...
সপোনৰ ভগা দুৱাৰ খুলি
কোৰোচ ফুলবোৰ ফুলিছিল
তাতেই মৌ-কুঁৱৰীৰ বাহ।।

# মানৱতাৰ কাঠগড়াত মানৱ

আবু জাফৰ
দৰং

জাগ্ৰত নহয় আজি মানৱ
নাই মূল্যবোধৰ মানসিকতা
মানৱতা কিম্বা মানৱ ধৰ্মৰ

দুৰ্ভিক্ষৰ কঠোৰ সময়
অহৰহ পৰিশ্ৰম শ্ৰমিকৰ
তথাপিও নহয় কোনো
মানৱ সেৱাত ব্ৰতী
লিপ্সা মাথোঁ ধনৰ পাহাৰ

দান দক্ষিণা দিয়া জনৰো
মানৱতা নাথাকে কিজানি
কাৰণ মানৱতাই বিৰাজে
পৱিত্ৰ আত্মাত

সঁচা মানৱতাৰ নামত আজি
অভিনয় চৌদিশে
এইয়াই নেকি পৰিচয়
সঁচা মানুহৰ
লেতেৰা দূৰ্নীতিত লিপ্ত
যদি আছে মহানুভৱতা
সুপ্ত কিয় আজি
স্বাক্ষৰ জনতা

মানৱতা যে প্ৰত্যক্ষ কৰিব পাৰি
দৰিদ্ৰ জনৰ মাজতো
ধনীৰ দুলাল-দুলালী
অৰ্থৰ অপব্যয়, বিলাসী গাড়ী
ধনৰ অহংকাৰ
কিয় আজি সকলো হতাশ,
মানৱকে অস্বীকাৰ

মানুহ হৈয়ো মানুহৰ মাজত
মানৱতা বিলাব নোৱাৰা
শিক্ষা কিয় দিয়া মানৱতা ভঙাৰ ??
মানৱ হৈ যদি ব্যৰ্থ, ক'ত পালা অধিকাৰ গঢ়িব
নিৰিহ জনতাৰ কেঁচা ঘাম জড়িত
উপাৰ্জিত অৰ্থ
শোষণ কৰি অট্টালিকা সজাব

# জীৱনৰ সুবাস

**জুৰিমণি**
ৰহা, নগাঁও, অসম

এগচ চাকিৰ পোহৰ আৰু
এদালি ধুপকাঠীডালৰ সুবাস।
সময়ৰ সোঁতে চাকি গচ নুমুৱালে
হৃদয়ত থৈ গ'ল সততাৰ পোহৰ
ধুপকাঠী ডাল জ্বলি ছাই হ'ল,
সমাজত বিলাই গ'ল সততাৰ সুবাস।
তাৰ পাচতো কিয় বাৰু আবেগিক জোৰাৰে
বাৰে বাৰে ৰিঙিয়াই সুখ-দুখৰ স্মৃতি।
সুখ আৰু দুখৰ স্মৃতিয়ে দি যায়
জীৱন জীয়াৰ সত্বা,
আঁচলত বান্ধিলৈ
হৰ্ষ-বিষাদৰ অনুভৱবোৰ আপোন কৰি,
কাৰণ জীৱনে ৰিঙিয়াই কয়
এয়েতো জীৱন আমাৰ,
মাথোঁ ভাৱৰীয়া আমি
দুদিনীয়া ক্ষণস্থায়ী জীৱনৰ।

**দশম ভাগ**

**সম্পাদনা**

পবিত্ৰ কুমাৰ দাস



# অনুৰাগ ...

**অঞ্জন ডেকা**
গুৱাহাটী, কামৰূপ (ম)

অনুশীলন অবিহনে
চিনাকী শব্দবোৰ যেন
এটি এটিকৈ সৰে ...
অচিনাকী বাটৰ
সেমেকা বাটচ'ৰাত
নিশাৰ এন্ধাৰত
সোঁৱৰণী উবুৰি খাই পৰে...

এন্ধাৰবোৰ তেতিয়া
বৰ আপোন আপোন লাগে,
যেতিয়া,
এটি এটিকৈ আঁতৰি যোৱা
জোনাকী পৰুৱাৰ পোহৰত
হেৰুৱা শৰতৰ
শুকুলা ডাৱৰবোৰ উৰে...

এন্ধাৰ বোৰ সেইদিনাও
আপোন আছিল,
তোমাৰ কোঠাৰ পৰা
বৈ অহা পোহৰে
অযুত শিলালিপি লিখিছিল ...

সৰি পৰা শব্দৰ
প্ৰাণহীন নিসংগতাত
থমকি ৰোৱা খোজৰ ভৰত
আৰু গভীৰ হয় নীৰৱতা ...
প্ৰয়োজন মাথোঁ
এজাক বতাহৰ
প্ৰাণহীন এন্ধাৰখিনি
উৰুৱাই নিব পৰাকৈ

প্ৰয়োজন এচাটি বতাহ ...
যাৰ আঁচলত
শুকুৱাব পাৰি
নিসংগ বুকুৰ পৰা
সৰি পৰা
নীৰৱতাৰ টোপাল
আৰু
আজুৰি আনিব পাৰি
হেজাৰ সূৰ্যৰ বুকুৰ পৰা
একুঁকি মানৱতাৰ আহ্বান...

# কবিতা

**ধ্ৰুৱজ্যোতি দুৱৰা**
দিছপুৰ, গুৱাহাটী

কবিতা মই লিখা নাই কাহানিও
মই মাথোঁ বাটে ঘাটে শব্দ বিচাৰি ফুৰোঁ।
মোৰ ছিগা চেণ্ডেলযোৰত লাগি অহা শিলবোৰৰ দৰে
শব্দবোৰ গোটাই লওঁ।
সেই যে পদপথত শুই শুই
নিশাৰ আকাশৰ তৰা গণি থকা
ভিক্ষাৰীজনৰ
উৰঁলি যোৱা কাপোৰত লাগি থকা
দুখৰ শব্দবোৰ,
প্ৰেমিক প্ৰেমিকাৰ হাঁহিৰ খলকনিত
ওলমি দেও দি দি নাচি থকা
মৰমৰ শব্দবোৰ,
মাকৰ বুকুৰ মাজত
ভৰি নচুৱাই শুই থকা কণমানিটোৰ
অবুজ শব্দবোৰ,
নিৰ্যাতিতা নাৰীৰ কান্দোনত
গলি যোৱা পৃথিৱীৰ সোঁতত
বৈ অহা আৰ্তনাদৰ শব্দবোৰ,
আৰু যে কিমান শব্দ মই নিতে হাঁচটিত ভৰাওঁ।
জঁপিয়াই নাচি থকা শব্দবোৰক
পিতি পিতি শুৱাই দিওঁ,
কান্দোনৰ শব্দবোৰে মোক আমনি কৰে,
তথাপিও শব্দক সজোৱাৰ তাগিদাত
মই সাৰে থাকোঁ প্ৰতিটো নিশা।
মই কাহানিও কবিতা লিখা নাই
আৱেগৰ আসংগনত ডুবাইছোঁ মাথোঁ
মোৰ মৰমৰ শব্দবোৰ।

# অনুভৱৰ তুলিকাৰে বোলাওঁ

**কৈলাশ শৰ্মা**
বৰুৱাজানী, কামৰূপ

মই বুজাব নোৱাৰা বেদনাৰ সৈতে
সহবাস কৰি আছো অনামী,
তুমি চাগে স্মৃতিৰ ভোগজৰাৰ ঢাকনি খুলি
সম্প্ৰতি হিয়া জুৰ পেলাইছা।
দুপৰ নিশালৈ --
মই কল্পনাৰ মায়াবী সাগৰত বুৰ গৈ
দুহাত ভৰাই তুলি আনিব খোজো,
মায়াময় সপোন মাণিকী মাধুৰী।
চৌদিশে নিউ নিউ ফেঁচাৰ আৰাও
জাক জাক শিয়ালৰ ভয়াৰ্ত কলৰৱ।
সাম্প্ৰতিক হত্যা,লুণ্ঠন,ধৰ্ষণৰ সংবাদ
সততে মোৰ ক্ষয়িষ্ণু বুকুখনত ঠেকা খাই
মোক বাৰে বাৰে বিহ্বল কৰি তোলে।
অদৃশ্য দানৱৰ অনাহুত আলিংগনত
বহুতৰ হেজাৰ সপোন চূৰ্ণীকৃত হৈ
দূৰৈৰ মৈদামবোৰত  সমাধিস্থ হ'ল।
মই এতিয়া অৱৰুদ্ধ অনামী,
মোৰ হৃদয়ৰ ঠুনুকা কেনভাচত
অনুভৱৰ তুলিকাৰে বোলাওঁ,
তোমাৰ দুচকুৰে বৈ অহা- -
দুখৰ চকুপানীৰ কৰুণ ছবিখন।।

# জীৱনৰ বাটত পট আঁকি

**উৎপল গোস্বামী**
হেপীভিলা, গুৱাহাটী

কিবা এটা কৰাৰ বাসনাত
ভাৱে ঢৌ খেলে,
মনৰ চিলা জনীয়ে
ঢৌৰ টিঙত বগাই
সাগৰলৈ উৰিব খোজে।
কি যে বিড়ম্বনা!
মই জীৱনৰ খোৰোঙত সোমাই থকা
এজন শ্ৰমজীৱী,
মোৰ হাতৰ হাতুৰীয়ে
জীৱনৰ বাটত পট আঁকি
আগবঢ়ে সন্তৰ্পণে;
বাটত গজা গছপুলিকেইটাও
মোৰ ছাঁতে
লহপহীয়া হৈছে আলফুলে।
মই চিলা জনীক সোঁধো
মোক যে উৰাই নিব খোজা,
মোক সাগৰৰ দৰে
কৰিব পাৰিবানে?

# গণতন্ত্ৰ

**হিতেশ গোস্বামী**
গুৱাহাটী, কামৰূপ (ম)

কৰ
কৰ কৰ কৰ
আজি তোৰ অধিকাৰ, তই সাব্যস্ত কৰ
তোৰ চেতনাক, তই জাগ্ৰত কৰ
তোৰ বিবেকক, তই নিয়ন্ত্ৰণ কৰ
কলুষিত নকৰিবি, তোৰ দুই কৰ
তোৰ পবিত্ৰ কৰেৰে
গণতন্ত্ৰৰ ভেটি গঢ়।

বৰ
বৰ বৰ বৰ
আজি তই হ'বই লাগিব বৰ
আজি যদি তই নহৱ বৰ
গণতন্ত্ৰত আকৌ সিহঁতেই হ'ব বৰ
সেয়ে তোৰ ভোটেৰে
গণতন্ত্ৰৰ ভেটি গঢ়
তই বৰ হৈ
এখন জনতাৰ চৰকাৰ বৰ।

দৰ
দৰ দৰ দৰ
গণতন্ত্ৰৰ বজাৰত
আজি বাঢ়িব তোৰ মগজুৰ দৰ
প্ৰলোভন-প্ৰতাৰণা-আশ্বাস-ডৰ
তোৰ ওপৰত হ'ব সকলো ভৰ
নকৰিবি, তই নকৰিবি ডৰ
নলবি, নলবি তোৰ মগজুৰ দৰ
নহ'লেযে নহ'ব ( !) গণতন্ত্ৰ ভৰ।
জানিবি
আজি তই বৰ
পবিত্ৰ তোৰ কৰ
তই নকৰিবি ডৰ
গণতন্ত্ৰ! নিশ্চয় হ'ব ভৰ।

# চে’ তুমিও জানা, আজিও সাৰে আছে

**পাৰ্শ্ব নাৰায়ণ গোস্বামী**
তেজপুৰ, শোণিতপুৰ

বুভুক্ষা ক্ৰন্দসী আকাশ,
শোষকৰ কিমানটা বেত্ৰাঘাটত বিৰিঙি উঠে,
কঙাল জনতাৰ নিমখীয়া তেজ!!
শতিকাৰ সঞ্চিত আজিও সলনি নহ’ল
পদপথৰ অনাথৰ ঠিকনা।
চে’ কিমান ভালপাব পাৰিলে বাৰু
মানুহ বিপ্লৱী হ’ব পাৰে??
কিমান ভালপাব পাৰিলে বিপ্লৱৰ নামত
দান দিব পাৰে নিজৰ তেজোদ্দীপ্ত যৌৱন?
কিমান ভালপাব পাৰিলে লিখিব পাৰে
নিজৰ অস্তিত্ব এটা বুলেটৰ নামত?
হ’লষ্টাৰৰ পিষ্টলটোত হাত থ’লেই
এসোঁতা তপত তেজ বৈ যায় মোৰ ধমনীত।
চে’ বৰ সোনকালে তোমাক লগ পাম চাগে,
আজিকালি যে মোৰ চিনাকি বিদ্ৰোহী!!
অধিকাৰ আঁজুৰি আনিব বিচৰাৰ বাবেই
মই হেনো নিষিদ্ধ সৈনিক।
মোৰ ভুলটো কি জানানে কমৰেড?
চুৰাপাতৰ লালসাত মই নেজ পেলাব নোৱাৰো।
এতিয়াতো মোৰ নামতো জাৰি হৈ আছে
বৰলাটে চহী কৰা মৃত্যুৰ ৰাজদণ্ডাজ্ঞা!!
চে’ শুনিছো আদৰ্শৰ হেনো মৃত্যু নহয়?
মৃত্যু নহয় হেনো বিপ্লৱী সত্তাৰ??
তুমিয়েই কোৱাচোন কমৰেড মোৰ ভুল ক’ত?
এহ! এতিয়াই নেলাগে ক’ব ৰ’ৱা!!
বৰ সোনকালে তোমাক লগ পাম,
তেতিয়াই ক’বা।
বহুত কথাই আছে তোমাৰ লগত কমৰেড
কিউবা, বলিভিয়াৰ ধূসৰ ৰাতিবোৰ
কিদৰে নুমুৱাব পাৰি শোষকৰ শেষ অস্তিত্ব
খুউব সোনকালে চাগে তোমাক লগ পাম
খুউব সোনকালে চাগে তোমাক লগ পাম!!
চে’ গুয়েৰা লগ পাম তোমাক।

# কোন তেওঁ

**নূৰ মহম্মদ**

কোনেনো স্ৰজিলে বাৰু চন্দ্ৰ সূৰ্যক
নিজ কক্ষপথত নিয়ন্ত্ৰণাধীন কৰি,
কৰিলা নিৰ্ণয় দিন ৰাতি কাল
মাহ তিথি বছৰ গণনাৰ বাহক কৰি।
মানবক কৰিলা সৃষ্টি, জীৱ শ্ৰেষ্ঠ কৰি
সৃষ্টিৰ ওপৰত অধিকাংশ ক্ষমতা দি,
পৃথক কৰিলা আকৌ ভিন্ন জাতিত
প্ৰতিহত কৰিবলৈ এদলক দি আন দলক
জীয়াই ৰাখিবলৈ তাৰ উপাসনালয়।
কিযে আজব মানব জীৱন কাহিনী -
ভাবিলে দুধাৰি চকুলো বয় ,
নাঙঠ কৰি জন্মাই মানুহ
পুতলা স্বৰূপ সজাই
বেমাৰ আজাৰ ঢালি দি-
ক্ষন্তেকীয়া নাটৰ ভাও দি আকৌ
নাঙঠ কৰি লয়।
কিযে সৃষ্টিৰ ৰহস্য ভাবিছানে বাৰু,
কোন তেওঁ সেই পৰাক্ৰমশালী-
নব-মণ্ডল ভূমণ্ডলে থাকে নিৰ্গুণ নিৰাকাৰ
বৈজ্ঞানিক চিকিৎসক মহাপ্ৰতাপী গন
অৱশেষত সকলো হয় নতজানু তেওঁৰ আগত।।

# সময়ৰ বালিত খোজ থৈ

**গৌতমানন্দ গোস্বামী**
হাজৰিকাপাৰা, দৰং

দুখবোৰ সাঁচি থওঁ
হৃদয়ৰ এচুকত
সাঁচতীয়া দুখ আৰু বেদনা
এক থূপ হৈ
জীৱনৰ গণনা আৰম্ভ হয়
গণনা আগবাঢ়ি থাকে
আগবাঢ়ে সময়ৰ তুলাচনী
ছাঁ-ঘন সময়
সময়ৰ বালিত খোজ থৈ
দুখ আৰু বেদনাৰ হিচাপ-নিকাচ
সাঁচি থোৱা দুখ
সাঁচি থোৱা বেদনাই
খোজ আগবঢ়াই
আকাশৰ পিনে
সীমাহীন মহাকাল-মহাজাগতিক স্বপ্ন।।

# আত্মকথা

**ড° ভাৰ্গৱ জ্যোতি চহৰীয়া**
শ্ৰীমন্তপুৰ, গুৱাহাটী

এখনি উকা চোতাল
বৰষুণ দিলে শেলুৱৈ ধৰে
ৰ'দ দিলে চিৰাল ফাট মেলে
উৰ্বৰা পাছে
তুলসী ৰোৱা বুকুতে চাকি জ্বলে
ৰোলে শেৰালী
শৰৎ হৈ নামে
নিয়ৰৰে টুক-টাক কথা পাতে
ৰুই চাবা গোলাপ
ৰঙা হৈয়ে ফুলিব
বুকু ভৰাই
ভালপোৱা সিঁচৰাব

**সংস্কাৰধ্বনি ফাউণ্ডেচন কাৰ্যবাহী সমিতি**

**প্ৰতিষ্ঠাপক/সভাপতি**
হিতেশ গোস্বামী

**সাধাৰণ সম্পাদক**
গুনীন ফুকন

**উপ-সভাপতি**
চুমি শৰ্মা গোস্বামী

**মুখ্য উপদেষ্টা**
ড° নগেন্দ্ৰনাথ শৰ্মা

**উপদেষ্টা মণ্ডলী**
সুকীৰ্ত্তি দাস
কিৰণ কুমাৰ গগৈ
ড° জগদীশ পাটগিৰি
ড° জয়ন্তীমালা চক্ৰৱৰ্তী

## কাৰ্যবাহী সদস্য

লিলি শৰ্মা
গায়ত্ৰী কৌশিক
ভনিতা গোস্বামী
জয়দেৱ মালাকাৰ
শ্যামন্ত দেৱ বৰুৱা

'সহস্ৰ কবিৰ সহস্ৰ কবিতা' এই গ্ৰন্থখনি আমাৰ এক বিনম্ৰ প্ৰয়াস।

অজানিতে আৰু অজ্ঞনতাৰ বাবে হ'ব পৰা ভুল-ভ্ৰান্তিৰ বাবে আমি সকলোৰে ওচৰত বিনম্ৰতাৰে ক্ষমা বিচাৰিছোঁ।

আপোনালোকৰ দৃষ্টিত নিবদ্ধ হোৱা যিকোনো ভুল যেনে— কবিতাৰ মানদণ্ড, শব্দ, ব্যাকৰণ, ভাষা, বাক্যৰ গাঁথনি ইত্যাদি আমাক অৱগত কৰিলে আমি কৃতাৰ্থ হ'ম আৰু অসমীয়া ভাষা-সাহিত্যৰ পাঠকসকলো উপকৃত হ'ব।

আমাৰ বিনম্ৰ প্ৰয়াস অসমীয়া ভাষাক উপযুক্তভাৱে ব্যৱহাৰ কৰি নতুন প্ৰজন্মক মাতৃভাষাৰ সোৱাদ দিয়া।

বৰ্তমানৰ ডিজিটেল সংস্ক ৰণসমূহ একত্ৰিত কৰি এক হাজাৰ কবিৰ এক হাজাৰ কবিতা সন্নিৱিষ্ট কৰি এই গ্ৰন্থখনি ছপা আকাৰে প্ৰকাশ কৰাৰ পৰিকল্পনা লৈ আমি সংস্কাৰধ্বনি ফাউণ্ডেচন আগবাঢ়িছোঁ। আপোলোকৰ সহযোগ আৰু পৰামৰ্শই আমাক কৃতজ্ঞ কৰিব।

**—সংস্কাৰধ্বনি ফাউণ্ডেচন**

**সংস্কাৰধ্বনি ফাউণ্ডেচন**
ৰূপালীম পথ, সাউকুছি, গুৱাহাটী-৪০
ফোন ঃ ৯৯৫৭৮-৮৪৪০০, ৯৬৭৮০-৭০৭৭৬
**Regn No.** RS/KAM(M)/263/U/152 OF 2019-2020
**Website :** www.sanskardhwani.org, **E-mail**-sanskardhwani@gmail.com